


তমসো মা জ্যোতির্গময়

# যুগবাৰ্তা

বাৰ্তালোচনী

❑ JUGABARTA ❑ 3RD YEAR ❑ 1ST ISSUE ❑ THURSDAY ❑ 17TH JANUARY, 2019.

তৃতীয় বৰ্ষ ❍ প্ৰথম সংখ্যা ❍ বৃহস্পতিবাৰ ❍ ২ মাঘ ❍ ১৯৪০ শক ❍ চিনামৰা, যোৰহাট ❍ অৰিহণা ঃ ১০ টকা

## ৰাজ্যভাষাৰ পূৰ্ণ প্ৰচলন আৰু অসমৰ ভাষা আন্দোলন

❑ মোহন চন্দ্ৰ মহন্ত

১৯৬০ চনৰ অসম ৰাজ্যভাষা আইনখন যদি আজি অসম চৰকাৰে সম্পূৰ্ণভাৱে কাৰ্যত পৰিণত কৰিলেহেঁতেন আৰু অসমীয়া ৰাইজেও যদি ৰাজ্যভাষাৰ তাৎপৰ্য সম্যকভাৱে বুজি উঠি সেই আইন কাৰ্যত পৰিণত কৰিবলৈ উঠি পৰি লাগিলহেঁতেন, তেন্তে অসমত শিক্ষাৰ মাধ্যম লৈ আকৌ দ্বিতীয় ভাষা আন্দোলন এটা চলাবলৈ একো আৱশ্যকেই নহ'লহেঁতেন। ভাৰতে স্বাধীনতা লাভ কৰাৰ কেইদিনমানৰ পাছতেই মহাত্মা গান্ধীয়ে তেখেতৰ 'হৰিজন' কাকতত এইবুলি এযাৰ সতৰ্কবাণী প্ৰকাশ কৰিছিল যে এদিনো পলম নকৰি কেন্দ্ৰত হিন্দী আৰু প্ৰদেশবিলাকত প্ৰাদেশিক ভাষাৰে চৰকাৰী কাম চলাব লাগে। স্বাধীনতা লাভৰ পাছতে ভাৰতৰ সকলো ৰাজ্যতে ভাষা আন্দোলন হ'ল আৰু আগৰ বৃহৎ বৃহৎ ৰাজ্য মাদ্ৰাজ, বোম্বাই, পাঞ্জাৱ আদি আঞ্চলিক ভাষাৰ ভিত্তিত খণ্ড-বিখণ্ড হৈ সুকীয়া সুকীয়া ৰাজ্য হ'ল। এনেকৈ ভাষাৰ ভিত্তিত বৃহৎ ৰাজ্যবোৰ ভাগি-ছিগি সৰু সৰু ৰাজ্য হোৱাৰ বাবে বেজাৰৰ চকুলো টুকি কোনো পুৰণা মনোবৃত্তিৰ লোকে যিমানেই বিলাপ কৰক লাগিলে, ইয়াৰ দ্বাৰা যে গণতান্ত্ৰিকতা আৰু আঞ্চলিক অৰ্থনৈতিক স্বতন্ত্ৰতাৰ প্ৰগতি বৃদ্ধি হ'ল, সেই বিষয়ে কোনো সন্দেহ নাই। উদাহৰণস্বৰূপে, ভাষাৰ ভিত্তিত পাঞ্জাৱৰ পৰা ফাটি উদ্ভৱ হোৱা সৰু ৰাজ্য হাৰিয়ানা আৰ্থিক উন্নতিৰ বিষয়ত ভাৰতৰ দ্বিতীয় ৰাজ্য হৈ উঠিব পাৰিছে। ভাষাৰ ভিত্তিত ৰাজ্যবোৰ গঠিত হৈ যোৱাৰ পাছত ৰাজ্যবাসীসকলে সেই ৰাজ্যৰ ৰাজ্যভাষাৰ লগত নিজকে খাপ খুওৱাটো সাংবিধানিক কৰ্তব্য।

ভাৰতৰ সংবিধান মতে ২ পৃষ্ঠাত...

## ভাৰত-পাক সম্বন্ধৰ নতুন দিশ

## কাটাৰপুৰ কৰিডৰ

❑ পদ্মেশ্বৰ কাটনী

দক্ষিণ-পূৰ এছিয়াৰ দুখন উল্লেখযোগ্য গণতান্ত্ৰিক ৰাষ্ট্ৰ ভাৰত আৰু পাকিস্তান এক সুদীৰ্ঘ সীমান্ত স্পৰ্শ কৰি থকা ৰেডক্লিফ লাইনৰ নিৰ্দ্ধাৰণ হৈছিল ১৯৪৭ চনৰ ১৭ আগষ্টত। তদানীন্তন অধ্যক্ষ চাৰ ক্ৰাইল ৰেডক্লিফৰ নামেৰে নামাঙ্কিত এই সীমান্ত অঞ্চল ১৯৭২ চনৰ ঐতিহাসিক চিমলা চুক্তি অনুসৰি ইয়াৰ স্থায়ীত্ব দুয়োখন ৰাষ্ট্ৰই মানি চলাটো বাধ্যতামূলক। এই




ভাৰত-পাক সীমান্তৰ মুঠ ২২৪০ কিল'মিটাৰ (LOC বাদ দি) ভাৰতৰ পাঞ্জাৱ প্ৰদেশ আৰু পাকিস্তানৰ পাঞ্জাৱ প্ৰদেশৰ লগত থকা সীমান্ত দৈৰ্ঘ্যৰ মুঠ ৪.২৫ কিল'মিটাৰ।

শেহতীয়াকৈ ভাৰত আৰু পাকিস্তানৰ মাজত এক শীতল যুদ্ধৰ পৰিৱেশ সৃষ্টি হোৱাত আন্তঃৰাষ্ট্ৰীয় মাধ্যমসমূহৰ চকু দক্ষিণ এছিয়াৰ সৰ্ব্বদিশৰ চিৰবৈৰী দেশ দুখনৰ প্ৰতি। উল্লেখিত বিষয় ভিত্তিক আলোচনাৰ ঐতিহাসিক আতিগুৰি বিচাৰি আমি উভতি যাব লাগিব ১৫০৪ চনলৈ। শিখসকলৰ প্ৰথমজনা ধৰ্মগুৰু গুৰু নানকে ৰবি নদীৰ পাৰত (বৰ্তমান পাকিস্তানৰ অন্তৰ্গত) কাটাৰপুড়ত প্ৰথমটো শিখ প্ৰশাসনিক ধৰ্মীয় আস্থান।

১৫৩৯ খ্ৰীষ্টাব্দত মৃত্যুক্ষণলৈকে শিখ গুৰুজনাই শিখসকলক একত্ৰিত কৰি প্ৰায় ১৮ বছৰ বসবাস কৰা কাটাৰপুড় পাক-ভাৰত সীমান্তৰ পৰা প্ৰায় ৪.৭ কিল'মিটাৰ দূৰত্বত অৱস্থিত। ভাৰত আৰু পাকিস্তান দুয়োখন দেশে বৰ্তমান ভাৰতৰ পাঞ্জাৱ প্ৰদেশত থকা ডেৰা বাবা নানক চাহিব আৰু ৫ পৃষ্ঠাত...

## বিপন্ন পঞ্চায়তীৰাজ

❑ ড০ অনিল কুমাৰ শইকীয়া

১৯৯৩ চনৰ ২৪ এপ্ৰিলৰ পৰা স্থানীয় প্ৰশাসন হিচাপে পঞ্চায়তীৰাজ প্ৰতিষ্ঠানে গ্ৰাম্যাঞ্চলত ক্যৰ্যক্ষম হৈ উঠিছিল আৰু ২০১৮ চনৰ ২৪ এপ্ৰিলত এই প্ৰতিষ্ঠানে ২৫ বছৰ সম্পূৰ্ণ কৰিলে। এই দীৰ্ঘ সময়ছোৱাত পঞ্চায়তীৰাজ ব্যৱস্থাটোৱে বহুবোৰ উত্থান-পতনৰ সন্মুখীন হৈছিল যদিও উদাৰীকৰণ অৰ্থব্যৱস্থাত এই প্ৰতিষ্ঠানটোৱে সংবিধানৰ প্ৰতিশ্ৰুতিবোৰ ৰক্ষা কৰিব নোৱাৰিলে আৰু ইয়াৰ মূল চৰিত্ৰ বিকেন্দ্ৰীকৃত ক্ষমতাৰ পুনৰ কেন্দ্ৰীভূতকৰণ চৰিত্ৰৰ দ্বাৰা গঢ়ি তোলা হ'ল।

দেশৰ গণতন্ত্ৰক অধিক গতিশীল আৰু জনগণক চৰকাৰৰ সৰল অংশীদাৰ কৰি তোলাৰ স্বাৰ্থত গ্ৰাম্যাঞ্চলত পঞ্চায়তীৰাজ প্ৰতিষ্ঠান গঠন হৈছিল। গণতন্ত্ৰৰ প্ৰশাসনিক কৰ্মত থকা গাঁঠনিগত নীতিসমূহৰ সীমাবদ্ধতা আৰু ৰাষ্ট্ৰীয় পৰিকল্পনাৰ দ্বাৰা কেন্দ্ৰীয়ভাৱে নিয়ন্ত্ৰিত ব্যৱস্থাটোত স্বাভাৱিকতে চৰকাৰৰ কৰ্মসমূহৰ সৈতে জনগণৰ বিশেষকৈ গ্ৰাম্যবাসীৰ প্ৰত্যক্ষ সম্পৰ্ক অথবা যোগাযোগ সম্ভৱ হৈ উঠা নাছিল। এই প্ৰতিষ্ঠানে স্থানীয় বাসিন্দাক এক প্ৰতিষ্ঠানগত সুবিধা আগবঢ়ালে বিশেষকৈ সমাজৰ পিছ পৰা শ্ৰেণী আৰু মহিলাসকলৰ বাবে য'ত তেওঁলোকৰ জীৱিকা আৰু জীৱন নিৰ্বাহৰ ১৪ পৃষ্ঠাত...

## মুখ্য উপদেষ্টাৰ কলম

## বিশ্ব ইতিহাস সমৃদ্ধ কৰাত স্থানীয় ইতিহাসৰ ভূমিকা

❑ আনন্দ শইকীয়া



শিৰোনামাত বিষয়টো উত্থাপন কৰাৰ আগতে ইতিহাসৰ সংজ্ঞা সম্পৰ্কত চমুকৈ কেইটামান কথা উল্লেখ কৰাৰ প্ৰয়াস কৰিছো। ইতিহাসক সমাজ বিজ্ঞানৰ পিতৃস্বৰূপ আখ্যা দিয়া হয়। ইতিহাস হ'ল - দৰ্শন, ৰাজনীতি, অৰ্থনীতি আনকি কলা-সংস্কৃতি আৰু ধৰ্মৰো ই হ'ল ভেটি। সেয়েহে, মানুহৰ সম্পূৰ্ণ শিক্ষা আহৰণৰ ক্ষেত্ৰত ইতিহাস অবিচ্ছেদ্য অঙ্গ। গ্ৰীক ভাষাৰ 'হিষ্টৰিয়া' শব্দৰ পৰা হিষ্টৰি শব্দটো আহিছে, যাৰ অৰ্থ হৈছে তথ্য আৰু সত্য অন্বেষণ কৰা।

ইতিহাসৰ সংজ্ঞা সম্পৰ্কে লেখকসকল এতিয়াও সৰ্বসন্মত সিদ্ধান্তলৈ আহিব পৰা নাই। বিশিষ্ট ইতিহাসবিদ E.H. Carr এ ইতিহাসৰ সংজ্ঞা নিৰ্ধাৰণ কৰিছে এইদৰে - History is an unending dialogue between the present and the past. অৰ্থাৎ ইতিহাস হ'ল ১৭ পৃষ্ঠাত...

## বিগত সময়চোৱাৰ কেতবোৰ উল্লেখযোগ্য বাৰ্তা

❑ অভিষেক হাজৰিকা

আন্তঃৰাষ্ট্ৰীয় বাৰ্তা

**কংগোৰ ডেনিছ মুকৰেগে আৰু ইৰাকৰ নাডিয়া মুৰাদলৈ ২০১৮ বৰ্ষৰ শান্তিৰ ন'বেল বঁটা**

কংগোৰ চিকিৎসক ডাঃ ডেনিছ মুকৰেগে আৰু ইৰাকৰ য়াজিদি সম্প্ৰদায়ৰ নাডিয়া মুৰাদলৈ এই বছৰৰ শান্তিৰ নোবেল বঁটা আগবঢ়োৱা হৈছে। নৰৱেৰ নোবেল সমিতিয়ে এই বুলি কয় যে যুদ্ধ আৰু সশস্ত্ৰ সংগ্ৰামৰ সময়ত যৌন হিংসাক এক অস্ত্ৰৰূপে ব্যৱহাৰ কৰাটোক প্ৰতিৰোধ কৰিবলৈ তেওঁলোকে চলোৱা প্ৰচেষ্টাৰ স্বীকৃতিৰূপে তেওঁলোকলৈ সন্মানীয় পুৰস্কাৰবিধ আগবঢ়োৱা হৈছে। উল্লেখযোগ্য যে এতিয়ালৈকে ৯৮ বাৰ শান্তিৰ নোবেল বঁটা দিয়া হৈছে। ইয়াৰ ভিতৰত ১০৪ গৰাকী ব্যক্তি আৰু ২৭ টা সংগঠনে এই বঁটা লাভ কৰিছে। ১০৪ গৰাকী ব্যক্তিৰ মাজত মাত্ৰ ১৬ গৰাকী মহিলা। নাডিয়া মুৰাদ পাকিস্তানৰ মালালা ইউছুফজাইৰ পাছত শান্তিৰ নোবেল বঁটা জয় কৰা দ্বিতীয় সৰ্বকণিষ্ঠ মহিলা। তেওঁৰ বয়স ২৫ বছৰ।

**আৰ্থাৰ আস্কিন, জেৰা মুৰু আৰু ডোনা ষ্ট্ৰিকলেণ্ডলৈ পদাৰ্থ বিজ্ঞানৰ নোবেল** ১৫ পৃষ্ঠাত...

অপাৰ মহিমাৰে মহিমামণ্ডিত আহোম যুগৰ দেৱতাসকলৰ উপাসনাস্থল

## দেওঘৰ

❑ প্ৰণৱজ্যোতি কলিতা

আহোম যুগৰ দেৱতাসকলক উপাসনা কৰাৰ এক স্থল হ'ল দেওঘৰ। দেওনামঘৰ বুলি বহুতে কয়। অপাৰ মহিমাৰে মহিমামণ্ডিত দেওঘৰ। এই দেওঘৰভাগি স্থাপন হৈছিল ১৭৮৯ খ্ৰীষ্টাব্দত। আহোম স্বৰ্গদেউ গৌৰীনাথ সিংহৰ ৰাজত্বকালত ১৭৮৯ খ্ৰীষ্টাব্দত আহোমৰ ৬০০ বছৰীয়া ৰাজত্বৰ শেষ ৰাজধানী শিৱসাগৰৰ ৰংপুৰৰ পৰা যোৰহাটলৈ তুলি আনিছিল আৰু সেই সময়তে ১২ পৃষ্ঠাত...



১ পৃষ্ঠাৰ পৰা

# ৰাজ্যভাষাৰ পূৰ্ণ প্ৰচলন আৰু . . .

সমগ্ৰ ভাৰতেই এক জাতি বা ৰাষ্ট্ৰ আৰু সকলো ভাৰতবাসীৰ পক্ষে একেটা মাথোন নাগৰিকত্ব। সাধাৰণতে এনে অৱস্থাত কোনো ৰাজ্য বিশেষৰ অধিবাসীৰেই সেই ৰাজ্যৰ ৰাজ্যিক চৰকাৰী বা বেচৰকাৰী চাকৰি আদিত অন্য ৰাজ্যবাসীক বহিৰ্ভূত কৰিব পৰাকৈ এদনীয়া অধিকাৰ নাই। কিন্তু সংবিধানত থকা ৰাজ্যভাষাৰ ব্যৱস্থাৰ সুৰুঙাইদি এনেকুৱা এদনীয়া অধিকাৰ ভোগ কৰিব পাৰি। এই সুযোগৰ কাৰণেই ভাষাৰ ভিত্তিত ৰাজ্যবোৰ নতুনকৈ গঢ়িবলৈ বিজ্ঞ স্ব-ৰাজ্যপ্ৰেমীসকলে আন্দোলন কৰি পোনপ্ৰথমে সম্পূৰ্ণ উদ্যমেৰে ৰাজ্যভাষা প্ৰয়োগৰ অধ্যায়টো শেষ কৰি লৈ এতিয়া অন্যান্য বিষয়ৰ উন্নয়নমূলক কাৰ্যত আত্মনিয়োগ কৰিছে। কিন্তু অসমৰ ভাষা-সাহিত্য আৰু ৰাজনীতি-অৰ্থনীতিৰ নেতাসকলে আজি অত বছৰেও ৰাজ্যিক অৰ্থনীতিৰ এই মৌলিক আৱশ্যকতা উপলব্ধি কৰিব নোৱাৰি কেৱল ভাষা-সাহিত্যৰ ঐতিহাসিক বা আৱেগিক দিশবোৰৰ ওপৰতেইহে জোৰ দি ভাষা আন্দোলনটো ওৰ নপৰাকৈ লেহেমীয়া গতিৰে চলাই আহিব লাগিছে আৰু সেই কাৰণেই অন্য উন্নয়নমূলক আন্দোলনবিলাক পিছ পৰি যাবলগীয়া হৈছে। অসমবাসী বিভিন্ন ভাষা-ভাষী ৰাইজে যদি এইটো উপলব্ধি কৰিব পাৰিলেহেঁতেন যে অসমত তেওঁলোকৰ সতি-সন্ততিক বাহিৰৰ কোনো ৰাজ্যৰ সজাতীয় বা সধৰ্মীয় জাতিসকলৰ অৰ্থনৈতিক প্ৰতিযোগিতাৰ পৰা ৰক্ষা কৰিবলৈ হ'লে একমাত্ৰ অসমীয়াক ৰাজ্যভাষা ৰূপে (অৰ্থাৎ অসমবাসী সদৌ ৰাইজৰেই একমাত্ৰ ৰাজহুৱা ভাষা ৰূপে) গ্ৰহণ কৰাৰ বাহিৰে সাংবিধানিক গত্যন্তৰ নাই, তেন্তে সকলো অনা-অসমীয়া অসমবাসী এনেকি কাছাৰবাসীসকলেও আগৰণুৱা হৈ অসমীয়াক ৰাজ্যভাষাৰূপে গ্ৰহণ কৰি অসমৰ যাৱতীয় চৰকাৰী বা ৰাজহুৱা কাৰ্য চলাবলৈ নিজ নিজ ভাষাৰ গোৰামি পৰিহাৰ কৰি আগবাঢ়ি আহিলহেঁতেন। কিন্তু অতি পৰিতাপৰ বিষয় যে এই উপলব্ধি এতিয়ালৈকে হৈ উঠাহি নাই।

অসম চৰকাৰে নামত সচিবালয়ৰ পৰ্যায়ৰ পৰা আৰম্ভ কৰি অসমৰ যাৱতীয় ৰাজ্যিক কাৰ্য অসমীয়া ভাষাৰে চলাবলৈ নিৰ্দেশ জাৰি কৰিলে যদিও এতিয়ালৈকে জিলা পৰ্যায়তেই এই নিৰ্দেশ কাৰ্যকৰী হৈ উঠা নাই, যিকোনো চৰকাৰী অফিচৰ ফাইল এটা মেলি চালেই এই কথা সুস্পষ্টকৈ ওলাই পৰিব। এতিয়ালৈকে সচিবালয়ৰ পৰা তললৈ আহিবলগীয়া কোনো চিঠি-পত্ৰ বা আদেশ-নিৰ্দেশ ৰাজ্যভাষা অসমীয়াত অহা নাই আৰু সেইদৰে সচিবালয়লৈ তলৰ ফালৰ পৰা পঠোৱা কোনো আবেদন-নিবেদন বা চিঠি-পত্ৰও এই ভাষাত প্ৰেৰিত হোৱা নাই। ৰাজ্যিক সচিবালয়ত যদি অসমীয়া ভাষাৰে কাম চলিলেহেঁতেন, তেহে কাছাৰবাসীয়েও 'জিলা পৰ্যায়'ৰ বঙালী ভাষাৰ সীমাৱদ্ধতাৰ তাৎপৰ্য উপলব্ধি কৰিব পাৰিলেহেঁতেন। যদি জিলা পৰ্যায়ত চলিব পৰা ভাষা এটাত উচ্চতম শিক্ষা লাভ কৰিলেও কাছাৰবাসীয়ে সেই জিলাৰ চাৰিসীমাৰ ভিতৰতে কেৱল জিলা পৰ্যায়ৰ কেৰাণি-মহৰী, শিক্ষক-অধ্যাপক আদি চাকৰি-বাকৰি কেইটাতে চিৰকাল সন্তুষ্ট হৈ মৰণা মাৰি ঘূৰি ফুৰাসকলৰ দৰে ঘূৰি পকি থাকিবলৈ বিচাৰে, তেন্তে আমাৰ ক'বলৈ একো নাই। যদিহে তেওঁলোকে অসমৰ ৰাজ্যিক পৰ্যায়ৰ বিশেষকৈ সচিবালয় পৰ্যায়ৰ চাকৰি পাবলৈ ইচ্ছা কৰে, তেন্তে তেওঁলোকে আইনমতে বাধ্য হৈ ৰাজ্যভাষা অসমীয়া শিকিবই লাগিব, সেয়ে নহ'লে তেওঁলোকৰ নিমিত্তে ৰাজ্যভাষাৰে কাম চলোৱা ৰাজধানী বা অন্য জিলাত কোনো কাম কৰিবলৈ একো সুবিধা নাথাকিব। ৰাজ্যভাষা আইনৰ ৭ (গ) ধাৰাত বিভিন্ন ভাষা-গোষ্ঠীৰ লোকসকলক ৰাজ্যিক চাকৰি-বাকৰি পোৱাত একো হকা-বাধা নাথাকিব বুলি কোৱা হৈছে যদিও কাৰ্যক্ষেত্ৰত তেওঁলোকে এনে কাম চলাব পৰাটো অসম্ভৱ হৈ উঠিব যদিহে অসমত ৰাজ্যভাষা আইনৰ পূৰ্ণ প্ৰয়োগ হয়। কাছাৰৰ পৰা মকৰল হোৱা অসমীয়া নজনা ৰাজ্যিক পৰ্যায়ৰ চাকৰিয়াল এজনে অসমৰ অন্য জিলা বা ৰাজধানীলৈ স্থানান্তৰিত হ'বলৈ হ'লে তেওঁ সেইবিলাক ঠাইত কাৰ্যভাৰ গ্ৰহণ কৰা মুহূৰ্তৰে পৰা নিখুত ৰাজ্যভাষাৰে কাম চলাবলগীয়া হ'লে তেওঁ ততালিকে পানীৰ পৰা তুলি অনা মাছৰ দৰে ধৰফৰাব লাগিব, কাৰণ তেওঁ এতিয়াৰ দৰে অসমীয়াত বিভাগীয় পৰীক্ষা দিবলৈ সময় পোৱাৰ নিচিনা একো সুবিধাকে নাপাব। অন্য প্ৰদেশৰ ভাৰতীয় প্ৰশাসনীয় যোগ্যতা থকা চাকৰিয়ালসকলেও আগধৰি ৰাজ্যভাষা নজনাকৈ ইয়ালৈ আহি এনে দুৰ্দশা হোৱাৰ ভয়ত এই ৰাজ্যত চাকৰি কৰিবলৈ আহিবলৈ সাহস নকৰিব। অসমৰ সজাগ ৰাইজে ৰাজ্যভাষাৰ পূৰ্ণ পৰ্যায়ৰ আমোল চলিলে অসমীয়া নজনা কোনো চাকৰিয়ালক প্ৰশ্ৰয় নিদিব আৰু বলেৰে এনে কোনো কৰ্মচাৰীক অসমতে জাপি দিয়াটো হ'লেও তেওঁৰ লগত অসমীয়া ৰাইজে সংশ্ৰৱ বৰ্জন কৰাটো আইনমতেই দোষণীয় কাৰ্য হ'ব নোৱাৰিব। তেনে অৱস্থাত এতিয়াৰ দৰে ভগা ভগা 'চাহাবী অসমীয়া' ভাষাৰে চৰকাৰী কাম চলোৱাটো অসম্ভৱ হৈ উঠিব। গতিকে উচ্চ শিক্ষাকে আদি কৰি সকলোতে শিক্ষাৰ মাধ্যম ৰূপে অসমীয়াকে গ্ৰহণ কৰিবলৈ সকলো চাকৰিপ্ৰাৰ্থীয়েই এতিয়া এটাও আখৰ ভুল নোহোৱাকৈ নিখুতভাৱে খৰচি মাৰি ইংৰাজী ভাষা শিকাৰ মনোবৃত্তিৰেই অসমীয়া ভাষা শিকি বুজি পৈণত হৈ উঠিবলৈ হাবিয়াস কৰিবলগীয়া হ'ব। ৰাজ্যিক চাকৰিয়াল সম্পৰ্কে যি কথা খাটে, অসমৰ অন্যান্য ৰাজ্যিক নেতৃত্ব সম্পৰ্কেও সেই কথা খাটে। কাছাৰৰ লোকসকলে যদি ৰাজনৈতিক বা অৰ্থনৈতিক নেতা বোলাই অকল কাছাৰ জিলাৰ ভিতৰতেইহে মৰণা মাৰি ঘূৰি-পকি থাকিবলৈ বিচাৰে, তেন্তে আমি মুখ বজাবলৈ একো নাই। কিন্তু যদিহে তেওঁলোকে সমগ্ৰ অসমৰ নেতৃত্ব কৰিবলৈ বিচাৰে, তেন্তে ৰাজ্যভাষা অসমীয়া নাজানিলে সেইটো সম্ভৱ হৈ নুঠিব। আজি অসমৰ ৰাজনৈতিক নেতৃত্ব গোৱালপাৰা জিলা আৰু লক্ষীমপুৰ জিলাই কৰাৰ দৰে ৰাজ্যভাষা অসমীয়া জানিলেহে কাইলৈ কাছাৰেও সেয়া কৰিব পাৰিব। সেয়ে নহ'লে তেওঁলোকৰ নেতৃত্ব জিলা পৰ্যায়তে শেষ হ'ব লাগিব।

সংখ্যালঘিষ্ঠসকল চিৰকালেই সংখ্যালঘু হৈ থাকিব লাগিব বুলি ভবাটো সংবিধানমতে ভুল। সংখ্যালঘু অনেক সম্প্ৰদায়ৰ ভাৰতীয় আৰু অসমবাসী লোকে সংখ্যাগৰিষ্ঠ সম্প্ৰদায়ৰ দৰেই নেতৃত্ব কৰিব লাগিছে। অসম প্ৰদেশ কংগ্ৰেছৰ বৰ্তমান সভাপতি শ্ৰীললিত কুমাৰ দলে, ৰাজস্থান আৰু মণিপুৰৰ বৰ্তমান মুখ্যমন্ত্ৰীসকল, কেন্দ্ৰীয় নেতা শ্ৰীজগজীৱন ৰাম আদি লোকে সংখ্যালঘু সম্প্ৰদায়ভুক্ত হৈয়ো এইবিলাক ৰাজ্য আৰু ভাৰতৰ নানান ক্ষেত্ৰত নেতৃত্ব কৰিব লাগিছে। ৰাষ্ট্ৰভাষা হিন্দীৰ বিৰোধ কৰি থকা ৰাজ্যবোৰে নতুন ৰাষ্ট্ৰীয় নেতা উদ্ভাৱন কৰাত বৰ্তমান অকৃতকাৰ্য হোৱাৰ দৰে অসমৰ ৰাজ্যভাষা অসমীয়াৰ বিৰোধিতা কৰা সংখ্যালঘুসকলৰ পৰাও ভৱিষ্যতে অসম-নেতা ওলোৱাটো হৈ নুঠিব বুলি আমাৰ সন্দেহ হৈছে। সংখ্যালঘু সম্প্ৰদায়বিলাকে ভাষিক বা সাম্প্ৰদায়িক সংকীৰ্ণ মনোবৃত্তি পৰিত্যাগ নকৰিলে ৰাজ্যিক বা ৰাষ্ট্ৰীয় নেতৃত্ব কৰাৰ পৰা তেওঁলোক চিৰকাললৈ বঞ্চিত হৈ থাকিবলগীয়া হ'ব।

অসমত যদি অসমীয়াৰ লগতে বঙলা আদি অন্য ভাষাকো ৰাজ্যভাষাৰ মৰ্যাদা দিয়া হয়, তেন্তে বঙালী আদি অন্য ভাষা-ভাষী অসমবাসীসকল তেওঁলোকৰ নিজ নিজ ৰাজ্যৰ প্ৰতিদ্বন্দীসকলৰ অৰ্থনৈতিক প্ৰতিযোগিতাত তিষ্ঠিবলৈ টান হৈ উঠিব। এই কথা অসমৰ অনা-অসমীয়াভাষীসকলে ইচ্ছা কৰিলে খাটি অসমীয়াসকলতকৈয়ো ভালকৈহে অসমীয়া ভাষাত লিখা-পঢ়াত পাৰদৰ্শিতা দেখুৱাব পাৰিব। কাৰণ, যাৰ মাতৃভাষা অসমীয়া, তেওঁলোকে ভাষাৰ বিশুদ্ধতা বিশেষকৈ ব্যাকৰণ অভিধানৰ প্ৰতি বেপৰোৱা হৈ এনে অশুদ্ধকৈ অসমীয়া ভাষা ক'বলৈ বা লিখিবলৈ ধৰে যে নতুন অসমীয়াসকলে তাতকৈ অনেক বিশুদ্ধভাৱে অসমীয়া ভাষা ক'ব পাৰে বা লিখিব পাৰে। কাৰণ, তেওঁলোকে অসমীয়া ব্যাকৰণ অভিধানৰ বিধান আখৰে আখৰে অনুসৰণ কৰে। কোৱা বাহুল্য যে অন্যান্য সকলো ভাৰতীয় বা ইংৰাজী ভাষাতকৈ বেছি মিল বা সাদৃশ্য থকা অসমীয়া ভাষা অসমবাসী বঙালীসকলে ইচ্ছা কৰিলে অতি সহজে আৰু কম সময়ৰ ভিতৰতে আয়ত্ত কৰিব পাৰে। গতিকে তেওঁলোকে ভয় খাইছে কিয় বুজব পৰা নাযায়। তেওঁলোকৰ নিজ নিজ সাহিত্য বা সংস্কৃতি-চৰ্চা বৃদ্ধি কৰা সম্পৰ্কে বঙালী আদি অন্য ভাষা-ভাষী অসমবাসীসকলে বঙলা বা অন্যান্য ভাষা সুকীয়াকৈ চৰ্চা কৰাৰ অধিকাৰ সংবিধানেও দিছে আৰু আমিও সেই অধিকাৰৰ পৰা তেওঁলোকক বঞ্চিত কৰিবলৈ নেযাঁও। কিন্তু ৰাজ্যভাষাক শিক্ষাৰ মাধ্যম হিচাপে অন্যান্য ভাষী অসমবাসীসকলেও গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য।

এই বিষয়ত আমি কাছাৰে জন্ম দিয়া স্বনামধন্য প্ৰত্নতত্ত্ববিদ, সাহিত্যিক স্বৰ্গীয় ৰাজমোহন নাথৰ নাম স-সন্মানে উল্লেখ কৰোঁ। তেখেত কাছাৰবাসী হৈয়ো অসমীয়া ভাষাতহে অনেক গ্ৰন্থ লিখি আৰু সম্পাদনা কৰি অসমত যুগমীয়া কীৰ্তি ৰাখি গৈছে।

অৱশেষত আমি অসম চৰকাৰ আৰু অসমৰ সকলো অধিবাসীক সনিৰ্বন্ধ অনুৰোধ জনাওঁ, অনতিপলমে যেন অসমীয়াক ৰাজ্যভাষা ৰূপে সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰাৰ ব্যৱস্থা কৰি অসমত আপদীয়া ভাষা আন্দোলনৰ অধ্যায়টো শেষ কৰে। সম্প্ৰতি ইংৰাজীকো অসমীয়াৰ লগতে শিক্ষাৰ মাধ্যম কৰি ৰখাৰ ব্যৱস্থাটো আমি ওপৰত লিখামতে কাৰ্য হ'লেহে অহা দহবছৰৰ ভিতৰতেই অনাৱশ্যক হৈ পৰিব। কাৰণ, 'যেনে লাও বুঢ়া হওক তেওঁ পাতৰ তল' বোলাৰ দৰে অন্যান্য ভাষাৰ যিমানেই পাৰদৰ্শিতা লাভ কৰক লাগিলে অসমীয়াৰ বাহিৰে অন্য ভাষাই অসমত ৰাজ্যভাষা হ'বৰ যোগ্যতা লাভ কৰিব নোৱাৰে, আৰু একমাত্ৰ এই ৰাজ্যভাষাৰ ওপৰত আশ্ৰয় লোৱাৰ বাহিৰে সদৌ অসমবাসীৰেই ৰাজনৈতিক, প্ৰশাসনীয় আৰু অৰ্থনৈতিক প্ৰগতি সাধনৰ নিমিত্তে গত্যন্তৰ নাই। অসম চৰকাৰে যদি অসম ৰাজ্যভাষা আইনখনৰ পূৰ্ণ প্ৰয়োগ কৰিবৰ ব্যৱস্থা নকৰে তেন্তে তুঁহ জুইৰ দৰে ৰাজ্যভাষাৰ আন্দোলনো উমাই উমাই চিৰকাললৈ জ্বলি থকিব। অসমৰ বিজয়ী ছাত্ৰ সমাজে শিক্ষাৰ মাধ্যমৰ বিষয়ে কৰা আন্দোলনৰ পিছতে ৰাজ্যভাষাৰ পূৰ্ণ প্ৰয়োগৰ অৰ্থে আন্দোলন নকৰাকৈ থাকিব নলগীয়া হ'লেই মঙ্গল হ'ব। ৰাজ্যভাষাৰ পূৰ্ণ প্ৰয়োগ নহ'লে শিক্ষাৰ মাধ্যমৰ বাবে হোৱা আন্দোলনৰ সুফলো সম্পূৰ্ণ ভোগ কৰিবলৈ পোৱা নহ'ব।

*(বৰ্তমান অসমৰ পৰিস্থিতিৰ সৈতে প্ৰাসঙ্গিক বুলি বিবেচনা কৰি ১৯৭২ চনত মোহন চন্দ্ৰ মহন্তই লেখা প্ৰৱন্ধটো পুনৰ প্ৰকাশ কৰা হ'ল)*

## কলম লোৱা মানুহৰ

❑ *যোগেশ কিশোৰ ফুকন*

কলমলোৱা মানুহৰ
গোত্ৰ নাথাকে, উপাধি নাথাকে
নাথাকে মন্দিৰৰ বিভাজন।
কলমলোৱা মানুহ শব্দৰ খেতিয়ক
বিঘা বিঘাকৈ সেউজীয়া কৰিব খোজে
বুকুৰ পথাৰ।
বিৰিঞ্চি বাসনাৰ আজ্ঞাবাহক তেওঁ
অঘৰী চৰাইৰ দৰে ভ্ৰমি ফুৰে পাহাৰ-ভৈয়াম।
কেতিয়াবা মনমাৰি বহি থাকে তেওঁ
বিপাঙত পৰে হ'বলা
ঘৰ-বাৰী এৰি ভগনীয়া হ'বৰ মন যায়
হ'বলা।
আকৌ কথকী হয় তেওঁৰ কলম
কথা কয় খেজুৰৰঙী পৃথিৱীৰ কথা
গোলাপ-হাচনাহানা আৰু
জলফাইবৰণীয়া জীৱনৰ কথা।
এৰা, বিনন্দীয়া জীৱনবোধৰ তেজস্বীতাৰে
কলমলোৱা মানুহেই ৰঙীয়াল কৰি তোলে
সূৰ্যই ৰমণ কৰা মাটিৰ উপত্যকা।
কলমলোৱা মানুহ নিশ্চয় পোহৰধ্যানী
নহ'লেনো প্ৰত্যুষেৰে লহপহাই বাঢ়েনে
দুখৰ মাটিত সুখৰ সমৃদ্ধি
দূৰ-অতীতৰ কোনোবা কালতেই
শব্দ-শস্যৰ ধূপ-দীপ জ্বলিছিল
তিৰ্‌বিৰাইছিল শ্ৰীছন্দ
কিয়নো আচৰিত,
তেতিয়াৰ পৰা এতিয়ালৈকে যতি পৰা নাই
বাসনাৰ বাংময় অভিমান
অন্ত হোৱা নাই শব্দ-সুৰ-লালিত্যৰ
অনন্ত নিৰ্যাস।
এতেকে কলমলোৱা মানুহক বৰণ কৰিব পাৰো আমি
বুকুৰ বৈজাল ভাঙি বোৱাই দিব পাৰো
পুলকিত পৰাণৰ শুভ পৰিধি।

৮০১১৩৬৭৩৫৪

# মোহন চন্দ্ৰ মহন্ত
## দক্ষিণ যোৰহাটৰ এক অগ্নিকণ্ঠ

❑ ড০ অঞ্জন শইকীয়া

কবিয়ে কৈছে—

“তোমাৰ লুণীয়া দেহাত শ্ৰমৰ
দুৰন্ত স্বাক্ষৰ
অথচ তুমি কেতিয়াও বাতৰিৰ
শিৰোনাম নোহোৱা
দূৰদৰ্শনৰ পৰ্দাতো ভুমুকি
নামাৰে তোমাৰ বিশ্বস্ত মুখে
অথচ তুমি মানুহৰ চেতনাৰ বটবৃক্ষ
এক জাগ্ৰত প্ৰতিবাদ....”

অসমৰ অন্যতম বিশিষ্ট চিন্তাশীল লেখক শ্যামল বিশ্বাসে এবাৰ এক প্ৰসংগত লিখিছিল যে প্ৰতিবেশী বা ভাৰতৰ বা স্থানীয় পৰ্যায়ৰ বিশিষ্ট ব্যক্তিৰ সম্পৰ্কে আমাৰ এক সহজাত উদাসীনতা আছে। ইউৰোপ, লেটিন আমেৰিকা নাইবা আফ্ৰিকাৰ প্ৰতি আমাৰ যেনে ধৰণৰ উৎসাহ বা উদ্দীপনা, কিন্তু আমাৰ নিজৰ অঞ্চলৰ তেনে ব্যক্তিৰ সম্পৰ্কত ঠিক তেনে ধৰণৰ মনোযোগৰ অভাৱ। ইয়াৰ ফলত বিশিষ্ট লেখক তথা সমাজব্ৰতী ব্যক্তিসকলৰ কৰ্মৰাজীৰ মহত্ত্ব, প্ৰমূল্যবোধ এতিয়াই আমি গ্ৰহণ কৰিব পৰা নাই। ওপৰত উল্লিখিত কবিতাৰ পংক্তিয়ে তাকেই সূচাবলৈ গৈছে। সেয়ে স্বাধীনতা আন্দোলনৰ অম্লান দেশপ্ৰেমৰ চানেকী, দক্ষিণ যোৰহাটত ৰায়ত সভাসমূহক শক্তিশালী নেতৃত্ব দিয়া, প্ৰকৃত গান্ধীবাদী নেতা, সাংবাদিক, স্বতন্ত্ৰ চিন্তা-ভাৱনাৰ পোষক, সাত্ত্বিক আধুনিক বুদ্ধিজীৱী মোহন চন্দ্ৰ মহন্তদেৱৰ বৰ্ণময় জীৱন আৰু আদৰ্শ-সম্পৰ্কে সম্যক ধাৰণা দিয়াই হৈছে এই লিখনিৰ প্ৰতিপাদ্য বিষয়।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পিছৰজন মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ প্ৰিয় শিষ্য শ্ৰীশ্ৰীগোপালদেৱৰ আজ্ঞাপৰ বৰযদুমণিদেৱৰ মাজুপুত্ৰ শ্ৰীৰতিকান্তৰ নাতি শ্ৰীনৰবৰদেৱ প্ৰতিষ্ঠিত শ্ৰীশ্ৰীতেলপানী সত্ৰৰ দ্বাদশজন সত্ৰাধিকাৰ শ্ৰীযাদৱচন্দ্ৰৰ জ্যেষ্ঠ পুত্ৰ মোহন চন্দ্ৰ মহন্তদেৱৰ জন্ম হৈছিল ১৯০৩ চনৰ ১৮ অক্টোবৰ তাৰিখে। সৰুৰেপৰা মেধাশক্তিৰ পৰিচয় দিয়া মহন্তদেৱে ১৯২৪ চনত গোলাঘাট বেজবৰুৱা স্কুলৰ তিনিটা বিষয়ত লেটাৰসহ সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ পৰৱৰ্তী সময়ত কটন কলেজৰপৰা বুৰঞ্জীত সন্মান সহকাৰে স্নাতক আৰু ১৯৩০ চনত গুৱাহাটীৰ আৰ্ল ল কলেজৰপৰা বি, এল, পাছ কৰিছিল। একান্ত ইচ্ছা থকা সত্ত্বেও আৰ্থিক অভাৱৰ বাবে এম এ পঢ়িবলৈ যাব নোৱাৰি সিমানতে শিক্ষা সাং কৰিছিল।

যি কি নহওক, এগৰাকী ছাত্ৰ কৰ্মী আৰু সমাজকৰ্মী হিচাপে প্ৰথমাৱস্থাত গুৱাহাটীৰ সোণাৰাম হাইস্কুলত শিক্ষকতা কৰিছিল যদিও স্বাধীন মনৰ মহন্তই ঐতিহ্যমণ্ডিত তথা অধুনালুপ্ত সাদিনীয়া অসমীয়া কাকতৰ সহকাৰী সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ লৈছিল।

১৯৩০ চন। ভাৰতৰ স্বাধীনতা আন্দোলনৰ জটিল সন্ধিক্ষণ। ১৯৩০ চনত আৰম্ভ হোৱা ভাৰতব্যাপী আইন অমান্য আন্দোলনৰ যোগেদি গান্ধীজীয়ে সুৰাৰ সম্পূৰ্ণ নিষিদ্ধকৰণ, বিদেশী বস্তুৰ ওপৰত সংৰক্ষণমূলক আমদানি শুল্ক ঘোষণা কৰা, লোণ সত্যাগ্ৰহ, কৃষকসকলৰ বাবে ভূমি ৰাজহ পঞ্চাশ শতাংশ কৰ্তন আদিকে কৰি এঘাৰদফীয়া দাবী ঘোষণা কৰে। এনে জটিল পৰিস্থিতিত অসমৰ একমাত্ৰ তিনিদিনীয়া আৰু সাদিনীয়া কাকত ‘অসমীয়া’ৰ প্ৰকাশক আৰু মুদ্ৰক হিচাপে গধুৰ দায়িত্ব মহন্তদেৱে গ্ৰহণ কৰি দেশসেৱাৰ এক নতুন চানেকি আগবঢ়ালে। তেওঁ সেই সময়ত ‘আলহী গৱৰ্ণমেণ্ট’ শীৰ্ষক লেখাটোৰে এক আলোড়নৰ সৃষ্টি কৰিছিল। এই লেখাৰ জৰিয়তে তদানীন্তন ব্ৰিটিচ চৰকাৰক ‘আলহী’ বুলি সম্বোধন কৰি ভাৰতৰ মাটিৰ পৰা অতি শীঘ্ৰে টালি-টোপোলা বান্ধি যাবলৈ কোৱা হৈছিল। প্ৰসংগক্ৰমে কওঁ, ১৯৩০ চনৰ এপ্ৰিলৰপৰা ১৯৩১ চনৰ আগষ্ট মাহলৈকে কাকত দুখন সম্পাদনা কৰি মহন্তই দেশলৈ সেৱা আগবঢ়াইছিল। পৰৱৰ্তী সময়ত উক্ত কাকত দুখন বন্ধ হৈ যোৱাত ‘কংগ্ৰেছ’ নামৰ এখন হাতে লিখা লিঠু কৰা কাকত গুৱাহাটীতে সীমাবদ্ধ ৰাখি প্ৰকাশ কৰিছিল। প্ৰকৃতাৰ্থত সুস্থ জনশিক্ষাত বাতৰি কাকতৰ এক বিশেষ ভূমিকা আছে বুলি মহন্তই সৰ্বান্তকৰণেৰে ভাবিছিল। সেয়ে মহন্তই (১৯৭০ চনত লিখা) ‘বিপ্লৱী সাহিত্যিক মহাত্মা গান্ধী’ — শীৰ্ষক প্ৰবন্ধত এইবুলি আলোকপাত কৰিছে— ‘বাতৰি কাকতক ৰাষ্ট্ৰৰ চতুৰ্থ স্তম্ভ বুলি কোৱা হয়। ই যে এটা শক্তি, সন্দেহ নাই। কিন্তু সেই শক্তিৰ অপব্যৱহাৰ কৰাটো এটা দণ্ডনীয় অপৰাধ। মই নিজে এজন সংবাদ সেৱী আৰু মোৰ সংগী সাংবাদিকসকলক মই এই গোহাৰি জনাওঁ যেন তেওঁলোকে ইয়াৰ দায়িত্ব উপলব্ধি কৰিব আৰু সত্যক সমৰ্থন কৰাৰ বাহিৰে যেন অন্য আদৰ্শ নলৈ তেওঁলোকৰ কৰ্তব্য সম্পাদন কৰি যাব।’ যি কি নহওক, স্বাধীনতা সংগ্ৰামী হিচাপে মহন্তদেৱৰ অৱদান আছিল অত্যন্ত উল্লেখযোগ্য। কোৱা নিষ্প্ৰয়োজন যে ১৯৩০—৩৫ চনৰ আইন অমান্য আন্দোলনৰ সময়ছোৱাত অসমৰ গ্ৰাম্য অঞ্চলত ‘ৰায়ত সভা’ সমূহৰ গঠন প্ৰক্ৰিয়া তীব্ৰ হৈ



উঠিছিল। এইক্ষেত্ৰত অসমত বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাত তৃণমূল পৰ্যায়ৰ কংগ্ৰেছ নেতাসকলে কৃষকসকলক ৰায়ত সভাৰ পতাকাৰ তলত সংগঠনৰ বাবে চেষ্টা কৰি বহু পৰিমাণে সাফল্য অৰ্জন কৰিছিল। সেয়ে ৰায়ত সভাৰ জৰিয়তে দক্ষিণ যোৰহাট অঞ্চলৰ জনসাধাৰণে ভাৰতৰ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰি সংগ্ৰামী ভূমিকা কেনেদৰে পালন কৰিছিল আৰু সেই আন্দোলনত মোহন চন্দ্ৰ মহন্তৰ নেতৃত্ব কেনে আছিল সেই সন্দৰ্ভত আলোকপাত নকৰিলে লিখনিটো আধৰুৱা হ’ব। স্মৰ্তব্য যে, দক্ষিণ যোৰহাটৰ কৰঙা চিনামৰা অঞ্চলত ৰোহিনীকান্ত হাতীবৰুৱাৰ অপৰাজিত উদ্দীপনা আৰু প্ৰেৰণাতেই এই অঞ্চলত অফুৰন্ত প্ৰাণ শক্তিলৈ পৰৱৰ্তী সময়ত কাম কৰাসকলৰ মাজত আছিল মোহন চন্দ্ৰ মহন্ত। এই মহন্তদেৱে একেৰাহে কেইবাবাৰো অসম ৰায়ত সভাৰ সাধাৰণ সম্পাদকৰ দায়িত্বত আছিল। এইখিনিতে অধ্যাপক আনন্দ শইকীয়াই মোহন চন্দ্ৰ মহন্তৰ সম্পৰ্কত লিখিছে— স্বাধীনতা আন্দোলনৰ কৰ্মী, আইনজীৱী, সাংবাদিক, তত্ত্বগধুৰ প্ৰবন্ধ লেখক, কৃষক আন্দোলনৰ গুৰি ধৰোঁতা মোহন চন্দ্ৰ মহন্তক এৰি থৈ পূৰ্ণাংগ আৰু তথ্যনিষ্ঠ ইতিহাস ৰচিত হ’ব নোৱাৰে। তেওঁ কুখ্যাত ‘কানিংহাম চাৰকুলাৰ’ৰ বিৰুদ্ধে সাংবাদিক হিচাপে নিৰ্ভীক সাহসিকতাৰ পৰিচয় দিছিল। তেওঁৰ দক্ষতাৰ বাবেই কৰঙাত ৰায়ত সভা শক্তিশালী হয়। মহন্তৰ দক্ষ নেতৃত্বতেই কৰঙা কাটনী গাঁও, বৰুৱা গাঁও ৰায়ত সভা, ৰঙাজান ৰায়ত সভা, মূৰমুৰীয়া ৰায়ত সভা, ঢেকিয়াজুলি ৰায়ত সভা, গড়গুৰি ৰায়ত সভা ইত্যাদি ৰায়ত সভাসমূহে অতি শক্তিশালীভাৱে আত্মপ্ৰকাশ কৰাই নহয় এই বৃহত্তৰ অঞ্চলটোত এক সংগ্ৰামী উদ্দীপনা সৃষ্টি হৈছিল। একেদৰে মহন্তৰ অনুপ্ৰেৰণাত অনুপ্ৰাণিত হৈ অঞ্চলটোৰ তৃণমূল পৰ্যায়ৰ কৃষক নেতা ক্ৰমে মালভোগ শৰ্মা, চিদা হাজৰিকা, বংশীধৰ সভাপণ্ডিত, কুন্তেশ্বৰী দত্ত, গংগাধৰ দত্ত, বগাৰাম গগৈ, মুহিধৰ বৰা, পদ্মধৰ বৰা, হিতেশ্বৰ নেওগ আদিয়ে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত এক বলিষ্ঠ সংগ্ৰামী ভূমিকা গ্ৰহণ কৰাই নহয়, অঞ্চলটোলৈ আনিছিল এক নতুন তেজ, নতুন জোৱাৰ। এইখিনিতে জ্যোতিপ্ৰসাদ আগৰৱালাই এষাৰ তাৎপৰ্যপূৰ্ণ কথা উল্লেখ কৰি কৈছিল— যোৱা ’৪২ ৰ আন্দোলন যেতিয়া ভাৰতৰ আন আন প্ৰদেশত নুমাই গ’ল, তেতিয়াও তাৰ অগ্নি অসমৰ মৃত্যু বাহিনীৰ ডেকা-ডেকেৰীয়ে জ্বলাই গৈছিল অসমৰ গাঁৱে-ভূঞে, হাবিয়ে-বননিয়ে বহু দিনলৈকে। গতিকে অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত সংগঠিত হোৱা ৰায়ত সভাসমূহে বহু শক্তিশালীভাৱে আমাৰ গ্ৰাম্য জনসাধাৰণক সাম্ৰাজ্যবাদী ব্ৰিটিচৰ বিৰুদ্ধে উদ্বুদ্ধ কৰি তুলিবলৈ সক্ষম হৈছিল আৰু এইক্ষেত্ৰত আমাৰ দক্ষিণ যোৰহাট ৰায়ত সভাসমূহো ব্যতিক্ৰম নাছিল। ইয়াতে মোহন চন্দ্ৰ মহন্তৰ সাংগঠনিক কৃতিত্ব ঐতিহাসিক প্ৰেক্ষাপটত বিশ্লেষণ কৰিব পাৰি।

মোহন চন্দ্ৰ মহন্তৰ ৰচিত গ্ৰন্থৰ তালিকা অতি দীঘলীয়া নাছিল যদিও যিকেইখন গ্ৰন্থ আৰু প্ৰবন্ধ ৰচনা কৰিছিল, অসমৰ জাতীয় জীৱনৰ এক দলিল বুলি ক’লেও অত্যুক্তি কৰা নহ’ব। তেওঁৰ কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হ’ল — মাধৱ বৈকুণ্ঠ গৈলা, গোপাল উদয় ভৈলা (১৯৭৬), চিন্তা-বিবিধা (১৯৮৮), ভক্তি ৰত্নাকৰ (১৯৫০), শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত পুথি (১৯৭৮), নাম ঘোষা সম্পৰ্কীয় এখন গৱেষণামূলক গ্ৰন্থ (অপ্ৰকাশিত) আদিকে ধৰি প্ৰভৃতি। এইখিনিতে ভাৰতবৰ্ষৰ বৰেণ্য প্ৰগতিশীল পণ্ডিত, নেতা তথা সাহিত্যিক ই এম এছ নাম্বুদিৰিপাদে তেওঁৰ ‘মাৰ্ক্সবাদ ও সাহিত্য’ নামৰ গ্ৰন্থত ভাৰতবৰ্ষ বুকুত প্ৰগতিশীল লেখক সংঘৰ জন্মৰ মূল কাৰণ সন্দৰ্ভত এক সাৰুৱা মন্তব্য আগবঢ়াইছে। তেওঁ কৈছে যে প্ৰতিভাৱান বুৰ্জোৱা লেখক আৰু প্ৰগতিশীল লেখকসকলৰ মাজৰ মূল পাৰ্থক্যটো হ’ল যে প্ৰগতিশীল লেখকসকলে কি আৰু কি কৰিব লাগিব, এই বিষয়ে চেতনাশীল। কিন্তু এই চেতনা বুৰ্জোৱা লেখকৰ মাজত অভাৱ। গতিকে মহন্তই লিখি গৈছিল অভিজ্ঞতাৰ কথা, সমাজৰ সঁচা কথা, দুখীয়া মানুহৰ মুক্তিৰ পথ নিৰ্দেশকৰ কথা আৰু ইয়ে তেওঁক এজন প্ৰকৃত গান্ধীবাদী নেতা, এজন জননেতা, এজন মহৎ লোক আৰু এজন দায়বদ্ধ লেখক হিচাপে জনমানসত দাঙি ধৰিছিল। এইখিনিতে যশস্বী সাহিত্যিক নলিনীধৰ ভট্টাচাৰ্যই তাৎপৰ্যপূৰ্ণভাৱে লিখিছে— মহন্ত ওপজা চনটোতে জন্ম গ্ৰহণ কৰা দুজন খ্যাতনামা অসমীয়া সাহিত্যিক জ্যোতিপ্ৰসাদ আৰু অতুলচন্দ্ৰ হাজৰিকাৰ দৰে তেওঁ আমাক সাহিত্য সম্ভাৰ দিয়া নাই সঁচা, কিন্তু ভক্তি ৰত্নাকৰৰ পাতনি, সত্ৰীয়া সংস্কৃতিৰ বিষয়ে লিখা প্ৰবন্ধ আৰু শেহতীয়াভাৱে লিখা প্ৰবন্ধ পুথি ‘চিন্তা-বিবিধা’ ই তেওঁৰ সাহিত্যিক প্ৰতিভা আৰু




চিন্তাশীলতাৰ চিনাকি দিছে। ‘চিন্তা বিবিধা’ সম্পৰ্কে ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই পঁচাশী বছৰীয়া এজন সাংবাদিক নামৰ প্ৰবন্ধত এইবুলি লিখিছে— ‘গ্ৰন্থখন তেওঁৰ গণতান্ত্ৰিক চিন্তাৰ ফল। স্বাধীনতা আন্দোলনত ভাগ লোৱা লোকসকল মহাত্মা গান্ধীৰ নেতৃত্বত উদাৰ গণতান্ত্ৰিক আৰু মানৱীয় চেতনাৰ দ্বাৰা উদ্বুদ্ধ হৈছিল। সেই চেতনাৰ চিন-চাব এই গ্ৰন্থখনৰ পাতত পোৱা যায়।’ একেদৰে ‘নামঘৰ’ৰ সম্পৰ্কত মহন্তদেৱে অতি সাৰুৱাভাৱে লিখিছে— ‘অসমত ৰজাদিনীয়া ৰাজ আৰ্হিতকৈ নামঘৰৰ গণতান্ত্ৰিক আৰ্হি বেছি উজ্জ্বল আৰু এই উজ্জ্বল আৰ্হিৰ পোহৰতে অসমৰ জনতাই ৰাইজেই ৰজা বুলি কোনোবা যুগৰেপৰা সামাজিক ঐতিহ্য ৰচনা কৰি চলি আহিছে। অসমীয়া ধৰ্মপুথি ‘নামঘোষা’ৰ আৰম্ভণিতে আৰাধ্য ঈশ্বৰতকৈয়ো ১৯ পৃষ্ঠাত...

## সম্পাদকীয়

# শিক্ষানুষ্ঠানত ভাওনা

ভাওনা শব্দটোৰ লগত ভাৱ-অভিনয়ৰ কথা জড়িত হৈ আছে যদিও ইয়াৰ লগত জড়িত হৈ থকা ধৰ্মীয় আৱেগৰ কথাও নুই কৰিব নোৱাৰি। মহাবিদ্যালয়ত ভাওনা, তাতে প্ৰতিযোগিতা, কোনো সময়ত বিষয়টোৱে মনত প্ৰশ্নৰ অৱতাৰণা স্বাভাৱিকতেই কৰাব। প্ৰসঙ্গত ক'ব পাৰি ভাওনা কেৱল ধৰ্মীয় বিষয় নহয়, ই এক শ্ৰেষ্ঠ কলা। কলা হিচাপে ই লোক পৰিৱেশ্য কলা। গীতবাদ্য, নৃত্য, ভাৱ-অভিনয় সমাহিত এই কলাৰ সুন্দৰতম প্ৰদৰ্শনৰ ব্যৱহাৰে মহাবিদ্যালয়ত প্ৰতিযোগিতাৰ আয়োজন। এসময়ত গ্ৰীচৰ দায়নুচিয়াচ দেৱতাৰ উপাসনাক কেন্দ্ৰ কৰি ৰচিত ট্ৰেজেডী সমগ্ৰ বিশ্বতে সমাদৰ লাভ কৰিলে। দেৱতা উপাসনা বিষয়ক নৃত্য-গীতক ভেটি কৰিয়েই পৰৱৰ্তী সময়ত অভিনয় কলাই বিশেষ গুৰুত্ব পাইছিল। হিন্দু দৰ্শন অনুসৰি স্বৰ্গীয় প্ৰাচীন অভিনয় কলাৰ আদৰৰ ভেটিত আধুনিক নাট্যকলাই ন ন ৰূপত বিকাশ লাভ কৰিছে। গতিকে ধৰ্মীয় আৱেগতকৈ পৰিৱেশ্য কলাৰ গুৰুত্বৰ বাবেহে সমাজত ইয়াৰ আদৰ বেছি আৰু পৰিৱেশ্য কলা পৰিৱেশনৰ ক্ষেত্ৰ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয়ে গুৰুত্ব দিয়াটো এটা শুভ দিশ। তদুপৰি শিক্ষণীয় বিষয়ৰূপে ভাওনা বা নাট-ভাওনা অধ্যয়নৰ প্ৰাসঙ্গিকতা আছে। জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোৰে এইবিধ লোক পৰিৱেশ্য কলাত অংশ লোৱাৰ সুবিধা আছে। সেইদৰে সকলোৰে অধ্যয়নৰো প্ৰয়োজন আছে। চাক্ষুস আৰু ব্যৱহাৰিক দিশৰ দৰ্শনে নিশ্চয় অধ্যয়নকাৰীকো উপকৃত কৰিব। মহাবিদ্যালয়ৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল বৰ্তমান উচ্চশিক্ষাৰ অনুষ্ঠানবোৰে সমাজ জীৱনৰ পৰা বিচ্ছিন্ন হ'ব ধৰা ক্ষণত অনেধৰণৰ কাৰ্যসূচীয়ে জনসংযোগ কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব। শিল্পীৰ প্ৰতিভা প্ৰচাৰৰ সুবিধা প্ৰদান, শিল্পীৰ প্ৰতিভাক শ্ৰদ্ধা জ্ঞাপন, মহাবিদ্যালয়ৰ লগত জনসংযোগ, বৌদ্ধিক চৰ্চা, লোক পৰিৱেশ্য কলাৰ বিশেষ বিষয়ৰ অধ্যয়ন আৰু ব্যৱহাৰিক জ্ঞান এই কেউটা দিশতে এনেধৰণৰ কাৰ্যসূচীয়ে মহাবিদ্যালয় এখনৰ প্ৰগতিত বিশেষ ভূমিকা ল'ব পাৰে।

## ছাত্ৰবন্ধু শৈক্ষিক ন্যাসলৈ আৰ্থিক বৰঙণি

- বুলু নেওগ, কৰঙা — ২০০০.০০ টকা
- নীলুমণি বৰদলৈ, ৰামকৃষ্ণ নগৰ — ২০০০.০০ টকা

এই সংখ্যা 'যুগবাৰ্তা'ৰ পৃষ্ঠপোষকতা আগবঢ়াইছে যোৰহাট নৰ্মাল স্কুলৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা, বিশিষ্ট শিক্ষাবিদ শ্ৰীযুতা বীণাপাণি মহন্ত বৰুৱা বাইদেৱে। তেখেতলৈ যুগবাৰ্তাৰ সম্পাদনা সমিতিয়ে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

# অসমৰ পঞ্চায়তীৰাজ ব্যৱস্থা, গ্ৰাম্য উন্নয়ন আৰু দলীয় ৰাজনীতি

❑ বিকাশ চন্দ্ৰ দাস

জাতিৰ পিতা মহাত্মা গান্ধীয়ে পঞ্চায়তীৰাজ ব্যৱস্থাৰ জৰিয়তে বুনিয়াদী পৰ্য্যয়ত জনতাৰ হাতত ক্ষমতা অৰ্পণ কৰি ভাৰতৰ গ্ৰাম্য স্বৰাজ স্থাপনৰ সপোন দেখিছিল। যিহেতু ভাৰতবৰ্ষৰ ৮০ শতাংশ লোকেই গাঁৱত বাস কৰে আৰু তাৰে ৭০ শতাংশ লোকেই কৃষিজীৱি। সেয়েহে তেওঁ অনুভৱ কৰিছিল যে ভাৰতবৰ্ষ প্ৰকৃততে তেতিয়াহে স্বাধীন হ'ব, যেতিয়া ভাৰতৰ মেৰুদণ্ডস্বৰূপ গাঁওবাসীৰ আৰ্থ-সামাজিক অৱস্থাৰ উন্নতি হ'ব আৰু এয়া সম্ভৱ হ'ব প্ৰকৃত পঞ্চায়তীৰাজ ব্যৱস্থাৰ জৰিয়তে।

ইতিমধ্যে বৃটিছে ভাঙি থান-বান কৰি থৈ যোৱা ভাৰতৰ গ্ৰাম্য অৰ্থনীতিক পুনৰ উদ্ধাৰৰ বাবে আৰু মহাত্মা গান্ধীৰ সপোনৰ গ্ৰাম্য স্বৰাজক বাস্তৱত ৰূপ দিয়াৰ মানসেৰে আমাৰ সংবিধান প্ৰণেতাসকলে সংবিধানৰ চতুৰ্থ অধ্যায়ৰ ৪০ নং অনুচ্ছেদৰ অধীনত থকা নিৰ্দেশাত্মক নীতিৰ জৰিয়তে চৰকাৰক গাঁওসমূহত গাঁও পঞ্চায়ত গঠন কৰিবৰ বাবে পৰামৰ্শ আগবঢ়াইছিল। স্বাধীনোত্তৰ কালত ভাৰত চৰকাৰে পঞ্চায়তীৰাজ ব্যৱস্থাৰ ওপৰত বিভিন্ন ধৰণৰ পৰীক্ষা-নিৰীক্ষা চলাইছিল আৰু অৱশেষত ১৯৯২ চনৰ ডিচেম্বৰ মাহত ৭৩তম সংবিধান সংশোধনীৰ জৰিয়তে পঞ্চায়তীৰাজ ব্যৱস্থাক সংবিধানিক মৰ্যদা প্ৰদান কৰে। এই সংশোধনীৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰেও পূৰ্বে বলৱৎ থকা পঞ্চায়ত আইনৰ ঠাইত নতুনকৈ "অসম পঞ্চায়ত আইন, ১৯৯৪" গৃহীত কৰে।

ওপৰত উল্লেখ কৰা দুয়োখন আইনৰ মূল লক্ষ্য আৰু উদ্দেশ্য হ'ল- তৃণমূল পৰ্যায়লৈকে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰা, গাঁওসমূহৰ সৰ্বাংগীন উন্নয়ন সাধন কৰা, গাঁওবাসীক গাঁৱৰ উন্নয়নৰ বিভিন্ন আঁচনি বা পৰিকল্পনা প্ৰস্তুত কৰা আৰু প্ৰতিখন আঁচনিৰ বিপৰীতে উপযুক্ত হিতাধিকাৰী বাচনি কৰাৰ সুযোগ সুবিধা প্ৰদান কৰা, পঞ্চায়তীকৰণ অনুষ্ঠানসমূহত মহিলাসকলৰ অংশগ্ৰহণক বিশেষ গুৰুত্ব দিয়া ইত্যাদি।

গতিকে দেখা গ'ল যে পঞ্চায়তীৰাজ ব্যৱস্থাই নিয়াৰিকৈ আৰু নিৰপেক্ষভাৱে কাম কৰিলে গাঁওসমূহৰ উন্নয়ন ত্বৰান্বিত হ'ব, যিয়ে ৰাজ্যসমূহৰ তথা দেশখনৰ উন্নয়নতো মুখ্য ভূমিকা গ্ৰহণ কৰিব। ৭৩ নং সংশোধনীৰ আগৰ আৰু পাচৰ সময়চোৱাত অসমত কেইবাটাও পঞ্চায়ত নিৰ্বাচন সম্পন্ন কৰা হ'ল। কিন্তু অতি পৰিতাপৰ কথা যে সীমাহীন দূৰ্নীতি, স্বজন-তোষণ আৰু ৰাজনৈতিক হস্তক্ষেপৰ কাৰণে ৰাজ্যখনৰ সৰহসংখ্যক গাঁও পঞ্চায়ত আশানুৰূপভাৱে কাৰ্যক্ষম হৈ উঠা নাই আৰু গ্ৰাম্যাঞ্চলৰ উন্নয়নত আশানুৰূপ বৰঙণি যোগাব পৰা নাই। অৱশ্যে গ্ৰাম্যাঞ্চলত কিছুমান উন্নয়নমূলক কাম-কাজ হৈছে কিন্তু সেয়া তেনেই নগণ্য। সাম্প্ৰতিক সময়ৰ আটাইতকৈ ডাঙৰ প্ৰশ্নটো হ'ল যে, প্ৰকৃতাৰ্থত অসমৰ গ্ৰাম্য উন্নয়ন কিমান হৈছে। ৰাজ্যখনৰ গ্ৰাম্য অৰ্থনীতিৰ বুনিয়াদ শক্তিশালী ৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত চৰকাৰ তথা ৰাজনৈতিক দলসমূহে সুপৰিকল্পিত আঁচনি ৰূপায়ণ কৰিবলৈ সক্ষম হৈছেনে?

অসমত কৃষিয়েই হ'ল গ্ৰাম্য অৰ্থনীতিৰ বুনিয়াদ। কিন্তু আজি একবিংশ শতিকালৈকে আমাৰ কৃষি পদ্ধতি পৰম্পৰাগত আৰু পুৰণিকলীয়া। এতিয়াওঁ আমি বেছিভাগ খাদ্যশস্য ৰাজ্যৰ বাহিৰৰ পৰা আমদানি কৰিব লাগে। কৃষি বিপ্লৱৰ জড়িয়তে কৃষিৰ ক্ষেত্ৰত যাতে ৰাজ্যখনৰ স্বনিৰ্ভৰশীল হৈ বৰ্হিৰাজ্যলৈ বিভিন্ন খাদ্যশস্য ৰপ্তানি কৰিব পাৰে, খেতিয়কসকলৰ আৰ্থিক অৱস্থাৰ উন্নতি হয়, তাৰ বাবে চৰকাৰে পঞ্চায়তীৰাজ অনুষ্ঠানসমূহৰ জড়িয়তে কিবা দীৰ্ঘম্যাদী আঁচনি গ্ৰহণ কৰিছেনে?

একেদৰে অসমৰ থলুৱা বাঁহ শিল্প, বয়ন শিল্প আদিৰ লগতে অন্যান্য কুটিৰ শিল্পসমূহৰ অৱস্থা আৰু এইসমূহৰে লগত জড়িত লোকসকলৰ অৱস্থা দিনকদিনে পুতৌলগা হৈ আহিছে। আন কথাত, বহুতো থলুৱা শিল্প এতিয়া মৃত্যুৰ দুৱাৰদলিত। চৰকাৰে পঞ্চায়তৰাজ ব্যৱস্থাৰ জৰিয়তে এই থলুৱা শিল্পসমূহক জীয়াই ৰাখি এই সম্পদসমূহৰ উৎপাদন বৃদ্ধি কৰি সেইবোৰ বিক্ৰীৰ বাবে উপযুক্ত বজাৰৰ সুবিধা আগবঢ়াব নোৱাৰেনে?

গাঁও পঞ্চায়ত যদিও স্থানীয় শাসন প্ৰৱৰ্তনৰ কাৰণে কৰা এক ব্যৱস্থা, কিন্তু বিগত কিছু বৰ্ষৰ পৰা গাঁও পঞ্চায়তৰ নিৰ্বাচনো বিভিন্ন ৰাজনৈতিক দলৰ শক্তি প্ৰদৰ্শনৰ মঞ্চ হৈ পৰিছে। ১২ পৃষ্ঠাত...

# জৈৱিক সাৰ ঃ ইয়াৰ প্ৰয়োগ আৰু প্ৰয়োজনীয়তা

❑ *প্ৰদীপ কুমাৰ দত্ত*

বিশ্বায়নৰ যুগত মানৱ সমাজে নিজকে বিভিন্ন সমস্যাৰাজিৰ মাজেৰে কাম কৰি আগবাঢ়ি যাবলৈ অহোপুৰুষাৰ্থ কৰি আহিছে। গতিকে সকলো কাম সুচাৰুৰূপে কৰিবলৈ সু-স্বাস্থ্যৰে থকাটো অত্যন্ত প্ৰয়োজন। সু-স্বাস্থ্য পাবলৈ হ'লে আমি উত্তম পুষ্টিকৰ খাদ্যৰ ব্যৱস্থা কৰিব লাগিব। আজিকালি সু-খাদ্যৰ নামত আমি বিভিন্ন ধৰণৰ মুখত জুতি লগা খাদ্য ঘৰতেই হওক বা পৰতেই হওক খাবলৈ লৈছোঁ। যি আমাৰ শৰীৰত বিভিন্ন ৰোগ, সমস্যাৰ সৃষ্টি কৰি আহিছে। বিশেষকৈ আমি খোৱা প্ৰতিটো খাদ্যত পুৱাৰ চাহকাপৰ পৰা ৰাতিৰ আহাৰলৈকে বিহ জাতীয় দ্ৰব্য আমাৰ শৰীৰত প্ৰৱেশ কৰিছে।

পুষ্টিকৰ খাদ্য বুলিলে আমি ভালদৰে জানো যে যি খাদ্যই আমাৰ দেহত পুষ্টি সাধন কৰি সুস্থ শৰীৰ, মন আৰু মগজুৰ বিকাশত সহায় কৰে। কিন্তু বৰ্তমান বজাৰত পোৱা সকলো খাদ্য বা খাদ্যৰ উপকৰণ দেহাত উপৰোক্ত কথাকেইটাত সহায় কৰিছেনে নাই ই সকলোৰে সন্দেহত পৰিণত হৈছে। কিয়নো বজাৰত পোৱা বিভিন্ন ধৰণৰ কেঁচা খাদ্য সামগ্ৰীসমূহত বিভিন্ন ৰাসায়নিক সাৰ আৰু কীটনাশক ঔষধ, হৰম'ন আদি প্ৰয়োগ কৰি উৎপাদন কৰা হয় আৰু এই ৰাসায়নিক দ্ৰব্যবিলাক প্ৰয়োগ কৰা কৃষকসকল ঔষধ বা সাৰ প্ৰয়োগৰ ক্ষেত্ৰত কিমান অভিজ্ঞ, ইয়াত সকলোৰে সন্দেহ আছে, যদিও চৰকাৰে বা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁলোকক পৰামৰ্শ দিবৰ বাবে সকলো পৰ্যায়ৰে অভিজ্ঞলোকক নিয়োগ কৰিছে। গতিকে মানৱ সমাজৰ সকলো খাদ্য সম্ভাৰৰ ওপৰত সন্দেহৰ উপক্ৰম হৈছে। কিয়নো ফলমূল, শাক-পাচলি, চাউল-দাইল আৰু বিভিন্ন পশু-পক্ষীৰ খাদ্যত কিমান পৰিমাণৰ ঔষধ Residuel Effect ৰৈ গৈছে কোনেও নাজানে। শিশুৰ, গৰু-ম'হৰ গাখীৰকণত ইয়াৰ প্ৰভাৱ পৰা নাইতো? এইবিলাক কথা চিন্তা কৰি বিজ্ঞানী আৰু বিজ্ঞসকলে পুৰণি কালৰে পৰা ব্যৱহাৰ কৰা জৈৱিক সাৰ প্ৰয়োগৰ প্ৰতি আকৌ উভতি আহিবৰ বাবে পৰামৰ্শ আগবঢ়াইছে। বহু বিজ্ঞলোকে কাগজে-পত্ৰই লিখিছে, 'বিহ আমাৰ খাদ্যত বিৰাজমান'। এই ৰাসায়নিক সাৰ বা কীটনাশক ঔষধ প্ৰয়োগ কৰা খাদ্যৰ পৰাই যে অচিন ৰোগ, মানসিক ব্যাধি, স্নায়ু ৰোগ, মধুমেহ, পুৰুষত্বহীনতা, যকৃত আৰু বৃক্কৰ ৰোগ, কেন্‌ছাৰ আদিৰ প্ৰসাৰতা দিনক দিনে বৃদ্ধি পাইছে আৰু ই মানৱ জাতিলৈ ভয়াবহতা কঢ়িয়াই আনিছে।

উপৰোক্ত কথাবিলাক চিন্তা কৰি চৰকাৰ আৰু কৃষকসকলে জৈৱিক সাৰ ব্যৱহাৰ কৰিবলৈ সুস্থভাৱে চিন্তা কৰিব লাগে। কাৰণ কৃষকসকলেহে উন্নত, স্বাস্থ্যসন্মত খাদ্যসম্ভাৰ উৎপন্ন কৰি সমাজক সু-স্বাস্থ্য, সু-ভাৱনা প্ৰদান কৰি এখন উন্নত সমাজ আৰু দেশ গঢ়াত সহায় কৰিব পাৰে। খাদ্যৰ বাবেহে সুস্থ মন আৰু স্বাস্থ্যৰ অধিকাৰী হয়। অতীজতে আমাৰ খেতিয়কসকলে ঘৰত উৎপাদন হোৱা জাবৰ-জোঠৰৰ পৰা পচন সাৰ, গোবৰ সাৰ, ছাই, বিভিন্ন ঔষধি উদ্ভিদেৰে কীটনাশক ঔষধ তৈয়াৰ কৰি নিজৰ খেতিডৰাত দিছিল আৰু তাৰ উৎপাদিত সামগ্ৰী নিজৰ লগতে আনকো খুৱাইছিল। সেয়ে তেওঁলোক আমাতকৈ অধিক স্বাস্থ্যৱান আৰু নিৰোগী আছিল। সঁচা কথা, এটি সুন্দৰ স্বাস্থ্যইহে সৎ চিন্তাৰ উৎস। ইংৰাজীত এষাৰ কথা আছে- Health is wealth, সৰুতেই শিকিছিলোঁ। ৰুগীয়া শৰীৰে কেতিয়াও ভাল চিন্তা কৰি আনক উপকাৰ কৰিব নোৱাৰে। ৰুগীয়া শৰীৰৰ মনো ৰুগীয়া। ১৮ পৃষ্ঠাত...

# কেইজনমান মহান পুৰুষৰ অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে কোৱা কথাৰ ব্যাখ্যা

❑ ড° গিৰীশ বৰুৱা

"জ্ঞানান মুক্তিঃ নতু মুণ্ডনেন"

Raymond Wilson নামৰ এজন কবিয়ে কুসংস্কাৰৰ বিৰুদ্ধে এটা কবিতাত এইদৰে লিখিছিল ঃ

"....... every sane man's mission
To contradict all superstition."

অৰ্থাৎ, প্ৰতিজন মানসিকভাৱে সুস্থ মানুহৰ উদ্দেশ্য হ'ল সকলো প্ৰকাৰৰ কুসংস্কাৰৰ বিৰোধিতা কৰা।

কুসংস্কাৰৰ প্ৰতি আঙুলিয়াই উইলিয়াম ছেইক্সপিয়েৰে 'King Henry the Sixth' নামৰ নাটকত এইদৰে কৈছে -

"Teeth hadst thou in thy head
when thou wast born
To signify thou com'st to bite the world."

অৰ্থাৎ, তোমাৰ যেতিয়া জন্ম হৈছিল তেতিয়া তুমি মুখত দাঁত লৈ উপজিছিলা। ইয়াৰ অৰ্থ হ'ল তুমি জগতক কামুৰিবলৈ এই জগতলৈ আহিছিলা।

Voltair নামৰ ফৰাচী দাৰ্শনিকজনে এইদৰে কৈছে - "Superstition is to religion what astrology is to astronomy, the mad daughter of a wise mother. These daughters have too long dominated the earth." অৰ্থাৎ, জ্যোতিৰ্বিজ্ঞানৰ লগত জ্যোতিষৰ সম্পৰ্ক যেনেকুৱা ঠিক তেনেকুৱা ধৰ্মৰ লগত কুসংস্কাৰৰ সম্পৰ্ক। কুসংস্কাৰ হ'ল জ্ঞানী মাতৃৰ বলীয়া জী। এই জীয়েকবোৰে বহুত দিন ধৰি পৃথিৱীক পৰাভূত কৰি আহিছে।

ভলটেয়াৰে ক'ব খোজে যে ধৰ্ম আৰু কুসংস্কাৰ দুটা বেলেগ বস্তু। দুইটাকে একে বুলি ভবাটো মূৰ্খামি মাত্ৰ। এইটো ঠিক যে বহুত সময়ত ধৰ্মৰ লগত কুসংস্কাৰ সম্পৃক্ত হৈ থাকে আৰু একেটা টকাৰে ইপিঠি সিপিঠি বুলি ধৰি লওঁ। কিন্তু ধৰ্মৰ বাহ্যিক আনুষ্ঠানিকতাক যদি কমাই দিয়া হয় আৰু ইয়াক যদি কেবল অন্তৰৰ বস্তু বুলি ভবা হয় তেন্তে কুসংস্কাৰে ইয়াত শিপাব নোৱাৰিব। ঈশ্বৰক বাহিৰত বিচাৰি নগৈ অন্তৰতে বিচাৰিলে ধৰ্মীয় আনুষ্ঠানিকতাৰ পৰা আমি হাত সাৰিব পাৰিম আৰু তেতিয়া কুসংস্কাৰেও ইয়াক পৰাভূত কৰিবলৈ সাহ নাপাব।

ভল্টেয়াৰে জ্যোতিষক কুসংস্কাৰৰ লগত তুলনা কৰিছে। তেওঁৰ মতে জ্যোতিৰ্বিজ্ঞান এক বিজ্ঞান, কিন্তু জ্যোতিষ বিজ্ঞান নহয়, ই বিশ্বাসৰ বস্তুহে। জ্যোতিষৰ লগত বহুতবোৰ অন্ধবিশ্বাস, কুসংস্কাৰ আদি জড়িত হৈ থাকে। আঙুলিত পাথৰৰ আঙঠি পিন্ধা, গ্ৰহ খণ্ডাবলৈ গ্ৰহ পূজা পতা, দান দিয়া আদি কৰ্ম কুসংস্কাৰমূলক।

জ্যোতিষৰ কথাবোৰ যে সঁচা নহয় তাৰে এটা উদাহৰণ দিব খুজিছোঁ। সাপ্তাহিক ধনশিৰি নামৰ গোলাঘাটৰ পৰা ওলোৱা (তেতিয়া) এখন সাপ্তাহিকত এটা বাতৰি 'বক্স'ত ওলোৱাইছিল। বাতৰিটোত গোলাঘাটৰ জ্যোতিষী অজিত দত্তই ২০১৬ চনৰ নিৰ্বাচনৰ এটা ভৱিষ্যদবাণী কৰিছিল। তেওঁ উক্ত নিৰ্বাচনত কংগ্ৰেছে সৰ্বাধিক ৪২ খন আসন পাব বুলি কৈছিল, কিন্তু পালে ২৬ খনহে। আনহাতে ভাৰতীয় জনতা পাৰ্টিয়ে পাব বুলি কৈছিল ৩৮ খন, কিন্তু পালে ৬০ খন। অসম গণ পৰিষদে পাব বুলি কৈছিল সৰ্বাধিক ৮ খন, কিন্তু পালে ১৪ খন। তেনেদৰে অন্যবোৰ পাৰ্টীৰ ক্ষেত্ৰতো ভৱিষ্যদবাণী অথলে গ'ল। গতিকে এই কথাই প্ৰমাণ কৰে যে জ্যোতিষৰ গণনা শুদ্ধ নহয়। (দ্ৰঃ 'সাপ্তাহিক ধনশিৰি', ২০-২৭ এপ্ৰিল, ২০১৬)

কাৰ্ল পপাৰ নামৰ এজন চিন্তাবিদে সেয়ে জ্যোতিষক pseudo-science অৰ্থাৎ মিছা বিজ্ঞান বা ছদ্মবেশী বিজ্ঞান বুলিছে। (দ্ৰঃ A Hundred Years of Philosophy, পৃ. ৪০৬)

মানুহৰ বহুতো বেয়া কৰ্ম গ্ৰহ দোষৰ ফলত ঘটে বুলি কোৱা হয়। এনে কথাই কু-কৰ্ম কৰাজনক ৰক্ষণাবেক্ষণ দিয়ে আৰু বেছি কু-কৰ্ম কৰিবলৈ উদগায়। এনে বিশ্বাসৰ দ্বাৰা ধৰ্মান্ধ লোকসকলে সুবিধা লয়।

অন্য এজন দাৰ্শনিক ৱ্ৰট্ৰাৰ্ণ্ড ৰাছেলে কুসংস্কাৰৰ বিৰুদ্ধে এনেকৈ কৈছে, "Fear is the main source of superstition and one of the main sources of cruelty. To conquer fear is the beginning of wisdom." অৰ্থাৎ ভয় হ'ল কুসংস্কাৰৰ প্ৰধান উৎস। ই নিষ্ঠুৰতাৰো উৎস। ভয়ক জয় কৰা মানে জ্ঞানৰ উদয় হোৱা। এই কথা সঁচা যে ভয়ৰ পৰাই অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ জন্ম হয়। ভয়াতুৰ মানুহে নানা তৰহৰ নিষ্ঠুৰতাৰ কামত নিজকে নিয়োগ কৰে। তেওঁলোক ইমানেই নিষ্ঠুৰ হৈ পৰে যে আনকি মানুহক হত্যা কৰিবলৈও পিছ নোহোহকে। প্ৰকৃত জ্ঞানী মানুহ এজনৰ মনত কেতিয়াও ভয় নাজাগে আৰু তেওঁ কুসংস্কাৰৰো বশবৰ্তী নহয়। এতেকে ভয় ভাব এৰিলেহে মানুহ জ্ঞানী হ'ব পাৰে। মনত ৰাখিব লাগিব, "ভয়েই ভূত"।

উপৰোক্ত মহান লোক কেইজনৰ কথাবোৰ সাৰোগত কৰি আমি যদি অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ পৰা আঁতৰত থাকিব পাৰোঁ তেন্তে বহুত আহুকালৰ পৰা আমি মুক্ত হৈ থাকিব পাৰিম। ইয়াৰ বাবে লাগে সাহস আৰু সত্যৰ মুখামুখি হ'ব পৰা প্ৰৱণতা।

১ পৃষ্ঠাৰ পৰা

## ভাৰত-পাক সম্বন্ধৰ নতুন দিশ . . .

পাকিস্তানৰ পাঞ্জাৱ প্ৰদেশৰ কাটাৰপুৰত থকা গুৰুদ্বাৰা চাহিবৰ মাজত এটি কড়িদৰ নিৰ্মাণৰ বাবে আঁচনি হাতত লৈ সীমান্তৰ নিজা নিজা পাৰ অংশত ইতিমধ্যে শিলান্যাসও কৰিছে। এই শিলান্যাস কাৰ্য্য সংঘাট আৰম্ভনিৰ মূল অভিকেন্দ্ৰ বুলি ৰাজনৈতিকভাৱে স্বাৰৰ কৰা হৈছে। যোৱা আগষ্ট মাহত পাকিস্তানৰ নতুন প্ৰধানমন্ত্ৰী ইমৰাণ খানৰ শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত থাকি বিতৰ্কৰ কেন্দ্ৰবিন্দু হৈ পৰা পাঞ্জাৱৰ পৰ্য্যটন মন্ত্ৰী তথা ইমৰাণ খানৰ ক্ৰিকেটাৰ বন্ধু নৱজ্যোৎ সিং সিদ্ধু। সিদ্ধুৰ আগ্ৰহৰ প্ৰতি সন্মান জনাই পাক সেনা প্ৰধান ক্ৰামাৰ জাভেদ বাজৱাই ডেৰা বাবা নানক-কাটাৰপুৰ কৰিডৰ অহা ২০১৯ চনত হ'ব লগা শিখধৰ্মীয় গুৰু নানকদেৱৰ ৫৫০ বছৰীয়া জন্ম জয়ন্তীৰ উদ্বোধন কৰাৰ বাবে থকা পাক চৰকাৰৰ ইচ্ছাৰ কথা প্ৰকাশ কৰিছিল।

কাজেই কথা মতেই কাম আৰম্ভ, ভাৰতৰ পাঞ্জাৱ চৰকাৰেও ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীক পাঞ্জাৱ বিধান সভাই সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা এটি প্ৰস্তাৱ প্ৰধান মন্ত্ৰীগৰাকীকে দিয়াৰ সিদ্ধান্ত ল'লে। তদুপৰি কাটাৰপুৰ কৰিডৰৰ গুৰুত্ব উপলব্ধি কৰি ২০১৮ চনৰ ৩০ অক্টোবৰত আমেৰিকান শিখসকলেও ভাৰতৰ প্ৰধান মন্ত্ৰীকে উক্ত কৰিডৰটো খোলাৰ বাবে অনুৰোধ জনাইছিল। বিশেষকৈ ভাৰতীয় শিখসকলৰ বাবে কাটাৰপুৰ গুৰুদ্বাৰা দৰবাৰ খুবেই পৱিত্ৰ ধৰ্মীয় পীঠস্থান, য'লৈ ভাৰতৰ পৰা ভিছা-পাছপৰ্ট নোহোৱাকৈ যোৱাটো অসম্ভৱ আৰু শিখ সম্প্ৰদায়ৰ সকলো লোকেই তেনে জটিল নীতি-নিয়মৰ পৰ্যায় অতিক্ৰমি পাছপৰ্ট-ভিছা উলিয়াই হেপাহৰ পৱিত্ৰ ধৰ্মীয় দ্বাৰ পৰিদৰ্শণ কৰাৰ সৌভাগ্যৰ গৰাকীও নহয়।

১৯৪৭ চনত ভাৰত দ্বিখণ্ডিত হোৱাৰ সময়ত পাকিস্তানৰ অন্তৰ্গত ৰবি নদীৰ চাকাৰগড় টেহচিলৰ অন্তৰ্গত অৰ্থাৎ ৰবি নদীৰ সোঁ-পাৰৰ অংশত এই ঐতিহাসিক দেৰা বাবা নানক দ্বাৰ ৰৈ গৈছিল। ভাৰতৰ সীমান্তৱৰ্তী গুৰুদাসপুৰ টেহচিলৰ অন্তৰ্গত ডেৰা বাবা নানক চাহেবৰ পৰা ২.৭ মাইল যদিও সুগম পথ হৈ যাব লগা হোৱাত ১২৫ কিল'মিটাৰ পথ অতিক্ৰমী পাকিস্তানৰ লাহোৰ হৈ যাব লাগে, যিটো যন্ত্ৰণাদায়ক হৈ আহিছিল। অৱশ্যে ৰবি নদীতে এখন দলং নিৰ্মাণত ভাৰতৰ শিখ ধৰ্মালৱম্বী লোকসকলে সৌহাদ্যমূলক আহ-যাহ কৰিছিল যদিও ১৯৬৫ চনত ভাৰত-পাক যুদ্ধত সেই দলংখনো ধ্বংস কৰি দিয়া হৈছিল, যিটো আছিল শিখ সম্প্ৰদায়ৰ লোকসকলৰ বাবে বেদনাদায়ক। ইয়াৰ পৰৱৰ্তী সময়ত এই গুৰুদ্বাৰ ২০০০ চন পৰ্য্যন্ত বন্ধ হৈ আছিল। ২০০৩ চনত পাক চৰকাৰে এই গুৰুদ্বাৰ পুণৰ নিৰ্মাণ কৰে।

যিকি নহওক বহু বাদানুবাদৰ অন্তত দুয়োখন চিৰবৈৰী ৰাষ্ট্ৰই কাটাৰপুৰ কৰিডৰ নিৰ্মাণৰ যি ব্যৱস্থা হাতত লৈছে সি চুবুৰীয়া ৰাষ্ট্ৰদুখনৰ মাজত এক বন্ধুত্বৰ ভাব পুনৰ সুদৃঢ় কৰিব বুলি আশা কৰিব পাৰি।

ভাৰতৰ উপ-ৰাষ্ট্ৰপতি ভেংকেয়া নাইডুয়ে যোৱা ২৬ নৱেম্বৰত কাটাৰপুৰ কৰিডৰ নিৰ্মাণৰ ভাৰতীয় অংশ আৰু পাক প্ৰধান মন্ত্ৰী ইমৰাম খানে ২৪ নৱেম্বৰত পাকিস্তানৰ অংশত নিজাভাৱে শিলান্যাস কৰে। স্পৰ্শকাতৰ বিষয়টো ৰাজনীতিকৰণ কৰাত সিদ্ধহস্ত ভাৰতৰ ৰাজনৈতিক দলসমূহৰ মাজত দুই চিৰবৈৰী ৰাষ্ট্ৰৰ সীমান্ত সম্প্ৰীতিৰ সম্প্ৰসাৰণত কৃতিত্ব দাবী কৰি পাঞ্জাৱৰ অমৰিন্দৰ সিং নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰ আৰু কেন্দ্ৰৰ আকালি দল সংযুক্ত বিজেপি চৰকাৰৰ মাজত বাদানুবাদ লাগি থকাৰ সময়তে কানাডাস্থিত খালিস্থানী উগ্ৰপন্থী নেতা সুখমিন্দৰ সিং হানচাৱাই কাটাৰপুৰ কৰিডৰ খোলাৰ প্ৰস্তাৱ লোৱাৰ বাবে পাক সেনাপ্ৰধান জেনেৰেল ক্ৰামাৰ জাভেদ বাজৱা আৰু পাক প্ৰধান মন্ত্ৰী ইমৰান খানক সোণ খটোৱা (Gold plated) অভিনন্দন পত্ৰ প্ৰদান কৰাটোও গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

ৰাজনৈতিক বিষয় যিয়েই নহওঁক কাটাৰপুৰ কৰিডৰে ভাৰতৰ শিখ ধৰ্মালৱম্বী লোকসকলৰ এক বহুদিনীয়া আশা পুৰণ কৰিলে ১৯৯৯ চনত ঐতিহাসিক লাহোৰ বাছ যাত্ৰা আৰম্ভ কৰি ভাৰতৰ তদানীন্তন প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ী কাটাৰপুৰ কৰিডৰ খোলাৰ বাবে আগ্ৰহ প্ৰকাশ কৰি পাক চৰকাৰক পৰামৰ্শ দিয়াৰ পৰা ২০১৪ চনৰ ২২ নৱেম্বৰত বৰ্তমান এন ডি এ' চৰকাৰৰ কেবিনেট সিদ্ধান্তলৈকে এই সুদীৰ্ঘ পৰিক্ৰমাত শিখসকলৰ প্ৰাপ্তি যিয়েই নহওঁক পাক চৰকাৰৰ সদিচ্ছাকো দেশ দুখনৰ মাজৰ পাৰস্পৰিক সম্বন্ধক নতুন মাত্ৰা দিব বুলি ভবাৰ থল আছে।

ইতিহাসেও বিশ্বাস কৰিবলৈ নিশিকোৱা পাকিস্তানে প্ৰায় ৫০০০ বছৰ পুৰণা ঋষি ভৃগু মুনিয়ে আৱিস্কাৰ কৰা হিন্দুসকলৰ পৱিত্ৰ অমৰনাথ মন্দিৰ (গুহা)লৈ যাওঁতে হিন্দু তীৰ্থযাত্ৰীক কৰা অত্যাচাৰৰ দৰে কাটাৰপুৰ গুৰুদ্বাৰালৈ যোৱা শিখ তীৰ্থযাত্ৰীসকলকো পাক সমৰ্থিত উগ্ৰপন্থীয়ে যে সহজেই লক্ষ্য কৰি নল'ব তাৰ নিশ্চয়তা পাক চৰকাৰে দিবনে? ইয়াৰ মাজতে ভাৰতৰ ৰাজনৈতিক দল কিছুমানে ভাৰতৰ অন্য অঞ্চলৰ বিনিময়ত কাটাৰপুৰ এৰি দিয়াৰো আকাশকুসুম দাবী কৰিবলৈ লৈছে।

১০ পৃষ্ঠাৰ পৰা

## সংস্কৃতিৰ সাধক ৰত্নেশ্বৰ মালাকাৰ . . .

নগৰ সমিতি, বিভিন্ন ক্লাব, বিভিন্ন বিহু সন্মিলন আদিত বহুবাৰ সম্বৰ্দ্ধনা-সন্মান আদি পাইছোঁ। এইবোৰেই মোৰ বাবে সৰ্বোচ্চ বঁটা-সন্মান।

উল্লেখযোগ্য যে, এই শিল্পীগৰাকীৰ ঘৰখনো কলা-সংস্কৃতিৰ বাট কেন্দ্ৰৰ দৰেই। তেখেতৰ ঘৰলৈ যথেষ্ট শিল্পী, অভিনেতা, কলা-কুশলীৰ আগমন ঘটে আৰু সাংস্কৃতিক বিষয়বোৰৰ চৰ্চা-আলোচনা চলে। তেখেতৰ পত্নী এগৰাকী সৰবৰাহী মমতাময়ী নাৰী। তেখেতৰ দুই কন্যা ক্ৰমে দুলুমণি মালাকাৰ আৰু মালবীকা মালাকাৰ সুদক্ষ সংগীত শিল্পী। দুলুমণি মালাকাৰে সংগীত শিক্ষয়িত্ৰীৰূপেও যথেষ্ট সুনাম আৰ্জিছে। তেখেতৰ জ্যেষ্ঠ পুত্ৰ আশীষ মালাকাৰ এজন সুদক্ষ অভিনেতা আৰু নাট পৰিচালক। ৰাজ্যিক আৰু সৰ্বভাৰতীয় নাট প্ৰতিযোগিতাত ভাগ লৈ আশীষ মালাকাৰে বহুবাৰ নিজৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শনেৰে কৃতিত্ব আজুৰি আনি মৰিয়নীবাসীক গৌৰৱান্বিত কৰিছে। নিষ্ঠুৰ নিয়তিয়ে এই আশিতীপৰ শিল্পীগৰাকীৰ কণিষ্ঠ পুত্ৰ মনোজ মালাকাৰক কিছুদিন আগতে কাঢ়ি নি সকলোকে শোকসাগৰত পেলাই থৈ গ'ল। কিন্তু সকলোবোৰ ঈশ্বৰৰ ইচ্ছা বুলি মানি লৈ মালাকাৰদেৱে মৰিয়নীক সাংস্কৃতিক জগতখনৰ অক্ষয় মহীৰূহৰূপে জিলিকি আছে। তেখেতৰ সুস্বাস্থ্য আৰু সুদীৰ্ঘ জীৱনপ্ৰাপ্তিৰ বাবে যুগবাৰ্তা পৰিয়ালে ঈশ্বৰক প্ৰাৰ্থনা জনাইছোঁ।

# শিপাৰ সন্ধানত প্ৰবাসী অসমীয়াজন

## ড° দিলীপ কুমাৰ দত্ত

❑ দ্বীপান্বিতা বৰা

সুদীৰ্ঘ দিন বিদেশত কৰ্মৰত হ'লেও প্ৰতি মুহূৰ্তে যেন মানুহজনে অনুভৱ কৰে মাতৃভূমিৰ প্ৰতি এক দায়িত্ববোধ। নিজৰ জ্ঞানবোৰ আনক বিলাবলৈ তেখেতৰ কোনো কৃপণালি নাই। তেখেতে বিলাব খোজে এজন শিক্ষক হিচাপে বিজ্ঞান আৰু সাহিত্য চৰ্চাৰ যোগেদি নিজস্ব জাতিৰ প্ৰতি থকা আনুগত্য। প্ৰতি বছৰে মাতৃভূমি অসমত কটাবলৈ মানুহজন আহে, আকৌ চাৰিমাহ কটাই গুচি যায় কৰ্মভূমিলৈ। লগত লৈ যায় আপোন দেশ, আপোন মানুহৰ সান্নিধ্যৰ সুবাস আৰু মৰমৰ টোপোলাবোৰ। এইবাৰো তেখেত আহিছে অসুস্থ শৰীৰে। তথাপি মনত দুৰ্বাৰ হেঁপাহ হাতত থকা কামবোৰ সমাপ্ত কৰাৰ। গুৱাহাটীৰ নৱগ্ৰহ অঞ্চলত থকা তেখেতৰ বাসগৃহত বৰ্তমানো ব্যস্ত হাতত অসংখ্য কাম লৈ।

তেখেত আন কোনো নহয় আমেৰিকাৰ ৰ'ড আইলেণ্ড বিশ্ববিদ্যালয়ৰ অংক শাস্ত্ৰৰ সন্মানীয় অধ্যাপক, অসমীয়া সাহিত্য সংস্কৃতিৰ একনিষ্ঠ সাধক, গণিতজ্ঞ, শিক্ষাবিদ, লেখক ৮১ বছৰীয়া ড° দিলীপ কুমাৰ দত্ত।

এইজন ব্যক্তিৰ কৰ্ম বিশ্লেষণ কৰিলে আমি উপলব্ধি কৰিব পাৰোঁ মাতৃভূমিৰ প্ৰতি থকা তেখেতৰ আকুলতা। যি শিক্ষক হিচাপে বিলাব খোজে জ্ঞানৰ অন্বেষণ আৰু সাহিত্য চৰ্চাৰ যোগেদি জাতিৰ প্ৰতি থকা অনুগত্যৰ। বিদেশত কৰ্মৰত হ'লেও তেখেতৰ প্ৰতিটো কৰ্মতে নিহিত আছে মাতৃভূমিৰ প্ৰতি থকা চেনেহ, হেঁপাহৰ পূৰ্ণ প্ৰকাশ। এই ৮১ বছৰীয়া জীৱন যাত্ৰাত ড° দিলীপ কুমাৰ দত্তই অহৰহ কৰি গৈছে মাত্ৰ মাতৃভূমিৰ অৰ্থে কাম, মাথোঁ কাম। প্ৰত্যেক বছৰৰ চাৰিমাহ মাতৃভূমিত কটাই প্ৰবাসলৈ উলটি যাওঁতে লগত লৈ যায় আপোনজনৰ সান্নিধ্যৰ সুবাস, মৰমৰ টোপোলাবোৰ। নিজ মাতৃভূমিত অহৰহ বাস কৰিও নিজ জাতিৰ প্ৰতি একো এটা কৰিবলৈ হাবিয়াস নকৰা আমিবোৰ এইজন অসম সন্তানৰ প্ৰতি চিৰ কৃতজ্ঞ হোৱা উচিত।

এতিয়া আমি পাঠকসকলক লৈ যাব খুজিছো ড° দিলীপ কুমাৰ দত্তৰ জীৱন পৰিক্ৰমাৰ কিছুমান টুকুৰা ছবিলৈ। যি আমাক উপলব্ধতাৰ বাট দিব প্ৰতি মুহূৰ্তে।

শিক্ষাচাৰ্য ফণীধৰ দত্ত আৰু ৰত্নেশ্বৰী দত্তৰ সুযোগ্য পুত্ৰ ড° দিলীপ কুমাৰ দত্তৰ জন্ম হৈছিল ১৯৩৭ চনত। সৰুৰে পৰা যথেষ্ট মেধাৰ পৰিচয় দিয়া ব্যক্তিজনে শৈশৱতে তেখেতৰ পিতৃ-মাতৃৰ পৰা জীৱনবোধৰ শিক্ষা লাভ কৰিছিল। তেখেতে লাভ কৰা জীৱনবোধৰ শিক্ষা সন্দৰ্ভত তেখেতে কৈছিল 'মই জীৱনত পোৱা আটাইবোৰ মূল্যবান শিক্ষা মাৰ পৰাই পাইছিলোঁ আৰু আজিও পাই আছোঁ। জীৱনত বহু শিক্ষাই পালোঁ, দেশ-বিদেশৰ বহু জ্ঞান বুটলিলোঁ, বহু শাস্ত্ৰ, বহু পুথি পঢ়িলোঁ কিন্তু সকলোখিনি জ্ঞান, সকলোখিনি শিক্ষা 'মা'ৰ পৰা পোৱা শিক্ষা আনৰ জ্ঞানৰ সমান নহয়। মায়ে লখিমী হাতেৰে চলোৱা ঘৰখনেৰে যি চৰিত্ৰবল দিলে আৰু বুকুভৰা মৰমেৰে জ্ঞান অন্বেষণৰ যি ধাউতি জগালে সিয়েই মোৰ সঞ্চিত ধন ৰূপে মোৰ ব্যক্তিত্বৰ প্ৰধান অংগ হৈ আছে।'

যোৰহাট চহৰত জন্ম গ্ৰহণ কৰা ব্যক্তিজনৰ পিতৃৰ অধ্যাপনা সূত্ৰে কটন কলেজলৈ অহাত গুৱাহাটী লতাশিল প্ৰাথমিক বিদ্যালয়, মাণিক চন্দ্ৰ বৰুৱা এম ই স্কুল আৰু কলেজিয়েট স্কুলত দি তেওঁ শিক্ষা গ্ৰহণ কৰিছিল। নিজৰ প্ৰাথমিক শিক্ষা সন্দৰ্ভত ড° দিলীপ কুমাৰ দত্তৰ মন্তব্য এনেধৰণৰ - 'মোৰেই সৌভাগ্য যে উজান বজাৰৰ লতাশিল স্কুলত আৰু উজান বজাৰৰ সমাজত মই অতি নিৰাপত্তাজনক পৰিৱেশত আৰু প্ৰভাত চৌধুৰীৰ তত্বাৱধানত ভাল প্ৰাথমিক শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। সেয়েহে উজান বজাৰ আৰু লতাশিল স্কুল মোৰ বৰ প্ৰিয়। প্ৰাথমিক শিক্ষাৰ জৰিয়তে নিজৰ চুবুৰীটোক আৰু চুবুৰীয়া সমাজখনক ভালপোৱাৰ যি অভিজ্ঞতা পালোঁ তাৰ মূল্য টকা বা ডলাৰেৰে জুখিব নোৱাৰি। আজিৰ অভিভাৱকসকলে ল'ৰা-ছোৱালীৰ প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰোতে এইটো বিচাৰ কৰা উচিত যে তেওঁলোকে ল'ৰা-ছোৱালীক কেনেধৰণৰ নিৰাপত্তা দিব পাৰিছে, নিজৰ চুবুৰীটোক আৰু নিজৰ সমাজখনক ভাল পাবলৈ তেওঁলোকে কি সুবিধা দিছে। এইবিলাক অবিহনে প্ৰাথমিক শিক্ষা এক অসম্পূৰ্ণ বঞ্চিত শিক্ষা মাথোন।' এই কথাবোৰ মই 'মোৰ শিক্ষা আৰু মোৰ শিক্ষক' গ্ৰন্থখনত লিখিছোঁ। যিখন প্ৰান্তিক আলোচনীত ধাৰাবাহিকভাৱে প্ৰচাৰ হৈছিল।

**উচ্চ শিক্ষা আৰু কৰ্ম সংস্থান ঃ** ১৯৫৮ চনত কটন মহাবিদ্যালয়ৰ পৰা গণিত বিষয়ত অনাৰ্চ সহ বি.এ পাছ কৰি দিলীপ কুমাৰ দত্তই দিল্লী বিশ্ববিদ্যালয়ৰ পৰা এম.এ., পি.এইচ ডি ডিগ্ৰী লাভ কৰে।



ব্ৰিটিছ চৰকাৰৰ কমন ৱেলথ্ ফেল'শ্বিপ পোৱা প্ৰথমজন অসমীয়া ছাত্ৰ হিচাপে গৌৰৱৰ অধিকাৰী হোৱা ড° দিলীপ কুমাৰ দত্তই ইংলণ্ডৰ ছাউথাম্পটন বিশ্ববিদ্যালয় আৰু কানাডাৰ কেলগেৰী বিশ্ববিদ্যালয়ত সহকাৰী অধ্যাপক ৰূপে কাৰ্যনিৰ্বাহ কৰি পৰৱৰ্তী সময়ত আমেৰিকাৰ ৰ'ড আইলেণ্ড বিশ্ববিদ্যালয়ৰ গণিতৰ জ্যেষ্ঠ অধ্যাপক ৰূপে কাৰ্যনিৰ্বাহ কৰে। বৰ্তমানে তেখেতে এই বিশ্ববিদ্যালয়ৰ সন্মানীয় প্ৰবক্তাৰ আসন লাভ কৰিছে।

**শিক্ষকতাৰ দৰে মহান বৃত্তিৰ প্ৰতি আকৃষ্ট হোৱাৰ গুৰিতে ঃ** মাণিক চন্দ্ৰ এম.ই. স্কুলৰ শিক্ষক ধনপতি বৰ্মন, চন্দ্ৰ শৰ্মা, ভাৰত শৰ্মা, কামেশ্বৰ শৰ্মাৰ দৰে শিক্ষকৰ অনাড়ম্বৰ জীৱন, ছাত্ৰসকলক ভাল শিক্ষা দিবলৈ তেখেতসকলৰ আগ্ৰহ আৰু সচেতন প্ৰচেষ্টাই ড° দিলীপ দত্তক কৈশোৰতেই ৰবকৈ মুহিছিল যাৰ বাবে তেখেত শিক্ষকতাৰ দৰে মহান বৃত্তিৰ প্ৰতি আগ্ৰহান্বিত হৈছিল।

আজিও তেখেত যিকোনো বিষয় পঢ়ুৱাই ভাল পায়। বিশ্ববিদ্যালয়ত তেখেতে জ্যামিতি, এলজেব্ৰা আৰু কেলকুলাছ পঢ়ুৱায়। নিজকে শিক্ষক হিচাপে পৰিচয় দি ভাল পোৱা ডঃ দিলীপ কুমাৰ দত্তই অসমত থকা দিনকেইটাত বহুতো ছাত্ৰ-ছাত্ৰীক অংক, ইংৰাজী, অসমীয়া, বিজ্ঞান আদি বিষয় দেখুৱাই দিয়ে। কোনোবাই কিবা এটা জানিবলৈ, শিকিবলৈ আহিলে তেখেতে সদায় শিকাবলৈ যত্ন কৰা এই শিক্ষকজনে কয় - 'সদায় মই ছাত্ৰ-ছাত্ৰীৰ বন্ধু হ'বলৈ যত্ন কৰোঁ। সদায় সহজকৈ পাঠ্য বিষয় বুজাই, বিষয়ৰ প্ৰতি আগ্ৰহ বঢ়াবলৈ মই মনে প্ৰাণে কামনা কৰোঁ।

**সাহিত্য চৰ্চাৰ লগতে গ্ৰন্থ ৰচনাত মনোনিৱেশ ঃ** নিজকে এজন ভাল শিক্ষক হিচাপে গঢ় দিবলৈ যত্ন কৰা ব্যক্তিজনৰ সাহিত্য চৰ্চা অন্যতম প্ৰিয় বিষয়। শৈশৱৰ পৰা গ্ৰন্থ অধ্যয়নৰ প্ৰতি ধাউতিৰ লগেত এম.চি.এম ই স্কুলত হাতে লিখা আলোচনী উলিওৱাৰ পৰাই লেখাৰ প্ৰতি তেখেতৰ আগ্ৰহ বাঢ়িছিল। দিল্লীত পঢ়ি থাকোতে 'আছাম ট্ৰিবিউন' কাকতলৈ দুই এটা লিখা পঠাইছিল যদিও পৰৱৰ্তী পৰ্যায়ত 'অসমবাণী' কাকতত 'লণ্ডনৰ চিঠি' শীৰ্ষক নিয়মিত শিতান লিখিবলৈ ধৰাত তেখেতৰ জনপ্ৰিয়তা বাঢ়িবলৈ ধৰে। প্ৰবাসত থাকিও নিয়মিত নিজৰ মাতৃভাষাত সাহিত্য চৰ্চা কৰা ব্যক্তিৰূপে ড° দিলীপ কুমাৰ দত্তই বহুকেইখন ছিৰিয়াছ পুথিৰ লগতে ব্যংগধৰ্মী পুথি ৰাইজক দিছে।

গ্ৰন্থ ৰচনা ঃ ১৯৭৯ চনত প্ৰথম প্ৰকাশিত তেখেতৰ ব্যতিক্ৰমধৰ্মী গ্ৰন্থখন হ'ল 'শুভ দিনৰ নিৰ্ঘণ্ট'। তাৰ পিছত 'নীলাৰ সুৰভি ভাঙি, (১৯৮০), 'ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ' (১৯৮১), 'মনে মোৰ কইনা বিচাৰে' (১৯৮৩), 'মিছ গৌহাটী' (১৯৮৫), 'ফলি লোৱা বুৰঞ্জী' (পিতৃ, শিক্ষাবিদ ফণীধৰ দত্তৰ আত্ম জীৱনী), নিৰ্মল প্ৰভাৰ গীত আৰু নাবীৰ জীৱন নদী' (১৯৮৬), গণেশ গগৈৰ ৰচনা সম্ভাৰ', 'মোৰ শিক্ষা আৰু মোৰ শিক্ষক', 'Tales of wastern Inspiration' (ফলি লোৱা বুৰঞ্জীৰ ইংৰাজী ৰূপ), 'পৰম্পৰাগত শিক্ষা আৰু আই পূজনীয়' আদি প্ৰকাশিত গ্ৰন্থ।

এই প্ৰত্যেকখন গ্ৰন্থৰে ভিন্ন ভিন্ন বৈশিষ্ট্য আছে। ব্যতিক্ৰমী বিষয় আৰু ৰচনাৰ বৈচিত্ৰ্যৰ বাবে 'মনে মোৰ কইনা বিচাৰে', মিছ গোহাটী', 'প্ৰেমত পৰিলোঁ নেকি?' গ্ৰন্থকেইখনে বিপুল জনপ্ৰিয়তা লাভ কৰিছিল। 'ফলি লোৱা বুৰঞ্জী' গ্ৰন্থখন তেখেতৰ পিতৃ শিক্ষাবিদ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম ৰেজিষ্টাৰ ফণীধৰ দত্তৰ জীৱনীৰ লগতে অসমৰ বহু ঐতিহাসিক তথ্যৰ সমৃদ্ধ এখন বহুল চৰ্চিত গ্ৰন্থ। বৰ্তমান ইংৰাজীত প্ৰকাশিত এই গ্ৰন্থখনৰ সন্দৰ্ভত ' Editor, Author House, U.S.A য়ে লিখিছে- ' A book of rugged beauty. Dilip. K. Dutta, takes readers on a Fascinating tour of history and introduce wastern ( Bristish or Amarican) and Indian People who worked together to bring about amazing change.' Linda Colleg.Professer of History. Princeton - University, U.S.A য়ে- লিখিছে-' I very much enjoyed Dilip Duttas book Tales of wastern inspiration and Indian karma, and found the mix of reportage and fiction very interesting'

১৯৮৫ চনত প্ৰকাশিত ড° দিলীপ কুমাৰ দত্তৰ 'প্ৰেমত পৰিলোঁ নেকি?' গ্ৰন্থখন কম্পিউটাৰত অসমীয়া আখৰেৰে লিখা প্ৰথমখন গ্ৰন্থ। কম্পিউটাৰত ভাৰতীয় ভাষাৰ ব্যৱহাৰ উলিওৱা তেখেতেই প্ৰথমজন ব্যক্তি। ১৯৮৮ চনত কম্পিউটাৰত লিখা প্ৰথম বঙালী গ্ৰন্থখন ড° দিলীপ কুমাৰ দত্তৰে হ'ল 'ড° ভূপেন হাজৰিকাৰ গীত আৰু জীৱন চক্ৰ' (পুলিংজাৰ বঁটা বিজয়ী ঝুম্পা লাহিড়ীৰ মাতৃ তপতী লাহিড়ীয়ে কৰা বঙালী অনুবাদ।)

'ড° ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ' গ্ৰন্থখন ড° দত্তৰ এক অন্যতম সৃষ্টি। যিখন গ্ৰন্থত অসমীয়া ৰাইজে প্ৰথম উপলব্ধিৰ বাট পালে ড° ভূপেন হাজৰিকাৰ গীত আৰু জীৱনৰ এক বিশ্লেষাত্মক তথ্য। ইয়াৰ আগলৈকে এই কামৰ বাবে কোনো অসমীয়া আগবাঢ়ি অহা নাছিল। যিখন গ্ৰন্থৰ সমাদৰ বৰ্তমানো কোনো গুণে কম নহয়। এই গ্ৰন্থৰ যোগেদি ড° দিলীপ কুমাৰ দত্তই অসমীয়া ৰাইজৰ ওচৰত বিশেষ জনপ্ৰিয়তা লাভ কৰে। এতিয়ালৈকে এই গ্ৰন্থৰ ষষ্ঠ সংস্কৰণ প্ৰকাশ হৈছে। এই গ্ৰন্থখন প্ৰকাশ কৰিছিল কলিকতাৰ শ্ৰীভূমি প্ৰকাশনে। ' নিৰ্মল প্ৰভাৰ গীত নাবীৰ জীৱন নদী' আৰু 'গণেশ গগৈৰ ৰচনা সম্ভাৰ' গ্ৰন্থ দুখনো তেখেতৰ অসমীয়া সাহিত্যলৈ অনুপম কীৰ্তি।

**অসমীয়া গীত আৰু দিলীপ কুমাৰ দত্ত ঃ**

নিজৰ ভাষাৰ সুৱদী গীতবোৰে প্ৰবাসত কটোৱা নিসংগ মুহূৰ্তবোৰত সুখ দিছিল। উপলব্ধি কৰিবলৈ সুযোগ দিছিল মাতৃভূমিৰ প্ৰতি একাত্মতা, ভালপোৱাৰ উপলব্ধি আৰু আত্মিক টান। প্ৰতিমুহূৰ্তে যেন মাতৃভূমিৰ প্ৰতি কিছু কাম কৰাৰ হাবিয়াস দোলা দি গ'ল। যাৰ বাবে তেখেতে ভাল পোৱা অসমীয়া গীতৰ জগতখনত কিছু কাম কৰাৰ প্ৰয়াস কৰিলে ফলত আমি লাভ কৰিলোঁ। 'ড° ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ'ৰ লগতে নিৰ্মল প্ৰভাৰ গীত আৰু নাবীৰ জীৱন নদী শীৰ্ষক অনবদ্য গীতৰ সংকলন। অতি বিৰল, অসংখ্য গীতৰ ৰেকৰ্ডৰ সংগ্ৰহ তেখেতৰ ওচৰত আছে। বৰ্তমানে হেৰাই যোৱা কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা, প্ৰিয়বালা সাৰদা শৰ্মা, চাৰু বৰদলৈ, তাৰিণীচৰণ কাকতি, কমল নাৰায়ণ চৌধুৰী, অনুকূল নাথ, ৰাণী পাল, বলোৰাম দাস, অমিয় মোহন দাস আদি অনেক শিল্পীৰ গীতবোৰ ডিজিটেল পদ্ধতিৰে সংৰক্ষণ কৰি ৰাখিছে ড° দিলীপ কুমাৰ দত্তই। ইতিমধ্যে তেখেত আৰু ৰূপম শৰ্মাই বিদেশত এপ্পল কোম্পানীৰ আই টিউন যোগে বিশ্বই শুনিব পৰাকৈ অসমীয়া গীতৰ ব্যৱস্থা কৰিছে। সংগীতপ্ৰেমী অসমীয়া শ্ৰোতাই www.mazumba.com যোগে এই গীতবোৰ শুনিব পাৰিব। যি আমাৰ বাবে অতি সুখৰ বিষয়। বিদেশত তেখেতৰ অসমীয়া গীতৰ সংগ্ৰহ 'গোৱা অসমীয়া মন প্ৰাণ ভৰি, কুৰি শতিকাৰ প্ৰথম কুৰি' শীৰ্ষক কেছেটটো অতি সমাদৃত। তেখেতৰ মতে - ' এই বিৰল জনপ্ৰিয় গীতবোৰ সংৰক্ষণ কৰাৰ উদ্দেশ্য ভৱিষ্যৎ প্ৰজন্মই যাতে এই গীতবোৰৰ মূল্য বুজি উঠি ভৱিষ্যতলৈ সাঁচি ৰাখে।

১৭পৃষ্ঠাত...

(গল্প)

# শীতৰ আমেজ

❑ ৰূপজ্যোতি হাজৰিকা

সেউজ গাঁও তিনি আলি, সেউজ গাঁও তিনি আলি .., কোনোবা নামিব নেকি? বাছৰ কনডাক্টৰজনৰ গলগলীয়া মাতৰ চিঞৰত শুই পৰা চিটটোৰ পৰা লৰালৰিকৈ নামি আহিলো। উঃ টোপনিৰ কোবত কেতিয়ানো সেউজ গাঁৱৰ কেঁকুৰিটো পালোহি গমেই নাপালো। কেনেকৈ বা গম পাম, চৰকাৰে ৰাস্তা বহল কৰিম বুলি চাৰিওফালে থকা গছ-গছনি কাটি শেষ কৰিলে। কোনটো ৰাস্তা কোন ঠাইৰ চিনিবই নোৱাৰা হৈছে। সেউজ গাঁৱৰ সন্মুখতে এজোপা বটবৃক্ষ আছিল। সেই গছজোপাই এটা ছাটিৰ দৰে ৰ'দে, বতাহে, বৰষুণে মানুহক আশ্ৰয় দিছিল। ৰমেন মাছ বেপাৰীয়ে সেউজ গাঁৱৰ বিলৰ পৰা মাছ ধৰি আনি সেই গছজোপাৰ তলতে সদায় আবেলি মাছ বিক্ৰী কৰিছিল- এতিয়া দেখোন বৃহৎ গছৰ মূঢ়াটো একাষে তলমুৰ কৰি পৰি আছে। ইস-ৰাম, চাৰিওফালৰ যে ইমানবোৰ গছ-গছনি কাটিলে ক'তো এজোপা নতুন গছপুলি ৰোৱা চকুত নপৰিল। এনেকৈ হ'লে প্ৰকৃতিৰ বৰ জীয়ৰী অসমৰ বিনন্দীয়া সাজ খহিবলৈ আৰু বেছি দিন নাই।

সূৰুযৰ অস্তাচলত ৰাঙলী বেলিটোৰ কিৰণত সেউজ গাঁৱৰ একাবেকা পথৰুৱা ৰাস্তাটো দেখি মনৰ ভিতৰত এক আনন্দই ডোলা দি গ'ল। ঘৰৰ সন্মুখৰ বিস্তীৰ্ণ পথাৰখনত লখিমীৰ সোণোৱালী সাজোন-কাচোন দেখি ক্ষন্তেকৰ বাবে মোৰ ভৰি দুটা থমকি ৰৈ গ'ল। এদিন ময়ো পুৱা অৰুণৰ হেঙুলীয়া আভাৰ হিম কণাৰ বুকুত ৰহদৈ, তৰাদৈৰ লগত মুঠি মুঠিকৈ ধান কাটিছিলো। শৈশৱৰ বান্ধৱী মালাৰ লগত লেচেৰি বুটলিছিলো। মনজিতে নৰাৰ পেঁপা বনাই দিছিল, আমি বজাইছিলো। বৰদেউতা, বৰমাৰ লগত ৰবাব টেঙাৰ জুতি লৈছিলো। মনজিতৰ লগত একা-বেকা আলিবোৰত দৌৰি ফুৰিছিলো। জেতুলীপকা ছিঙি খাইছিলো- উঃ, কি যে আনন্দৰ দিন আছিল সেইবোৰ। এতিয়া সেই মনজিতেই যেন খেলৰ লগৰী হৈ মনৰ লগৰী হৈ উঠিব গমেই পোৱা নাছিলো।

বকুল, অ' বকুল ...। পাছফালৰ পৰা মাত এটা ভাহি অহা শুনি ঘুৰি চাই দেখিলো মনজিতে মাতিছে- অ' তই, কেতিয়া আহিলি?

- মই কালি আহিলো।

- বাটতে বৰমাক লগ পালো। তই আহিছ বুলি কোৱাত তোক আগবঢ়াই নিবলৈ আহিছো।

- কি হে, ইঞ্জিনীয়াৰ চাকৰি হৈ গ'ল নেকি?

- নাই হোৱা অ' আৰু এবছৰ আছেই পঢ়া শেষ হ'বলৈ। তোৰ কেতিয়া নামৰ আগত ডক্টৰেট ডিগ্ৰী বহিব?

- মোৰো আৰু দুটা বছৰ আছে অ'।

দুয়ো হাঁহি খিলখিলাই পথাৰখনলৈ চাই ৰ'ল।

- চাচোন মনজিত, এই পথাৰখনত আমি কিমান অতীতৰ সোণালী সপোন এৰি থৈ আহিছো। সৌ বিলখনৰ সিপাৰে শৰালিৰ কলধ্বনি কোলাহল শুনিবলৈ আমি দুয়োটা যে সদায় গৈছিলো। আকৌ দৌৰি দৌৰি আহি সোণগুটি মানিকী মধুৰী জহাৰ মৌ-মতলীয়া গোন্ধত তই আৰু মই বিলীন হৈ গৈছিলো।

- সঁচাকৈ বকুল চাৰিওফালে যে আঘোনৰ পকা ধানৰ গোন্ধে পুনৰ আমাক হাত বাউল দি মাতিছে যেন আমি দুয়োটা শৈশৱৰ নিচিনাকৈ আঘোনৰ পথাৰত মাতাল হৈ ৰওঁ।

- মনজিত, যাওঁগৈ ঐ, সাঁজ লাগো লাগো হ'ল। বতৰটোও বেয়া হৈ আহিছে।

মনজিত আৰু বকুল দুয়ো খিলখিলাই বকুলৰ ঘৰ পালেহি। মাক চম্পা উধাতু খাই জপনামুখলৈ ওলাই আহিল আৰু বকুলক সাৱট মাৰি ধৰিলে।

- মা মোক ভিতৰলৈ যাবলৈ দিবানে?

- আহা ভিতৰলৈ আহা।

তিনিও আহি আগফালৰ বাৰান্দাতে বহি পৰিল। মাক চম্পাই দুয়োলৈকে দুকাপ চাহ বনাই আনিলে। বাহিৰত সেমসেমীয়া বৰষুণ এই শীতৰ বৰষুণজাকে আৰু ঠাণ্ডা পেলাব। বাহিৰখনত বকুলে কথাষাৰ কৈ থাকোতে হঠাতে জেওৰাখনৰ সিপাৰে থকা কনকনীয়া কাঠৰ দপদপীয়া অঙঠাৰ জুইকুৰাৰ ওচৰত বৰদেউতাকক বহি থকা দেখি মনটো ভাল লাগি গ'ল।

- চোৱাচোন মা, বৰদেউতাই কেনেকৈ শীতৰ আমেজ লৈছে। বৰদেউতাৰ কি খবৰ মা?

- শিঙৰি কাঠৰ দপদপীয়া জুইকুৰা সন্ধিয়াটোৰ বৰদেউতাৰ লগৰী অ'।

- কিয় তেনেকৈ কৈছা মা?

চম্পাৰ যেন চকুদুটা চলচলীয়া হ'ল।

- কি ক'ম তোমাক। অপু দাদা আৰু নিপু দাদা ঘৰলৈ অহা একেবাৰে বাদ দিলে।

অপু অইলৰ ইঞ্জিনীয়াৰ, ডুবাইত থাকে। নিপু ডাক্টৰ, আমেৰিকাত থাকে। সিহঁতে বেলেগ জাতিৰ ছোৱালী বিয়া কৰাই তাতে থাকে। মাজতে সৰুটো এবাৰ আহিছিল। কিন্তু এতিয়া বহুত দিনৰ পৰা সিহঁত ঘৰলৈ আহা বাদ দিলে। বোৱাৰী দুজনী ইয়ালৈ অহা মনতেই নপৰা হ'ল।

সেউজ গাঁৱৰ বকুলতলৰ আদৰ্শ, সংস্কৃতিবান ব্যক্তি ভবানন্দ বৰুৱা বুলি ক'লে সকলোৱে মুৰ দোঁৱাই। বৰমাও উচ্চশিক্ষিতা নহ'লেও ধৈৰ্য্য, সহিষ্ণুতা আৰু সাধনাৰ মহান আদৰ্শবাদী মহিলা আছিল। তেওঁ আদৰ্শৰ পথ অনুকৰণ কৰিলে কাঁইটীয়া পথকো সুগম কৰি তুলিব পাৰে। সেই মহান নাৰী এগৰাকী এটা সৰু অসুখতে দুটা ল'ৰা এৰি থৈ চিৰকাললৈ গুচি গ'ল- গোটেই সেউজ গাঁওখনত যে কিমান দিনলৈ শোকৰ ছাঁ পৰিছিল। বৰদেউতাই অপু আৰু নিপুৰ কষ্ট হয় বুলিয়েই দ্বিতীয় বিবাহ নকৰিলে। কিমান কষ্টৰে মাকৰ অভাৱ নোহোৱাকৈ ল'ৰা ডাঙৰ কৰিলে। এতিয়া বৃদ্ধ বয়সত দেউতাকক এষাৰ মাত দিবলৈ সিহঁতৰ সময় নাই। মই যেতিয়া তোৰ দেউতাৰক হেৰুৱাই দিকবিদিক নেদেখা হৈছিলো তেতিয়া এই বৰদেউতাৰ আদৰ্শ আৰু অনুপ্ৰেৰণাত জীৱনটো নতুনকৈ গঢ়িবলৈ শক্তি পালো। এই গাঁওখনত কিমানৰ ভঙা ঘৰ একতাৰ ডোলেৰে বান্ধিছে, কিমানক নিজৰ বেতন ভাঙি চিকিৎসা সেৱা আগবঢ়াইছে। এই গাঁওখনত যে উৰুকাৰ দিনা সকলোৱে ভোজ-ভাত খাই আনন্দ কৰে এয়া এসাজ মাছ-মাংসৰে খোৱা তৃপ্তিৰ আনন্দ নহয়। বৰদেউতাৰ আদৰ্শ, গোটেই গাঁওখন একগোট হৈ থাকক, লগে-ভাগে মিলিজুলি আনন্দ কৰক, কাৰো মাজত বিভেদ সৃষ্টি নহওঁক। বৰমাই নিজেই বকুল বৰা ধানৰ চিৰা-পিঠা খুন্দি সকলো ৰাইজক বিহুৰ দিনা দিছিল।

সেই দিনবোৰে মোক মনত এতিয়াও বুকুত খুন্দা মাৰি ধৰে। জানা মনজিত, মাজে মাজে মোৰ ভয় হয় বৃদ্ধ বয়সত আমাৰ অৱস্থাটো যদি বৰদেউতাৰ নিচিনা হয়। মই ধৰিবই নোৱাৰা হৈছো আমাৰ সংস্কাৰৰ ক'ত ভুল হৈছে যে পুতেকে বৃদ্ধ বয়সত মাক দেউতাকক দলিয়াই পেলাব লগা হয়।

এই সমাজখনৰ শুধৰণি কেতিয়া হ'ব। বৰদেউতাহঁতৰ নিচিনা মানুহে কেতিয়া ন্যায় পাব। নে যুগে যুগে বৃদ্ধ অৱস্থাত সকলো পিতৃ-মাতৃ অৱহেলিত হৈ ৰ'ব, যি পিতৃ-মাতৃৰ পৰা এখন সুন্দৰ পৃথিৱী দেখিলে। নিজৰ জীৱনত এটা সুকীয়া পৰিচয় পালে এতিয়া যুগৰ ল'ৰা-ছোৱালীয়ে সেই পিতৃ-মাতৃক এষাৰ মাত দিবলৈ সময় নাই।

ইস ৰাম, বহুত সময় হ'ল, মই ভাত ৰান্ধোগৈ। তুমি ভাত খাই যাবা দেই। দপদপীয়া অঙঠা গাত পৰাৰ দৰে বকুলৰ গাতো পুৰি আহিছে। মায়ে এইবোৰ কি শুনালে মনজিত- তই প্ৰদীপ, মুকুল, মালা গাঁৱৰ সকলোলৈকে এটা বাৰ্তা পথা যে মাঘৰ বিহুৰ উৰুকা ভোজ খোৱাৰ আগত সকলোৱে এই বিষয় লৈ আলোচনা কৰিব লাগিব।

এই জীৱনত মানৱ প্ৰেম উদ্বুদ্ধ হ'ব নোৱাৰিলে আমি যেন মানুহ হোৱাৰ যোগ্যতা নাই। আজিৰ মানুহে ধন-দৌলত, ঐশ্বৰ্য্য-বিভূতিৰ চিকমিকিয়া জেউতিৰ চমকত মানৱীয়তা ম্লান পৰিছে। এই বিকৃত সমাজখনৰ আশা-ভৰষাৰ একমাত্ৰ স্থল হ'ল নৱপ্ৰজন্ম।

ভৱিষ্যতৰ কৰ্ণধাৰসকলে এই সমাজক পতনৰ মুখৰ পৰা ৰক্ষা নকৰিলে গত্যন্তৰ নাই। বকুল এই ভুলৰ সংশোধন হ'ব লাগিব। সমাজৰ মংগলৰ কাৰণে কাম কৰিবলৈ ডিগ্ৰীতকৈ বেছি প্ৰয়োজন এটা সুন্দৰ মন, ত্যাগ, কষ্ট, সংগ্ৰাম আৰু সাধনা, যিটো যুৱশক্তিৰ মাজত এতিয়াও ম্লান পৰা নাই। আমি প্ৰত্যেকে যদি প্ৰত্যেকৰ প্ৰতি সহৃদয়তাৰে ব্যৱহাৰ কৰি সমাদৰ উন্নয়নৰ চেষ্টা কৰো তেন্তে যুৱ সমাজৰ মুৰত আহি পৰা এই অপবাদ আঁতৰি যাবলৈ বেছি সময় নালাগিব।

সেউজ গাঁৱৰ উন্নয়নৰ কাৰণে যদি আমি কিবা কৰিব পাৰো তেন্তে উটি যাওঁক আমাৰ অহংকাৰ, মইবৰ ভাৱ আৰু আনক দোষাৰোপ কৰা মনোবৃত্তি। আকৌ জিলিকি উঠক সেউজ গাঁৱৰ কোঁহে কোঁহে মনুষ্যত্বৰ ফুল- উঠলি উঠক হৃদয় জুৰোৱা শান্তি।

ভ্ৰাম্যভাষঃ ৮৮৭৬৪৮০৫৮৭

কেৰিয়াৰ

## মাষ্টাৰ অৱ চছিয়েল ৱৰ্কচ
## Master of Social Works

❑ সীমান্ত বৰা

বৰ্তমান দিনত সমাজসেৱা বা সমাজকৰ্ম এক বৃত্তিমূলক পাঠ্যক্ৰমলৈ ৰূপান্তৰ হৈছে। এই পাঠ্যক্ৰমৰ যোগেদি বিভিন্ন চৰকাৰী বা বেচৰকাৰী প্ৰতিষ্ঠানত ভাল দৰমহাৰ চাকৰি লাভ কৰিব পাৰি। বিশেষকৈ চিকিৎসা খণ্ড, বিভিন্ন চিকিৎসালয়, পুনৰ্সংস্থাপন সংস্থা, কাৰাগাৰ, বেচৰকাৰী সংস্থা আদিত MSW ৰ কাৰণে বিজ্ঞাপন দিয়া দেখা যায়। ঠিক সেইদৰে শিশু কল্যাণ সংস্থাসমূহতো MSW ডিগ্ৰীধাৰী প্ৰাৰ্থীৰ যথেষ্ট চাহিদা দেখা গৈছে। MSW পাঠ্যক্ৰমৰ বাবে ন্যুনতম অৰ্হতা যিকোনো বিষয়ৰ স্নাতক হ'ব লাগে। ভাৰতৰ



প্ৰায়বিলাক বিশ্ববিদ্যালয়তে এই দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰমটি অন্তৰ্ভুক্ত হৈছে। তাৰে কেইখনমান আগশাৰীৰ প্ৰতিষ্ঠান হৈছে-

1. Tata Institute of Social Science (TISS), Mumbai
2. Delhi School of Social Works, Delhi
3. College of Social Works, Nirmala Niketan, Mumbai
4. Madras School of Social Science, Chennai
5. Pune University
6. Loyola College of Social Sciences, Thiruvananthapuram

MSW পাঠ্যক্ৰমৰ বাবে অসমৰ কেইখনমান প্ৰতিষ্ঠান হৈছে-

1. Dibrugarh University, Dibrugarh
2. Kaziranga University, Jorhat
3. Assam Don Bosco University
4. Brahmaputra Institutions, Guwahati
5. Tezpur University, Tezpur
6. Assam University, Silchar
7. Krishna Kanta Handiqui State Open University

উল্লেখ্য যে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্তবিশ্ববিদ্যালয়ৰ অধীনত চিনামৰা মহাবিদ্যালয়তো এই পাঠ্যক্ৰম চলি আছে আৰু জুন-জুলাই মাহত নতুন নামভৰ্তি হয়।

# ন'বেল বঁটাৰ চমু ইতিহাস আৰু ২০১৮ বৰ্ষৰ বঁটা বিজয়ীসকল

❑ তাপস কুমাৰ বৰুৱা

এজন বিশেষ যুৱকৰ কথা। যুৱকজন সেই সময়ৰ ছোভিয়েট ৰাচিয়াৰ চেইণ্ট পিটাৰ্চবাৰ্গত উচ্চ শিক্ষা গ্ৰহণ কৰি, বহু ঠাই ভ্ৰমণ কৰি ১৮৫২ চনত এজন বাধ্য পুত্ৰৰ দৰে চেইণ্ট পিটাৰ্চবাৰ্গৰ পিতৃৰ কাষলৈ ঘুৰি আহিল এজন ৰসায়নবিদ আৰু উদ্ভাৱকৰূপে। ঘুৰি আহিল, 'টৰ্পেডো' (Torpedoe) আৰু 'মাইনচ্' (Mines)ৰ উন্নত গৱেষণাৰ বাবে পিতৃক সহায়ৰ হাত আগবঢ়াবলৈ। সেই যুৱকজনেই আছিল, কেৰ'লিন এণ্ড্ৰিয়েতা এলছেল ন'বেল (১৮০৫-১৮৮৯) আৰু ইমানুৱেল ন'বেল (১৮০১-১৮৭২)ৰ পুত্ৰ আলফ্ৰেড বাৰ্নহাৰ্ড ন'বেল (Alfred Bernhard Nobel)। ১৮৩৩ চনৰ ২১ অক্টোবৰত চুইডেনৰ ৰাজধানী চহৰ ষ্টক্‌হ'মত ন'বেলৰ জন্ম হৈছিল। ব্যৱসায়িক ব্যৰ্থতায়ে জুৰুলা কৰা ইমানুৱেল ১৮৩৭ চনত চেইণ্ট পিটাৰ্চবাৰ্গত বসবাস কৰিবলৈ লয়। যৌথভাৱে পৰিয়ালবৰ্গৰসৈতে 'নাইট্ৰ'গ্লিছাৰিন' (Nitroglycerine) গান পাউদাৰ প্ৰস্তুত কৰি প্ৰয়োগ কৰাত কেইবাজনৰো মৃত্যু হোৱাত, নিৰাপদ বিস্ফোৰণৰ বাবে ন'বেলে নতুনকৈ গৱেষণা কৰি 'নাইট্ৰ'গ্লিছাৰিন' আৰু 'কিয়েশ্বেলগুৰ' (Kieselguhr) মিশ্ৰনেৰে উদ্ভাৱন কৰিলে বিশ্ববিশ্ৰুত 'ডিনামাইট' (Dynamite)। ইয়াৰ উপৰি তেওঁ, 'জিলেটিন' (Gelatin), ধোঁৱাবিহীন পাউদাৰ 'বেলিষ্টাইট' (Ballistite), 'চিন্থেটিক ৰাবাৰ', 'কৃত্ৰিম চিল্ক', 'চিন্থেটিক লেডাৰ' আদি কৰি বহুতো সামগ্ৰী উদ্ভাবন কৰে। উল্লেখ্য যে, ন'বেলে উদ্ভাবন কৰা মুঠ ৩৫৫ বিধ সামগ্ৰীৰ উদ্ভাৱন স্বত্ব (Patent) লাভ কৰে। তেওঁ উদ্ভাৱন কৰা সকলোবিধ সামগ্ৰী পৰিয়ালৰ উদ্যোগত উৎপাদন কৰি প্ৰচুৰ অৰ্থ উপাৰ্জ্জন কৰে। ১৮৯৬ চনৰ ১০ ডিচেম্বৰত আলফ্ৰেড ন'বেলৰ ইটালীৰ চানৰিম' (Sanremo)ত মৃত্যু হোৱাৰ পাছত তেওঁৰ গৱেষণাৰ ফলশ্ৰুতিত উৎপাদিত বৈজ্ঞানিক সামগ্ৰী বিক্ৰীৰ পৰা লাভ কৰা প্ৰচুৰ জমা অৰ্থৰ পৰা পোৱা সুতৰ ধনৰাশিৰে এটি বাৰ্ষিক বঁটা প্ৰদান কৰা হয়। সেইটিয়েই হৈছে বিশ্বৰ সৰ্ব্বশ্ৰেষ্ঠ বঁটা- ন'বেল বঁটা। পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, শৰীৰতত্ব বা ঔষধি উদ্ভাৱন, সাহিত্য আৰু আন্তৰ্জাতিক শান্তি, এই পাঁচটা বিভাগত ন'বেল বঁটা প্ৰদান কৰা হয়। প্ৰাসঙ্গিকতাৰ স্বাৰ্থত উল্লেখ কৰিলোঁ যে, তেওঁৰ সন্মানাৰ্থে ৰাসায়নিক মৌলসমুহৰ পৰ্য্যায়বৃত্ত তালিকা (Periodical Table of Chemical Elements)ৰ ১০২তম মৌলবিধৰ নামকৰণ ন'বেলিয়াম (Nobelium) কৰা হয়।

১৯০১ চনৰ পৰা প্ৰতি বছৰে আলফ্ৰেড বাৰ্নহাৰ্ড ন'বেলৰ নামত 'ন'বেল বঁটা' প্ৰদান কৰি অহা হৈছে। অৱশ্যে, দ্বিতীয় বিশ্ব যুদ্ধৰ বাবে ১৯৪০ চনৰ পৰা ১৯৪২ চনলৈ ৩ বছৰৰ বাবে এই বঁটা প্ৰদান বন্ধ আছিল। এই আন্তৰ্জাতিক বঁটাটি ষ্টকহ'ম, চুইডেনৰ 'ন'বেল ফাউণ্ডেচন'ৰ দ্বাৰা পৰিচালিত আৰু নিৰ্ব্বাচিতহৈ আহিছে। এই বঁটাৰ আৰম্ভনিৰ ৬৭ বছৰ পাছত অৰ্থাৎ, ১৯৬৮ চনত Sveriges Riksbank বা চমুকৈ Riksbanken (Sveriges- চুইডিচ ভাষাত দেশখনৰ নাম অৰ্থাৎ চুইডেন, Riksbank- চুইডিচ ভাষাত চেণ্ট্ৰেল বেঙ্ক) বা চেণ্ট্ৰেল বেঙ্ক অব্ চুইডেনৰ ৩০০ বছৰীয়া প্ৰতিস্থা দিৱস উপলক্ষে 'ন'বেল ফাউণ্ডেচন'ক এক বিপুল ধনৰাশি আগবঢ়াই আৰু সেই অৰ্থৰে আলফ্ৰেড ন'বেলৰ নাম (সোঁৱৰণ)ত অৰ্থনীতি বিজ্ঞান (Economic Science)ৰ বাবে এক সুকীয়া বঁটা প্ৰদান কৰা হয়। ই, ন'বেল বঁটাৰ সমপৰ্য্যায়ৰ হ'লেও 'নবেল বঁটা' নহয়। 'ৰয়েল চুইডিচ একাডেমী অব্ চায়েন্স'ৰ দ্বাৰা এই বঁটা প্ৰাপকসকলক নিৰ্বাচিত কৰা হয়। এই বঁটা আগবঢ়োৱাৰ পাচত 'ন'বেল ফাউণ্ডেচন'এ ঘোষণা কৰে যে, ন'বেলৰ নামত ইয়াৰ পাছত কোনো নতুন বঁটা প্ৰবৰ্ত্তন কৰা নহয় আৰু আজিকোপতি এই দুয়োবিধ বঁটা প্ৰচলিতহৈ আছে। উল্লেখ্য যে, ১৬৬৮ চনত প্ৰতিস্থা হোৱা Sveriges Riksbank বিশ্বৰ প্ৰাচীনতম চেণ্ট্ৰেল বেঙ্ক তথা আজিকোপতি কাৰ্য্যক্ষম তৃতীয় প্ৰচীনতম বেঙ্ক।

আলফ্ৰেড ন'বেল কেৱল বিজ্ঞানী আৰু উদ্ভাৱকেই নহয়, ইংৰাজী সাহিত্য আৰু কবিতাৰ এজন গভীৰ অনুৰাগীও আছিল। তেওঁ কেইবাখনো উপন্যাস আৰু ভালে সংখ্যক কবিতা ৰচনা কৰিছিল। দানবীৰ আলফ্ৰেড ন'বেলে মৃত্যুৰ আগেয়ে প্ৰায় ১,৫০০ খন মান বিভিন্ন বিষয়ৰ গ্ৰন্থসহিত এটি গ্ৰন্থাগাৰ দান কৰিছিল। ১৮৯৫ চনৰ ২৭ নৱেম্বৰত আলফ্ৰেড ন'বেলে কৰি যোৱা ইচ্ছাপত্ৰখনিত উল্লেখ আছে যে, তেওঁৰ দ্বাৰা আৰ্জিত চুইডিচ মুদ্ৰাত ৩.১ কোটি ক্ৰোণা (বৰ্ত্তমানৰ লেখেৰে ২০০ কোটিৰো অধিক)ৰ এটি 'ফাণ্ড'লৈ ৰূপান্তৰিত কৰি বেঙ্কত 'চেফ চিকিউৰিটি' (Safe securities)ৰূপে জমা থ'ব আৰু সেই ধনৰাশিৰ সুতেৰে মানৱ সমাজৰ উপকাৰৰ হকে কৰা আৱেদনকাৰীক এটি বঁটা প্ৰদান কৰিব। যেতিয়া, তেওঁৰ পৰিয়ালৰ সদস্যসকলে জানিবলৈ পালে যে, ন'বেলে ইচ্ছাপত্ৰৰ যোগেৰে তেওঁৰ আৰ্জিত সমস্ত ধনৰাশি দান কৰি গৈছে, ন্যায়ালয়ৰ যোগেৰে সকলোৱে ইয়াৰ বিৰোধিতা কৰিছিল। কিন্তু, তেওঁলোকৰ সেই অভিযোগ নাকচ হয় আৰু ন'বেলৰ মৃত্যুৰ পাঁচ বছৰৰ পাছত বিশ্বৰ সৰ্ব্বোচ্চ সন্মান, ন'বেল বঁটা প্ৰদান প্ৰক্ৰিয়াৰ শুভাৰম্ভ হয়।

ন'বেল বঁটা কোনো দেশ বা জাতিৰ মাজত সীমাবদ্ধ নহয়। আলফ্ৰেড ন'বেলৰ ইচ্ছাপত্ৰ অনুযায়ী এই বঁটাৰ বিচাৰকসকল হ'ল পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু অৰ্থনীতি বিজ্ঞানৰ বাবে 'ৰয়েল চুইডিচ একাডেমী অব্ চায়েন্স', শৰীৰতত্ব বা ঔষধি বিজ্ঞানৰ বাবে 'চুইডিচ ৰয়েল কাৰৱলাইন মেডিকো চাৰ্জিকেল ইন্‌ষ্টিটিউট', সাহিত্যৰ বাবে 'চুইডিচ একাডেমী' আৰু আন্তৰ্জাতিক শান্তিৰ বাবে 'নৰৱে পাৰ্লিয়ামেণ্ট'ৰ দ্বাৰা নিৰ্ব্বাচিত একোখনকৈ সমিতি। প্ৰতি বছৰৰ চেপ্টেম্বৰ মাহৰ ভিতৰত বিশ্বৰ সকলো প্ৰান্তৰৰ পৰা ৩,০০০ জন ব্যক্তিৰ নাম ন'বেল বঁটাৰ বাবে প্ৰস্তাব কৰি পঠোৱা হয়। কেৱল, শান্তিৰ ন'বেল বঁটাৰ বাবে বিশ্বৰ সকলো দেশৰ চৰকাৰ, আন্তৰ্জাতিক ন্যায়ালয়, প্ৰাক্তন শান্তিৰ ন'বেল বঁটা প্ৰাপকসকল, অতীত আৰু বৰ্ত্তমানৰ 'নৰৱে ন'বেল সমিতি'ৰ সভ্যসকলৰ দ্বাৰা নাম প্ৰস্তাৱ কৰা হয়। এই নামসমুহৰ ক্ষেত্ৰত গোপনীয়তা অৱলম্বন কৰা হয়। প্ৰস্তাৱিত নামসমূহৰ মাজৰ পৰা বঁটা নোপোৱাসকলৰ নাম ৫০ বছৰৰ বাবে 'চীল' কৰি ৰখা হয়। ইয়াৰ পাছত 'ন'বেল সমিতি'য়ে বিশেষজ্ঞৰ প্ৰতিবেদন পোৱাৰ পাছত সমিতিয়ে ভোটৰ দ্বাৰা বঁটা প্ৰাপকসকলৰ নাম নিৰ্বাচিত কৰে আৰু সেয়েই চূড়ান্ত সিদ্ধান্ত হয়। লগে-লগে বঁটা প্ৰাপকসকলৰ নাম ঘোষণা কৰা হয়। পৰিস্থিতি সাপেক্ষে, এটা বিভাগৰ বঁটা কেইবাজন ব্যক্তিৰ মাজত ভাগ কৰা হয়। ন'বেল বঁটাসমুহ ব্যক্তি বিশেষৰ বাবে যদিও, শান্তিৰ বঁটা অনুষ্ঠানকো প্ৰদান কৰা হয়। কোনো-কোনো বছৰত বিভাগ-বিশেষ, প্ৰধানতঃ শান্তিৰ বঁটা প্ৰদান নকৰাৰো উদাহৰণ আছে। যদি, কোনো বছৰত শান্তিৰ ন'বেল বঁটাৰ বাবে কোনো ব্যক্তি বা অনুষ্ঠান নিৰ্ব্বাচিত নহয় তেন্তে, সেই বঁটাৰ বাবে নিৰ্দ্ধাৰিত ধনৰাশি বিজ্ঞান বিভাগৰ বাবে আগবঢ়োৱা হয়। এই নিয়ম বৰ্ত্তমানলৈকে মুঠ ৪৯বাৰ (পদাৰ্থ বিজ্ঞানঃ ১৯১৬, ১৯৩১, ১৯৩৪, ১৯৪০, ১৯৪১, ১৯৪২, ৰসায়ন বিজ্ঞানঃ ১৯১৬, ১৯১৭, ১৯১৯, ১৯২৪, ১৯৩৩, ১৯৪০, ১৯৪১, ১৯৪২, শৰীৰতত্ব আৰু ঔষধি উদ্ভাৱনঃ ১৯১৫, ১৯১৬, ১৯১৭, ১৯১৮, ১৯২১, ১৯২৫, ১৯৪০, ১৯৪১, ১৯৪২, সাহিত্যঃ ১৯১৪, ১৯১৮, ১৯৩৫, ১৯৪০, ১৯৪১, ১৯৪২, ১৯৪৩ আৰু শান্তিঃ ১৯১৪, ১৯১৫, ১৯১৬, ১৯১৮, ১৯২৩, ১৯২৪, ১৯২৮, ১৯৩২, ১৯৩৯, ১৯৪০, ১৯৪১, ১৯৪২, ১৯৪৩, ১৯৪৮, ১৯৫৫, ১৯৫৬, ১৯৬৬, ১৯৬৭, ১৯৭২) প্ৰযোজ্য হৈছে।

এই বৰ্ষ পৰ্য্যন্ত ন'বেল বঁটাৰ ইতিহাস (১৯৬৮ চনৰ পৰা প্ৰচলিত অৰ্থনীতি বিজ্ঞানত ন'বেল সোঁৱৰণী বঁটাকে ধৰি)ত ৩ বৰ্ষ বাদ দি মুঠ ১১৫ বৰ্ষত, অৰ্থনীতি বিজ্ঞানত ন'বেল সোঁৱৰণী বঁটা প্ৰাপক ৮১ জন ব্যক্তিকে ধৰি মুঠ ৯০৮ জন ব্যক্তি আৰু ২৭ টা সংস্থা (মুঠ ৯৩৫)ক ৫৯০ বাৰ এই বঁটা প্ৰদান কৰা হৈছে। উল্লেখ্য যে, ৪ জন ব্যক্তি- মেৰী ক্যুৰী (১৯০৩ পদাৰ্থ বিজ্ঞান, ১৯১১ ৰসায়ন বিজ্ঞান), লিনাচ কাৰ্ল পাউলিং (১৬৫৪ পদাৰ্থ বিজ্ঞান, ১৯৬২ শান্তি), জন বাৰ্ডীন (১৯৫৬, ১৯৭২ পদাৰ্থ বিজ্ঞান), ফ্ৰেডেৰিখ চেঙ্গাৰ (১৯৫৮, ১৯৮০ ৰসায়ন বিজ্ঞান) আৰু দুটা সংস্থা- ICRC (International Committee of the Red Cross) (১৯১৭, ১৯৪৪, ১৯৬৩ শান্তি), UNHCR (Office of the United Nations High Commissioner for Refugees) (১৯৫৪, ১৯৮১ শান্তি)য়ে একাধিক বাৰ বঁটা লাভ কৰিছে। উল্লেখ্য যে ২০১৮ বৰ্ষৰ সাহিত্যৰ ন'বেল বঁটা বিশেষ কাৰণত (এই বিষয়ে বাহুল্য নকৰিলো) কোনো ব্যক্তিকে প্ৰদান কৰা হোৱা নাই। অনাগত বৰ্ষলৈ এই শাখাৰ ন'বেল বঁটা স্থগিত ৰখা গৈছে।

প্ৰসঙ্গ ক্ৰমে উল্লেখ কৰিলো যে, এই বঁটা প্ৰাপকসকলৰ কণিষ্ঠতম গৰাকী হৈছে- মালালা ইউছুফজাই (১৭ বৰ্ষ, ২০১৪ শান্তি), পুৰুষসকলৰ মাজত লৰেন্স বেগ (২৫ বৰ্ষ, ১৯১৫ পদাৰ্থ বিজ্ঞান) আৰু জ্যেষ্ঠতম জন হৈছে- লিয়নিড হাৰৱিজ (৯০ বৰ্ষ, ২০০৭ অৰ্থনীতি বিজ্ঞান), মহিলাসকলৰ মাজত ডৰিছ লেছিং (৮৮ বৰ্ষ, ২০০৭ সাহিত্য)।

১৯৭৩ চন পৰ্য্যন্ত কোনো ব্যক্তিক মৰণোত্তৰ ভাৱে ন'বেল বঁটা প্ৰদান কৰা হৈছিল যদিহে, ব্যক্তিজনৰ নাম সেই বৰ্ষৰে ১ ফেব্ৰুৱাৰীৰ পূৰ্ব্বে মনোনীত হয়। এই নিয়মানুযায়ী ইৰিক এলেক্স কাৰ্লফেল্ড (১৯৩১ চন, সাহিত্য) আৰু ডেগ হেমাৰ্স্কিঅ'ল্ড (১৯৬১ চন, শান্তি)ক বঁটা প্ৰদান কৰা হয়। ১৯৭৪ চনত ন'বেল ফাউণ্ডেচনে মৰণোত্তৰ ভাৱে বঁটা প্ৰদান নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। অৱশ্যে, বঁটা প্ৰাপকৰ নাম ঘোষণা কৰাৰ পশ্চাৎ মৃত্যু হোৱা ব্যক্তিৰ ক্ষেত্ৰত এই নিয়ম প্ৰযোজ্য নহয়। ২০১১ চনত শৰীৰতত্ব আৰু ঔষধি উদ্ভাৱন বিভাগত ৰাল্ফ ষ্টেইনমেনক আন দুজনৰ সৈতে বাচনি কৰা হয়। কিন্তু, তেওঁৰ তিনি দিনৰ পূৰ্ব্বেই মৃত্যু হৈছিল। যিহেতু, ন'বেল ফাউণ্ডেচনে ৰাল্ফৰ মৃত্যুৰ বিষয়ে নাজানিছিল, সেয়েহে আলোচনা-বিলোচনাৰ অন্তত ৰাল্ফক মৰণোত্তৰ ভাৱে বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

ন'বেল বঁটা প্ৰত্যেক বছৰে আলফ্ৰেড ন'বেলৰ মৃত্যু দিৱসৰে সঙ্গতি ৰাখি ১০ ডিচেম্বৰত চুইডেনৰ ষ্টকহ'মত প্ৰদান কৰা হয়। শান্তিৰ ন'বেল বঁটা এই তাৰিখতে প্ৰদান কৰা হয় নৰৱেৰ ৰাজধানী চহৰ ওচ্‌লোত।

২০১৮ চনৰ ন'বেল বঁটা বিজয়ীসকল- পদাৰ্থ বিজ্ঞানঃ আৰ্থাৰ এশ্বকিন (আমেৰিকা যুক্তৰাষ্ট্ৰ), জেৰাড মৌৰো (ফ্ৰান্স), ডোনা ষ্ট্ৰিকলেণ্ড (কানাডা), ৰসায়ন বিজ্ঞানঃ ফ্ৰাঞ্চেছ হেমিল্টন আৰ্নল্ড (আমেৰিকা যুক্তৰাষ্ট্ৰ), জৰ্জ পিয়েৰচন স্মিথ (আমেৰিকা যুক্তৰাষ্ট্ৰ), চাৰ গ্ৰেগৰী প'ল উইণ্টাৰ (ইউনাইটেড কিংডম), শৰীৰতত্ব আৰু ঔষধি উদ্ভাবনঃ জেমচ পেট্ৰিক এলিচন (আমেৰিকা যুক্তৰাষ্ট্ৰ), টাচাকু হ'নজ' (জাপান), শান্তিঃ ডেনিচ মুকৱেগে (কঙ্গো), নাদিয়া মুৰাদ (ইৰাক) আৰু অৰ্থনীতি বিজ্ঞান (আলফ্ৰেড ন'বেলৰ সোঁৱৰণত)ঃ ইউলিয়াম ডাউবনী নৰ্ডহাউচ, প'ল মাইকেল ৰোমাৰ (আমেৰিকা যুক্তৰাষ্ট্ৰ)।

ভ্ৰাম্যভাষঃ ৯৮৫৪২৫৯৪৮৬

## ৰখীয়া

❑ *দেৱশ্ৰী হাজৰিকা*

পথাৰডৰাত বতা পৰিব নিদিবি
বতা পৰিলে আকাল হ'ব
তই পথাৰডৰা ৰখিবি
বাৰীৰ জেওৰাখন ভাঙিব নিদিবি
ভাঙিলে শিয়াল সোমাব
তই জেওৰাখন ৰখিবি

হাবিখনত কোনোবা সোমালে খেদিবি
নহ'লে গছ কাটি তহিলং কৰিব
তই হাবিখন ৰখিবি

সদায় ৰখিবি
তোকনো ৰখীয়া পাতিলে কোনে?
পিতায়ে
আগতে পিতাইও ৰখীয়া আছিল
পিতাইৰ আগতে ককা
তাৰো আগত আজোককা

আমি ৰখি আহিছো
এই পথাৰ এই হাবি
যুগ যুগান্তৰ ধৰা বৰ্ত্তমানলৈ
শূন্যৰ পৰা শূন্যতালৈ।

(গল্প)

# সিদ্ধান্ত

❑ মালা দেৱী বৰগোঁহাই

গে'টত গাড়ীখন ৰোৱাৰ লগে লগে নীলা খৰখেদাকৈ গৈ গে'টৰ মুখ পালেগৈ। গাড়ীৰ পৰা নামি অহা নাতিয়েক দুটাৰ বেগ নিজৰ হাতত ল'লে। তাকে দেখি পুতেক মৃগাংকই মাকক ক'লে - মা, তুমি বাবু আৰু টিকলুৰ কামবোৰ কৰি দিব নালাগে। সিহঁতৰ নিজৰ কামবোৰ নিজেই কৰিবলৈ দিয়া। মাক নীলায়ো পুতেকক ক'লে -কিয় তহঁত যেতিয়া সৰু আছিলি, ময়ে জানো তহঁতৰ কামবোৰ কৰি দিয়া নাছিলো? 'তেতিয়াৰ কথাবোৰ বেলেগ আছিল মা। তুমি আছিলা গৃহিণী, কিন্তু প্ৰীতি হৈছে চাকৰিয়াল মহিলা। তাই ঘৰ-অফিচ সমানে চম্ভালে, তেনেস্থলত ল'ৰা-ছোৱালী যদি এনেকুৱা হয় তাইৰ ওপৰতে কামৰ বোজা নাবাঢ়িবনে? নীলাই উত্তৰ দিব পৰা নাছিল। বুকুৰ কোনোবা অংশত যেন বেদনা ঘনীভূত হৈছিল। পুতেকে বাৰু কিয় বুজা নাই এটা কাম কৰি দিয়াৰ ছলেৰে নাতি-নাতিনীহালৰ সৈতে কেইটামান মূহুৰ্ত কটোৱাৰ অভিপ্ৰায়হে। আজি কিছুদিনৰ পৰা মন কৰিছে পুতেক-বোৱাৰীয়েকে যেন মাক-দেউতাকক এৰাই চলিব বিচাৰে। দেউতাকে সৰু-সুৰা কথাবোৰ মন-কাণ নিদিলেও নীলাই কিন্তু সকলো কথাই উপলব্ধি কৰে।

ঘৰখনত দুটিকৈ ল'ৰা-বোৱাৰী, নাতি-নাতিনীৰ মাজত থাকিও কেতিয়াবা নীলাৰ ভীষণ অলকশৰীয়া যেন অনুভৱ হয়। টিভি ৰিম'টটো লৈ গোটেই দিনটো চেনেলবোৰ ওলট-পালট কৰাৰ বাহিৰে বেলেগ কাম নাথাকে। মৃগাংক আৰু শশাংকৰ দেউতাক দয়ানন্দ গগৈ অৱসৰপ্ৰাপ্ত শিক্ষক। অঞ্চলটোত তেওঁক সকলোৱে সন্মান কৰে। সেয়েহে তেওঁ বিভিন্ন সামাজিক কাম-কাজৰ লগত জড়িত হৈ থাকিব লগা হয়। কেতিয়াবা নীলাৰ গিৰিয়েকলৈও খং উঠে- ঘৰত অকলে থকা মানুহজনীৰ খবৰ ল'বলৈ যেন সময় নাই। নীলাৰ এনে লাগে গিৰিয়েক দয়ানন্দই স্ব-ইচ্ছাৰে ঘৰৰ বাহিৰত বেছি সময় কটায়। দুকুৰি বছৰে জীৱন অতিবাহিত কৰা মানুহজনক এৰি ঘৰখনত নীলাৰ সোমাই থাকিবৰ মন নাযায়। কিন্তু মানুহজন নিৰলে থাকিবলৈ সময় নাপায়। অৱসৰ লোৱা পিছতো মনটোক ব্যস্ত ৰাখিবলৈ পুনৰ এখন বিদ্যালয়ৰ কণ-কণ শিক্ষাৰ্থীৰ মাজত ব্যস্ত হৈ পৰিল। ব্যস্ততাৰ মাজত পাহৰি থাকিবলৈ যত্ন কৰে জীৱন নামৰ কিতাপখনৰ কেইখিলামান পৃষ্ঠা। যিকিটা পৃষ্ঠাত সন্নিবিষ্ট হৈ থকা বাক্যৰ গাঁথনিয়ে আঘাত কৰে। অন্তঃকোণত, অথচ সেইখন কিতাপেই এসময়ত কিমান মধুৰ আছিল। অলেখ সপোনে যেন সেই কিতাপখন ঠাহ খাই আছিল। এসময়ত ঘৰখনত থাকি যে তেওঁ কিমান ভাল পাছিল। বিদ্যালয়ৰ পৰা আহি সৰু ফুলনিবাৰী আৰু পাচলিবাৰীখনত কাম কৰিছিল। লগে লগে নীলাও গৈ তাত উপস্থিত হৈছিল। নীলা উপস্থিত হোৱাৰ লগে লগে তেওঁৰ বক্তৃতা আৰম্ভ হয়। বাৰীত শাক-পাচলি নষ্ট কৰা কুমজেলেকুৱা, বিছা, জোক, মহ, মাখিৰ পৰা আৰম্ভ কৰি গোবৰ সাৰ, পচন সাৰলৈকে এফালৰ পৰা কৈ যায়। ওচৰতে বহি সামান্য দাঁত বিষাইছে বুলি যদি গালখনত হাতখন, তেতিয়াও প্ৰশ্নোত্তৰ শিতান আৰম্ভ হয় - কি কাৰণে দাঁত বিষ হৈছে, কিয় হৈছে, কিমান বিষাইছে, চাওঁ মুখ খন মেলি দিয়াচোন, যেন, তেওঁ দন্ত চিকিৎসকহে । দয়ানন্দ গগৈয়ে টিভিৰ বাতৰি আৰু পুৱাৰ বাতৰি পঢ়াৰ সময়কণৰ বাহিৰে অনৰ্গল কথা কৈ আছিল। অথচ তেনে এজন ব্যক্তি কিয় হঠাৎ মৌন হৈ পৰিল? চৌবিশ ঘন্টাই কথা কৈ থকা ব্যক্তিজন কিয় ঘৰত থাকি ভাল নোপোৱা হ'ল? নীলাই নিৰিবিলি পৰিৱেশত বহি কথাবোৰ চিন্তা কৰে।

কিয় তেনে হ'ল তেওঁৰ পুত্ৰদ্বয়। কিবা ত্ৰুটি কৰিলে নেকি লালন-পালনত? নে নিদিলে দিবলগীয়া সৎ চিন্তা-চৰ্চা আৰু জ্ঞান । গিৰিয়েকে এইবোৰ কথা চিন্তা নকৰে। তেওঁৰ সময়ৰ টিকনিডাল দ্ৰুতগতিত আগবাঢ়ে সন্মুখৰ ফালে। ৰাতি বিছনাত বাগৰ দিওঁতে দুয়োটা সন্তানৰ কথা নীলাই উলিয়াব খোজে যদিও তেওঁ বেলেগ কথা উলিয়াই পুতেকহঁতৰ কথা তল পেলাই থয়। যুক্তি-অযুক্তিকৰ বহু কথা। যুক্তিৰে কথা ক'লে নীলাই উত্তৰ দিয়ে, কেতিয়াবা মৌন হৈ ৰয়। তেতিয়া গিৰিয়েকে কয় - ইমান মৌন হৈ নাথাকিবাচোন, তুমি দুখ কৰি থাকা কাৰণেহে মই কথা কওঁ।' 'মই দুখ পাওঁ, আপুনি দুখ নাপায়? ইহঁতকিটাৰ কাণ্ড-কাৰখানাই আপোনাক দুখ নিদিয়ে? ডাঙৰ মইনা আমাৰ পৰা আঁতৰি যাব বিচাৰিয়েই আছে। সৰু মইনাৰ ৰেহ-ৰূপ দেখিছেই। আপোনাৰ মোৰ কথা সি অকণো গ্ৰাহ্যই নকৰে।' সি ক'ৰ পৰা কেনেকৈ ইমান টকা উপাৰ্জন কৰে তুমি জানা জানো?" 'কিবা নতুন ব্যৱসায় আৰম্ভ কৰাৰ কথা কৈছে।' 'ক'ত কি ব্যৱসায় আৰম্ভ কৰিছেহে, মই দেখাততো সি একো কৰা নাই। চাবা অকণমান, কথাবোৰ মন-কাণ কৰিবা।' 'মই মন-কাণ কৰি থাকিবলৈ সি এতিয়া সৰু হৈ থকা নাই আৰু মই তাৰ পিচে পিচে ঘুৰি ফুৰিব পাৰিম জানো? আপুনি যদি কিবা বেয়া দেখিছে তাক কৈ দিব।' 'হ'ব দিয়া ক'ম, এতিয়া শুই থাকা । বৰমইনাৰ ঘৰটো প্ৰায় হৈছেই। হোৱাৰ লগে লগে সিও টাউনলৈ যাবগৈ কণমানি দুটাক লৈ গ'লে আমি কেনেকৈ থাকিম সিহঁতহালে বুজি পাইছেনে বাৰু?' 'পালেওতো সিহঁতক তোমাৰ লগত থৈ নাযায়।' 'নাই তেনেকৈ নক'ব।' 'হ'ব দিয়া চিন্তা নকৰিবা তোমাৰ কাষত মই সদায় থাকিম। সিহঁত জন্ম হোৱাৰ আগতেও জানো আমি দুয়ো থকা নাছিলো? বৰং এতিয়াতকৈ ভালকৈহে।' 'সেইবোৰ দিনৰ কথা বেলেগ আছিল। এতিয়া আমাৰ বৃদ্ধকাল। আমাক সকলো সময়তে সাৰথি লাগে।' 'মই হেন ডেকা ল'ৰাটো থাকোতে কি চিন্তা কৰিছা। গগৈয়ে মিচিকীয়া হাঁহি এটা মাৰিলে। নীলাই ক'লে - মনত থকা দিন ধৰি আমি এৰা-এৰি হোৱা নাই। অফিচৰ কামত কেতিয়াবা গুৱাহাটীলৈ গ'লেও মোৰ উৰুঙা উৰুঙা লাগিছিল।' গগৈয়েও ক'লে - তুমি ঠিক কথাই কৈছে, মই দুদিনৰ কাৰণে গৈছিলো যদিও মোৰো কামত মন নবহে।' 'প্ৰেমালাপ বহুত হ'ল নেকি এতিয়া শোৱক।'

পিচদিনা পুৱা সোনকালে নীলাই গা-পা-ধুই পাকঘৰলৈ গ'ল। পুতেক-বোৱাৰীয়েক আৰু নাতি-নাতিনীহালৰ কাৰণে পুৱাৰ জলপানত পৰঠা বনালে। খাঁটি ঘিউৰে পৰঠা বনালে আগতে মৃগাংক আৰু শশাংকই বৰ ভাল পাইছিল। সেয়েহে মাজে মাজে নীলাই পুতেকহঁতে ভাল পোৱা বস্তুবোৰ প্ৰস্তুত কৰে। সেইদিনা কিন্তু বোৱাৰীয়েকে পুৱাৰ আহাৰত পৰঠা দেখি ক'লে - মা, যদি আপুনি এনেকৈ ইহঁতক সদায় পৰঠা খুৱাই থাকে, তেন্তে ইহঁতৰ অভাৰৱেইট হৈ যাব। এইবোৰত বহু কেলৰি থাকে বাবে মৃগাংক আৰু মোৰ কাৰণেও স্বাস্থ্যসন্মত নহয়। মাকে ক'ব খুজিও ৰৈ গ'ল। ধাবাত খাই ফুৰা খাদ্যবোৰ সঠিক কেলৰিযুক্তনে? মাক উদাস হোৱা দেখি মৃগাংকই ক'লে - মা, তুমি বেয়া নাপাবা, আগৰ দিন নাই, আজিকালি মানুহবোৰ নিজৰ স্বাস্থ্য সম্পৰ্কে সচেতন । আজিকালি মানুহৰ জীৱন নিয়মৰ মাজত চলে। আকৌ এবাৰ মৃগাংকই মাকক দিলে। নীলাই ভাবিলে ভাব-অনুভূতি,সুখ-দুখ যদি নিয়মৰ দাস হ'ব লাগে, তেন্তে এনেকুৱা জীৱনৰ মূল্যই বা কি? নিজস্ব মূললৈ নীলাৰ খুব মনত পৰিল। লৰি-ঢাপৰি কাম-বন কৰা, সিহঁতৰ পৰা অকণমান মৰম, সহানুভূতি বিচৰাহে, সিহঁতৰ মনত মাকৰ এই আৱেগ - অনুভূতিবোৰ যেন ঠাই নাই। সম্বন্ধৰ আলসুৱা সূতাডাল যেন ক'ৰবাত গাঁঠি লাগিল। নাতি-নাতিনীহালো নিজৰ নিজৰ জগতত ব্যস্ত। টিভিৰ কাৰ্টুন চেনেলবোৰে ককাক-আইতাকৰ উমাল সান্নিধ্যৰ পৰা আঁতৰাই নিছিল। মিঠা মিঠা মাতেৰে যেতিয়া আইতাকক সিহঁতে খাই ভালপোৱা বস্তু তৈয়াৰ কৰি দিবলৈ জেদ ধৰে, তেতিয়া যেন নীলাই নিজৰ গাঁঠিৰ বিষো পাহৰি ৰান্ধনি ঘৰত ব্যস্ত হৈ পৰে। তেওঁৰ এনেকুৱা লাগিছিল যেন মৃগাংক আৰু শশাংকৰ ল'ৰালিকালহে ঘূৰি আহিছে। সিহঁতৰ স্কুলবেগ, সিহঁতৰ কোঠা ঠিক-ঠাক কৰি দিয়া আদি কাম কৰি দি সিহঁতৰ লগত যেন ব্যস্ততাৰে অকণমান সময় পাৰ কৰাৰ চেষ্টাহে। বোৱাৰীয়েকে বাৰু কিয় নুবুজে নাতিয়েকহঁতৰ লগত পাৰ কৰা সময়কণে তেওঁলোকক কিমান আনন্দ দিয়ে।

কথাবোৰ ভাবি ভাবি মৃগাংকহঁত ওলাই যোৱাৰ পিচত কিমান দেৰি বাহিৰত ৰৈ আছিল নিজেই নাজানে। এনেতে গে'টৰ মুখত গাড়ীৰ হৰ্ণ শুনিলে। শশাংক আৰু তাৰ বন্ধু ৰাজ গে'ট খুলি সোমাই আহিল। সিহঁত দুটাক বহিবলৈ দি ভিতৰলৈ গ'ল। নীলাই ভাবিলে পুতেকে দুপৰীয়া ঘৰলৈ ভাত খাব আহিছে। সেয়েহে তেওঁ লৰালৰিকৈ চাহ দুকাপ কৰি সিহঁতৰ আগত দিলে। দুয়োটাকে মাতি আনি আথে-বেথে ভাত খোৱা টেবুলত বহিবলৈ দি ক'লে - তহঁত দুটা অকণমান বহ, মই ভাজি অকণমান বনাই দুয়োকে ভাত দিম। শশাংকই মাকক নিজৰ কোঠালৈ মাতি নি ক'লে - মা মই ভাত খাবলৈ ঘৰলৈ অহা নাই, অলপ টকাৰ প্ৰয়োজন হোৱাৰ কাৰণেহে তোমাৰ ওচৰলৈ আহিলো।' কিমান লাগে?" বিশ হেজাৰমান।' 'ইমান টকা মই ক'ত পাম? কোনোমতে দেউতাৰৰ পেন্সনৰ টকাখিনিৰে মাহটো চলো। ডাঙৰ মইনা আৰু বোৱাৰীকনো কেনেকৈ ঘৰ চলাবলৈ কওঁ? ককায়েৰৰ পৰাই লচোন।' 'মই তাৰ পৰা টকা বিচাৰিব নোৱাৰো। তোমাক মই আজিহে বিচাৰিছো, তাকো দিবলৈ অপাৰগনে?' মাকে কিবা কোৱাৰ আগতেই শশাংকই ক'লে - মাষ্টৰৰ ঘৰত ক'ৰ পৰা টকা থাকিব? জ্ঞান আৰু নীতিবচন শুনাওঁতেই জীৱন শেষ হ'ল। ভাল কলেজ এখনত পঢ়াবলৈ, দামী কাপোৰ এযোৰ দিবলৈও তোমালোকৰ ক্ষমতা নহ'ল। আনকি ভালকৈ খুৱাবলৈও। দাদাই যেনিবা বৌৰ ঘৰৰ কাৰণে ৰক্ষা পৰিল। মোৰ টকা আছে, কিন্তু আজি বেংক বন্ধ কাৰণে মই টকা উলিয়াব পৰা নাই, মোক হঠাতে পঞ্চাশ হেজাৰমান টকাৰ দৰকাৰ হোৱাৰ বাবেহে তোমাক বিচাৰিলো। নাই যদি মই তোমাৰ লগত সময় নষ্ট কৰি লাভ নাই। শশাংক মাকৰ আগেদিয়ে খং-ক্ষোভত ফাটি কোকোৱাই গুচি গ'ল। নীলাই পুতেকলৈ চাই ৰ'ল এপলক কৰুণ দৃষ্টিৰে। কোন সময়ত দুগালেদি চকুলো বাগৰি আহিছিল ধৰিবই পৰা নাছিল।

হঠাৎ ভিতৰৰ পৰা ভাহি অহা ভূপেন হাজৰিকাৰ গীতৰ শব্দত নীলাই সম্বিৎ ঘূৰাই পালে। সেই সময়ত নীলা আৰু গিৰিয়েকৰ বাহিৰে ঘৰখনত কোনো এটা প্ৰাণী নাই। গান কোনে উচ্চস্বৰত লগালে? নিশ্চয় এয়া গিৰিয়েকৰ কাম। ভিতৰলৈ গৈ দেখে সঁচাকৈ গিৰিয়েকেই ডেকটোত উচ্চ স্বৰত পুৰণি গান বজাইছে। নীলাই ডেকটোৰ ভলিউমটো কমাই দিলে। লগে লগে গিৰিয়েকে কলে - জোৰে দিয়ানা। মোৰ আজি বাহিৰৰ পৰা অহা শব্দবোৰ শুনিবলৈ অকণো মন যোৱা নাই। মই মোৰ আদব-কায়দাত জীয়াই থাকিব বিচাৰো।' নীলাই বুজি পালে যে অলপ আগতে শশাংকই কোৱা হাতুৰি কোবৰ দৰে শব্দবোৰ গিৰিয়েকে শুনিলে। এনে সময়তে দয়ানন্দৰ সহকৰ্মী শিক্ষক ত্ৰিলোচন দত্ত আহিল। নীলাই ভালেই পালে। অন্ততঃ গিৰিয়েকৰ মনটো ভাল লাগিব। শশাংকহঁতৰ কাৰণে যোগাৰ কৰা ভাজি-তৰকাৰিৰে দুয়োকে ভাত দিলে। দুয়োজনে পৰম তৃপ্তিৰে ভাত-পানী খাই নানা ধৰণৰ কথা পাতিলে। আবেলি হোৱা লগে দুয়ো ওলাই গ'ল।

আবেলি চাৰে চাৰিমান বজাত মৃগাংকৰ গাড়ীখন আহি গে'টৰ মুখত ৰোৱা দেখি নীলা আগবাঢ়ি গ'ল। মৃগাংক অকলে অহা দেখি আচৰিত হৈ মাকে সুধিলে - বাবু, টিকলু আৰু বোৱাৰী ক'লৈ গ'ল ? 'আজি আমি নতুন ঘৰতে থাকিম মা' । 'আৰে ঘৰটো নোলোৱাকৈ পোনাহালক লৈ তাত কেনেকৈ থাকিবি?' আজি প্ৰীতিৰ মাক-দেউতাকে ব্ৰাহ্মণ এজন আনি পূজা পাঠ কৰালে। অহা মাহত ভালকৈ ঘৰ লোৱা পাতিম। দুটা ৰুম কমপ্লিট কৰি ল'লো যেতিয়া অসুবিধা নহয়। 'দেউতাৰক নোকোৱাকৈ গ'লে ভাল হ'ব জানো?' 'দেউতাকনো জনা-নজনাৰ কি অৰ্থ আছে। তেওঁ কোনদিনা আমাক সুবিধা কৰি দিব পাৰিছে?' 'বহুত সুবিধা কৰি দিব নোৱাৰিলেও অসুবিধাতো কৰা নাই। তেওঁ যিমান পাৰে সদায় তহঁতক আগবঢ়াই দিবলৈ চেষ্টা কৰে। এতিয়াও তেওঁ তহঁতক ঘৰৰ দায়িত্ব দিয়া নাই।' 'আমাৰ দায়িত্ব তেওঁ পালন কৰিব নালাগে আৰু । পিতৃ হিচাপে তেওঁ বহু দায়িত্ব পালন কৰিবলৈ অপাৰগ হ'ল। বাৰু বাদ দিয়া সেইবোৰ কথাৰ অৰ্থ এতিয়া নাই। আমাৰ কাপোৰ-কানি অলপ নিবলৈহে আহিলো। পাৰিলে দেওবাৰে প্ৰীতিহঁতক এবাৰ আনিম। তুমি চিন্তা কৰি নাথাকিবা।' নীলা শিল পৰা কপৌৰ দৰে একে ঠাইতে থৰ হৈ ৰ'ল। মৃগাংক নিজৰ কোঠালৈ গৈ দুটা ডাঙৰ কাপোৰৰ বেগ লৈ ওলাই আহিল। নীলাৰ বুকুত শোকে খুন্দা মাৰি ধৰিছিল । তথাপি যাবলৈ ওলোৱা বৰ পুত্ৰক সাদৰে ক'লে - ভাত কেইটামান খাই যা বৰমইনা।' 'মোৰ সময় নাই মা, ঘৰলৈ গৈও বজাৰ-সমাৰ কৰিব লাগিব।' নীলাৰ কথা ক'বলৈ মুখৰ পৰা ভাষা হেৰাই গ'ল।

ৰাতি হৈ আহিল। তেতিয়াও গিৰিয়েক দয়ানন্দ গগৈ ঘৰলৈ ঘুৰি অহা নাই। নীলাৰ চিন্তা লাগিছিল। এনেতে গে'টৰ মুখত গাড়ীখন ৰোৱা যেন শুনি বাহিৰলৈ ওলাই আহিল। বুকুখন অজান আশংকাত দুৰু দুৰু কঁপিছিল। নাই সেয়া গিৰিয়েক নহয়, শশাংকই লগত বন্ধু এজনক লৈ গাড়ীৰ পৰা নামি ঘৰালৈ সোমাই আহিল। নীলাই গিৰিয়েকক চাবলৈ গে'টৰ সন্মুখলৈ গ'ল। ইতিমধ্যে নটা বাজিবৰ হ'ল। নীলাৰ বুকুখন চিৰিংকৈ উঠিল। মনৰ দুখতে ক'ৰবাত কিবা... । নাই নীলাই ভাবিব নোৱাৰে। ইমান সময় তেওঁ কেতিয়াও বাহিৰত নাথাকে। সন্ধিয়াতে ঘৰ সোমাই নীলাক পাকঘৰত ইটো-সিটো সহায় কৰি দিয়ে।

মাকক ঘৰত বিচাৰি নাপাই শশাংক বাৰাণ্ডালৈ ওলাই আহি দেখে মাক গে'টৰ মুখত আছে। শশাংক গৈ মাকৰ কাষ পালেগৈ। শশাংকক দেখি নীলা অকণমান আগবাড়ি *১৮পৃষ্ঠাত...*

# সংস্কৃতিৰ সাধক ৰত্নেশ্বৰ মালাকাৰৰ সৈতে যুগবাৰ্তাৰ সাক্ষাৎকাৰ

ধৰ্ম, শিল্প আৰু সংস্কৃতিৰ বৰ্ণিল সমাহাৰেৰে সমৃদ্ধ অসমৰ অন্যতম প্ৰসিদ্ধ স্থান হাজোৰ এজন যুবক জীৱিকাৰ সন্ধানত ঘৰৰ পৰা ওলাই আহিছিল। ঘৰৰ আৰ্থিক দুৰ্দশা দূৰ কৰাৰ লগতে নিজেও স্বাৱলম্বী হোৱাৰ এবুকু সপোন লৈ ওলাই অহা এই যুৱকজনে প্ৰায় এবছৰকাল বিভিন্ন ঠাইত আবেদন-নিবেদন কৰি অৱশেষত ৰেল বিভাগত নিযুক্তি লাভ কৰিলে। ৰেল বিভাগৰ পাণ্ডু আঞ্চলিক কাৰ্যালয়ৰ পৰা ১৯৫২ চনত মেকানিকেল বিভাগত নিয়োজিত হৈ মৰিয়নীলৈ আহে। শৈশৱতে গীত-নৃত্য-অভিনয়ৰ স্বাভাৱিক বিকাশেৰে উদ্ভাসিত হোৱা যুৱকজনে এই মৰিয়নীৰ বুকুত ৰোপণ কৰিলে সংস্কৃতিৰ মহঙা বীজ। ১৬-১৭ বছৰ বয়সতে আত্মীয়-স্বজনক বহু নিলগত এৰি আহি সহকৰ্মী সমবয়সীয়াসকলৰ সৈতে তেখেত অচিৰেই একাত্ম হৈ পৰিল আৰু সকলোৰে মাজত পৰিচিত হ'ল এগৰাকী সাংস্কৃতিক কৰ্মীৰূপে। ছবি দল এটা গঠন কৰি বিহুমঞ্চ পাতি বিহু সন্মিলনৰ আয়োজন কৰাৰে পৰা নাটক, ভাওনা, ৰাস, গুৰুজনাৰ তিথি আদি অনুষ্ঠিত কৰালৈকে সকলোতে নেতৃত্ব দি মৰিয়নীত এক বিৰাট সাংস্কৃতিক আন্দোলন আৰম্ভ কৰিলে। তেখেত আজিও মৰিয়নীৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ সম্ৰাটতুল্য, প্ৰাতঃস্মৰণীয় শিল্পীৰূপে সমাদৃত হৈ আহিছে। তেখেত হ'ল ৰে'লৰে ডেকা শিল্পী সমাজৰ সভাপতি শ্ৰীযুত ৰত্নেশ্বৰ মালাকাৰ। বৰ্তমান তেখেতৰ বয়স ৯৪ বছৰ যদিও এতিয়াও তেখেতে এজন তৰুণ শিল্পীৰ দৰেই বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানত ভাগ লৈ সকলোকে প্ৰেৰণা যোগাই আহিছে। 'যুগবাৰ্তা'ৰ হৈ কেইটামান প্ৰশ্ন লৈ তেখেতৰ ওচৰলৈ আহিছিলোঁ। বিগত প্ৰায় সাতটা দশক কাল সাংস্কৃতিক ক্ষেত্ৰখনত ঢপলিয়াই বহু অভিজ্ঞতা আৰু প্ৰজ্ঞাৰে সমৃদ্ধ হোৱা প্ৰচাৰ বিমুখ অশীতিপৰ শিল্পীগৰাকীয়ে কৈ গ'ল নিজৰ কথাবোৰ।



"তেতিয়াৰ কামৰূপ জিলাৰ হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰৰ সন্মুখৰ বৃহৎ পুখুৰীটোৰ উত্তৰ পাৰৰ জগাইতোলা চুবুৰীত ১৯৩৪ চনত মোৰ জন্ম হয়। পিতৃৰ নাম ভগৱান চন্দ্ৰ মালাকাৰ আৰু মাতৃৰ নাম বতাহী মালাকাৰ। পাঁচজন ককাই-ভাইৰ মাজত মই জ্যেষ্ঠ। হাজোৰ কান্দাৰাম হাইস্কুলত শিক্ষা গ্ৰহণ কৰিছিলোঁ যদিও ঘৰুৱা আৰ্থিক দৈন্যতাৰ বাবে উচ্চ শিক্ষা গ্ৰহণৰ পৰিৱৰ্তে জীৱিকাৰ চিন্তাহে কৰিবলৈ বাধ্য হৈছিলোঁ। শৈশৱৰে পৰা আমি এক সাংস্কৃতিক পৰিৱেশত ডাঙৰ-দীঘল হৈছিলোঁ। ঘৰৰ সমীপতে থকা হয়গ্ৰীৱ মাধৱ মন্দিৰ, পশ্চিম প্ৰান্তত থকা মহাপুৰুষ মাধৱদেৱে স্থাপিত ধোপাগুৰি সত্ৰ, পূব দিশে থকা পোৱামক্কা আদিৰ ধৰ্মীয় আৰু সাংস্কৃতিক পৰিৱেশে আমাৰ শৈশৱ প্ৰভাৱিত কৰিছিল। হিন্দু আৰু মুছলমান শিল্পীসকলে জীয়াই ৰখা পিতল-শিল্প আমাৰ বাবে সাধনা আৰু কৰ্মস্পৃহাৰ প্ৰেৰণা আছিল। আমাৰ শৈশৱকালচোৱাক সৰ্বাধিক আকৰ্ষিত আৰু প্ৰভাৱিত কৰিছিল সেই সময়ৰ অতি জনপ্ৰিয় 'যাত্ৰা'সমূহে। জন্মগত প্ৰতিভাৰে গীত-নৃত্য-অভিনয়ৰ দখল থকা বাবে 'যাত্ৰা' চাবলৈ গৈ এসময়ত যাত্ৰাৰ মঞ্চত জড়িত হোৱাৰ সুযোগ পাইছিলোঁ। এজন ওস্তাদে এদিন আহি পিতৃৰ অনুমতি লৈ 'ত্ৰিশক্তি অপেৰা' নামৰ যাত্ৰা পাৰ্টীটোৰ এজন গীত আৰু নৃত্যৰ শিল্পীৰূপে মোক অন্তৰ্ভুক্ত কৰিছিল। তেতিয়া মই পঞ্চম শ্ৰেণীৰ ছাত্ৰ। ৬-৭ বছৰ একেৰাহে যাত্ৰাত ঘূৰি যথেষ্ট কথা শিকাৰ সুবিধা পাইছিলোঁ। কিন্তু জীৱন আৰু জীৱিকাৰ তাড়নাই সাংস্কৃতিক জগতখনৰ পৰা আঁতৰি আহিবলৈ বাধ্য কৰিলে। কিছুদিন চাকৰিৰ সন্ধানত ঘূৰি-ফুৰি অৱশেষত মৰিয়নী পালোহি। চাকৰিৰ ব্যস্ততাৰ শেষৰ আজৰি সময়বোৰ বহুতেই জুৱা খেলি, মদ-ভাং খাই পাৰ কৰিছিল। তাৰ বিপৰীতে আমি কেইজনমান ৰে'লৰে ইনষ্টিটিউটৰ (ক্লাব) মঞ্চত বহি বহি নাট-ভাওনা, গীত-নৃত্য আদিৰ কথা পাতিছিলোঁ, ৰচন আওৰাইছিলোঁ। এইদৰে আমাৰ মাজত এদল শিল্পী সংগঠিত হৈছিল।"

মৰিয়নীৰ সাংস্কৃতিক জগতৰ এটা পৰিচিত নাম হ'ল- 'ৰেলৰে ডেকা শিল্পী সমাজ'। সমগ্ৰ অসমতে ৰে'ল কৰ্মচাৰীসকলৰ মাজত একালত পৰিচিতি লাভ কৰা এই অনুষ্ঠানটিৰ জন্মৰে পৰা আজিলৈকে জড়িত থকা অন্যতম এগৰাকী শিল্পী হিচাপে এই অনুষ্ঠানটোৰ বিষয়ে কওকচোন বুলি সোধাত মালাকাৰদেৱে পুনৰ ক'বলৈ ধৰিলে- "সেয়া ১৯৫২ চনৰ কথা। ৰে'লৰে ক্লাবত বহুতেই আবেলিৰ পৰা জুৱা, তাচ, ডবা আদি খেলিবলৈ আহি ভিৰ কৰে। তাৰ মাজতে ক্লাবৰ মঞ্চখনত চকী কেইখনমান গোটাই আমি কেইজনমানে সাংস্কৃতিক দিশৰ কথাবোৰ আলোচনা আৰু চৰ্চা কৰোঁ। ইয়াৰ মাজতে ১৯৫৩ চনত বৰ্তমানৰ বাপুজী ষ্টেডিয়ামত ৰে'ল কৰ্মচাৰী, শিক্ষক, বাগিচাৰ কৰ্মচাৰী আদিৰ উমৈহতীয়া চেষ্টাত মৰিয়নীৰ প্ৰথমখন মঞ্চবিহুৰ আয়োজন কৰা হয়। ইয়াৰ পাছত ১৯৫৪ চনত ৰে'লৰে ক্লাবৰ সমীপত ৰে'ল কৰ্মচাৰীসকলে নিজস্বভাৱে মঞ্চ সাজি বিহু সন্মিলন আৰম্ভ কৰিলোঁ। এইদৰে 'ৰেলৰে ডেকা শিল্পী সমাজ' গঠন কৰি প্ৰতি বছৰে বিহু, শংকৰদেৱৰ তিথি, নাটক আদিৰ আয়োজন কৰিবলৈ ল'লোঁ। এইবোৰ কাৰ্যসূচীত সৰুৰে পৰা ডাঙৰলৈ বহু সংস্কৃতিবান লোক জড়িত হৈছিল। ৰে'ল-কৰ্মচাৰীৰ উপৰিও মৰিয়নীৰ আশে-পাশে থকা বিভিন্ন অঞ্চলৰ বহু শিল্পীয়ে এইবোৰ অনুষ্ঠানত ভাগ লৈ সহায় কৰিছিল। দুৰ্গা পূজাত শিল্পী সমাজৰ নাটকৰ পৰিকল্পনা, পৰিচালনা, নিৰ্দেশনা আদিৰ দায়িত্ব মোৰ ওপৰতেই পৰিছিল। তাৰোপৰি পোহৰ, সংগীত, মঞ্চসজ্জা আদি বিষয়বোৰ তদাৰক কৰিছিলোঁ। মুঠতে নাটক এখন মঞ্চস্থ কৰাৰ ক্ষেত্ৰত আমি কৰ্মীৰূপেহে কাম কৰিছিলোঁ। সকলো দিশতে চকু দি হাতে-কামে কৰিবলগীয়া হৈছিল। ডেকা শিল্পী সমাজে মঞ্চায়ন কৰা উল্লেখযোগ্য কেইখনমান নাটক আহিছিল- বিপ্লৱী, পিয়লি ফুকন, বক্ষকুমাৰ, মণিৰাম দেৱান, ছত্ৰপতি শিৱাজী, কনৌজ কুঁৱৰী, ৰুক্মিণী হৰণ, পৰশুৰাম, তাজৰ ৰচনা, দাৰা, কাশ্মিৰ কুমাৰী, বৰ মানুহৰ দোলা, কিয়, শকুনিৰ প্ৰতিশোধ, কুৰুক্ষেত্ৰ, জাল, ৰাজ নৰ্তকী, চাণক্য, চম্বলৰ অভিশাপ, স্বামীৰ স্বৰ ইত্যাদি সামাজিক, ঐতিহাসিক, ধৰ্মমূলক আদি বিষয়ৰ পূৰ্ণাঙ্গ নাটক। লগতে বিভিন্ন সময়ত একাংকিকা আৰু ধেমেলীয়া নাটকো মঞ্চায়ন কৰা হৈছিল। এইবোৰৰ মাজত কেইবাখনো অনুবাদ নাটক আছিল। এনেতে অনুবাদ নাটকৰ পৰিৱৰ্তে সম্পূৰ্ণ অসমীয়া নাটকহে মঞ্চস্থ কৰিব লাগে বুলি সৰৱ চৰ্চা আৰম্ভ হোৱাৰ পাছত উপযুক্ত নাটকৰ অভাৱে দেখা দিছিল। সেই সময়তে সদৌ অসম ভিত্তিত ক্লাবত একোখন পূৰ্ণাঙ্গ নাট মঞ্চস্থ কৰাটো অন্যতম বিশেষ কাৰ্যসূচী আছিল। পৰৱৰ্তী সময়ত শিল্পী সমাজে পঞ্চাশখনৰো অধিক নাটক মঞ্চস্থ কৰিছিলোঁ। সদৌ অসম ভিত্তিত একাংক নাট প্ৰতিযোগিতা একেৰাহে ২৫ বছৰ আয়োজন কৰাটোও শিল্পী সমাজৰ অন্যতম অৱদান আছিল।

শিল্পী সমাজৰ উপৰিও আপুনি কি কি সামাজিক অনুষ্ঠানৰ সৈতে জড়িত?

ইয়াৰ উত্তৰত তেখেতে কৈছিল- "শ্ৰী শ্ৰী শংকৰদেৱ কীৰ্তনঘৰত ভাওনা, ৰাস আদি আয়োজনত আগভাগ লৈছিলোঁ। এতিয়াও কীৰ্তনঘৰৰ সৈতে জড়িত আছোঁ। একেদৰে অন্যান্য নামঘৰসমূহ, বিভিন্ন ক্লাৱ, কিংশুক চ'ৰা, জাগৃতি সংঘ আদিৰ সেতেও জড়িত হৈ আছোঁ।

আপুনি এই পৰ্যন্ত কোনো বঁটা-সন্মান আদি লাভ কৰিছে নেকি বুলি সোধাত স্বভাৱ শিল্পী, আজন্ম সাংস্কৃতিক সাধক মালাকাৰদেৱে কয় "আমি শিল্প চৰ্চা কোনো বঁটা-বাহন আদিৰ বাবে কৰা নাছিলোঁ। আমাৰ একোটা সাংস্কৃতিক মন আছিল। আজৰি সময় কটাবলৈ একো আন উপায় নাছিল। বাইজৰো মনোৰঞ্জনৰ সুবিধা নাছিল। নাছিল অসমীয়া সংস্কৃতি চৰ্চাৰ এখন মঞ্চ। এইবোৰ চিন্তা কৰি আমি উঠি পৰি লাগিছিলোঁ। অসমীয়া ভাষা-সংস্কৃতিৰ বিদ্বেষী এচাম বঙালীলোকে আমাক বাধা দিয়াৰ চেষ্টা কৰি ব্যৰ্থ হৈছিল। শিল্পী সমাজৰ সৈতে মোক মাৰিবলৈ গঢ় দিয়া বঙালী সংগঠনবোৰ টিকি নাথাকিল, জিলিকি থাকিল ৰে'লৰে ডেকা শিল্পী সমাজ। অৱশ্যে সকলো বঙালীলোকেই বিদ্বেষী নাছিল। শিল্পী সমাজৰ সৈতে বহু বঙালীলোক জড়িত আছিল, এতিয়াও আছে। আমি কাম কৰি গৈছিলোঁ আৰু কেতিয়াও বঁটা-সন্মান আদিৰ কথা ভবা নাছিলোঁ। তথাপি আমি এতিয়ালৈকে কুৰিটাৰো অধিক সংগঠন-অনুষ্ঠান আদিৰ পৰা ৰাজহুৱা সম্বৰ্দ্ধনা, মানপত্ৰ আদি পাইছোঁ। স্থানীয় চৰকাৰী প্ৰশাসন, শাখা সাহিত্য সভা, ৫ পৃষ্ঠাত...

## প্ৰতিভা

### শংকৰী কলা-কৃষ্টিৰ উজ্জ্বল নক্ষত্ৰ উজ্জ্বল কুমাৰ দত্ত



জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ অনবদ্য সৃষ্টি ভাওনা সংস্কৃতিত নিজকে চিনাকি দিবলৈ সক্ষম হৈছে যোৰহাটৰ সংস্কৃতিৱান ব্যক্তি উজ্জ্বল কুমাৰ দত্তই। সৰুৰে পৰা মাতৃভাষাৰ ভাওনাৰ লগতে জড়িত হৈ বৰ্তমান সময়লৈকে ভাওনাক জনপ্ৰিয় কৰাৰ এজন অন্যতম আগশাৰীৰ ব্যক্তি। মালৌ আলি কমলাবৰীয়া গাঁৱৰ সৰবৰাহী বায়ন প্ৰয়াত পুতলা দত্তৰ ওচৰত খোলৰ প্ৰাৰম্ভিক শিক্ষা গ্ৰহণ কৰি পিছৰ পৰ্যায়ত স্বনামধন্য প্ৰয়াত ৰামেশ্বৰ শইকীয়া বৰবায়নদেৱ আৰু শ্ৰদ্ধাৰ শ্ৰীযুত টংকেশ্বৰ বৰবায়নদেৱৰ সান্নিধ্য লাভ কৰি প্ৰায় ৪০০ৰো অধিক ভাওনাত বায়ন হিচাপে নাট পৰিচালনা কৰিছিল আৰু বিভিন্ন ভাওনা প্ৰতিযোগিতাত ১৫ বাৰতকৈ অধিক শ্ৰেষ্ঠ বায়নৰ পুৰস্কাৰ লাভ কৰিছিল। তেখেত একাধাৰে এজন বায়ন, গায়ন, নাট পৰিচালক আৰু দক্ষ ভাৱৰীয়া। সাম্প্ৰতিক সময়ত অসমত জনপ্ৰিয় হৈ পৰা মাতৃভাষাৰ ভাওনা প্ৰতিযোগিতাত শ্ৰেষ্ঠ ভাৱৰীয়া আৰু বহুবাৰ শ্ৰেষ্ঠ নাৰদৰ সন্মান লাভ কৰিছে। ২০১৬ বৰ্ষত মাজুলীৰ শ্ৰীশ্ৰী আউনীআটি সত্ৰৰ সৌজন্যত মণিকাঞ্চন বঙ্গক্ষেত্ৰত অনুস্থিত হোৱা ভাওনা প্ৰতিযোগিতাত ভাওনাৰ সৰ্বশ্ৰেষ্ঠ পুৰস্কাৰ ভাওনা মহীয়ান বঁটা লাভ কৰে। উল্লেখযোগ্য যে উজ্জ্বল কুমাৰ দত্ত এজন প্ৰাক্তন সুদক্ষ বিহুৱা। অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত যোৰহাটৰ সাংস্কৃতিক অনুষ্ঠান অংকুৰ কলা কৃষ্টি কেন্দ্ৰৰ হৈ বিহু প্ৰদৰ্শণ কৰি সুখ্যাতি অৰ্জন কৰিছিল। বিহু আৰু দিহানামৰ এজন জনপ্ৰিয় বিচাৰক মালৌ আলি শান্তিপুৰ নিবাসী উজ্জ্বল কুমাৰ দত্তৰ সাংস্কৃতিক জীৱন অধিক উজ্জ্বল আৰু দীৰ্ঘায়ু কামনা কৰিলো।

# ছক্ৰেটিছৰ দেশত এসপ্তাহ

(যোৱা খণ্ডৰ পাছৰপৰা)

❑ অমিয়া ভট্টাচাৰ্য বৰুৱা

(চেণ্ট'ৰিনীত দুৰাতি)

ডেল্‌ফিৰ পৰা আমি KTEL FOKIDOS ৰ বাচেৰে আবেলি দুটা বজাত এথেন্সলৈ ৰাওনা হ'লো, কাৰণ এথেন্সৰ পৰাহে আমি চেণ্ট'ৰিনীলৈ জলপথেৰে যাবৰ বাবে অগ্ৰীম টিকট লৈ থৈছিলো। এথেন্সত আমি আগতে নিৰ্দিষ্ট কৰি থোৱা মতেই এটা নতুন



এপাৰ্টমেণ্টত নামিলোহি। গৃহকৰ্ত্তাই আমাক ঘৰলৈ আগবঢ়াই আনি আমাৰ প্ৰয়োজন হ'ব পৰা সকলো সা-সজুলি দেখুৱাই দিলে। ইয়াতো নিজে ৰান্ধি-বাঢ়ি খাব পৰা সকলো সুবিধাই আছে। তিনিখন বিচনাৰে সৈতে সুন্দৰ এটা পৰিপাটি ঘৰ। ইয়াতেই আমি ভ্ৰমনত অপৰিষ্কাৰ হৈ পৰা আমাৰ কিছু কাপোৰ-কানি কাপোৰ ধোৱা মেচিনত ধুই লওঁ। ৰন্ধা ঘৰটো অত্যাধুনিক আচবাবেৰে পৰিপূৰ্ণ, বিভিন্ন ধৰণেৰে চাহ আৰু কফি বনোৱাৰ সামগ্ৰী, বিস্কুট, বিভিন্ন মচলা, ফলমূল, চিজ, মাখন আদিৰে ভৰপূৰ। কিন্তু আমি তাত দুই এটা ফলমূল আৰু চাহ একাপ খোৱাৰ বাহিৰে একো নাখালো। আমাৰ ভাগৰ লাগিছিল গতিকে ভাৰতীয় হোটেলৰ পৰাই ৰুধু আৰু লোপাই আনি দিয়া আহাৰকে খাই ৰাতিৰ বাবে জিৰণি ললো। এইদৰেই আমি এথেন্সত ১৪ এপ্ৰিলৰ দিনটো সমাপ্ত কৰিলো। পিচদিনা ৰাতিপুৱা ৮ টা বজাত আমি আটাইতকৈ উদগ্ৰীৱ হৈ থকা ঠাইখনৰ যাত্ৰাটোলৈ প্ৰস্তুত হ'লো। চেণ্টৰিনী, প্ৰকৃতিয়ে সৃষ্টি কৰা এখন মনোৰম ঠাই। এই ঠাই ইজিয়ান উপসাগৰৰ পাৰৰ এথেন্স আৰু কৃত দ্বীপৰ মধ্যস্থানত অৱস্থিত। ই চাইক্লেডছ দ্বীপপুঞ্জৰ এটা ভাগ। সাধাৰণতে এই ঠাইলৈ পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰা বহু নৱবিবাহিত মধুচন্দ্ৰিকা যাপনৰ বাবে আহে। এইবাৰ আমি সমুদ্ৰ যাত্ৰা কৰিলো চেণ্ট'ৰিনীলৈ, বিশাল জাহাজ 'Blue Star Ferries Delos'ত। আগতীয়াকৈ টিকেট কটা মতেই আমি নিজৰ নিজৰ আসন গ্ৰহণ কৰিলো। ফেৰীখনত সাত, আঠটা মান মহল আছে। আমাৰ যাত্ৰা আৰম্ভ হ'ল। খোৱা-বোৱাৰ কোনো অসুবিধা নাই, পচণ্ড মতে যিকোনো কিবা এবিধ খাদ্য গ্ৰহণ কৰিব পাৰি। দামহে যথেষ্ট বেছি। ফেৰীখনত বেছি ভাগ লোকেই টিকট হে লৈছে কিন্তু আসনসমূহ বুক কৰি থোৱা নাই। চকী, চেবুল. চোফাৰে গোটেই ফেৰীখন সুসজ্জিত - য'তে ত'তে বহি যাত্ৰীসকলে আৰাম কৰিছে, খাইছে, শুইছে। সামুদ্ৰিক যাত্ৰা - সাগৰৰ সীমাহীন ৰূপ পান কৰিবলৈ আমি চাৰিওজনেই ডেকলৈ উঠি গলো। কি যে অপৰূপ দৃশ্য, নেদেখিলে বুজিব নোৱাৰি। ইজিয়ান উপসাগৰৰ মাজে মাজে "নিলীম সলিল ৰাশি বাধাহীন উৰ্ম্মিমালা আছে দূৰ দিগন্ত বিয়াপি।" - সঁচাই কবি দেৱকান্তৰ এই সাগৰ বৰ্ণনাৰ চাক্ষুস দৰ্শন। কি মোহনীয়! কবিয়ে কবিতাত বৰ্ণোৱা সাগৰৰ ছবিখনে প্ৰাণৱন্ত হৈ আমাক লৈ গৈছে ইজিয়ান উপসাগৰৰ দ্বীপ এথেন্সৰ পৰা চেণ্ট'ৰিনীলৈ। বাটত আহোতে আমি পাৰছ, নাকছোচ আদি কেইবাটাও বন্দৰ অতিক্ৰম কৰি আহিছো, যাত্ৰীসকলৰ বহুতো সেই বন্দৰবোৰত নমা দেখিছো। জাহাজখনৰ পৰা কিমান মানুহ উঠিছে নামিছে, কিমান সৰু, ডাঙৰ গাড়ী জাহাজখনে বুকুত লৈ আহিছে সাগৰৰ নীলা পানী ফালি ফালি! পৃথিৱীৰ বিভিন্ন দেশৰ শ শ মানুহ কোনোবা আহিছে নেদেখা দেশ চাবলৈ, কোনোবা আহিছে জীৱিকাৰ তাড়নাত। উদ্দেশ্য বেলেগ বেলেগ হলেও যাত্ৰা একেবোৰ ঠাইলৈকে। দেখিলে ভবিবই নোৱাৰি ইমানবোৰ মানুহ জাহাজখনতে আহিলনে! কোনো মানুহৰ কালৈকো চাবলৈ সময় নাই, কোনে কি পিন্ধিছে, কি খাইছে তালৈ কাৰো খবৰ নাই। এইয়া আমাৰ দেশৰ মানুহৰ মনৰহে দুৰ্বলতা। এওঁলোক কৰ্মী মানুহ, কাম শ্ৰদ্ধা সহকাৰে কৰে। জাহাজতো ছোৱালীক কাম কৰা দেখিলো। ইমান ভাল লাগিল, নাৰী হিচাপে বুকুখন গৰ্বৰে ভৰি পৰিল, লাগে গ্ৰীক বালিকাই হওক। সেইদিনা আমি গ্ৰীচৰ সময় মতে ২-০০ বজাত জাহাজৰ পৰা নামিলো। তাৰ পৰাই এখন গাড়ীৰে আমি কেইবাটাও পৰিয়াল চেণ্ট'ৰিনীলৈ যাত্ৰা কৰিলো। পাহাৰৰ দাতিয়ে দাতিয়ে ঠেক ৰাস্তাৰে আমাৰ গাড়ী আগবাঢ়ি গ'ল। এফালে সাগৰ আনফালে পাহাৰ। কি সুন্দৰ পৰিৱেশ। বন্দৰৰ পৰা লৈ অহা গাড়ীখনৰ দুজন চালক আছিল, এজন গ্ৰীক আৰু আনজন পাকিস্তানী। পাকিস্তানী চালকজন দহ বছৰ চেণ্ট'ৰিনীতেই আছে। বাক বিনিময়ত তেওঁ তেওঁৰ জীৱন সংগ্ৰাম, চেণ্টি'ৰিনীৰ জীৱনশৈলীৰ ওপৰত বহু কথাই ক'লে। তেওঁৰ নাম আছিল জাহিদ খুৰছিদ, মাতে 'বিলাল' বুলি। ৩-৩০ বজাত তেওঁলোকে আমাক চেণ্ট'ৰিনীৰ অ'য়া (Oia) টাউনৰ আমি আগতে বন্দোবস্ত কৰি থোৱা 'Fileria Suites' নামৰ হোটেলৰ আগত নমাই দিলেহি। পিছদিনা চেণ্ট'ৰিনী ঘূৰিবৰ বাবে আমি বিলালকে মাতি পঠিয়ালো। সেইদিনা আবেলি লোপা, ৰুধু আৰু মই ওলাই গ'লো চেণ্ট'ৰিনীৰ সূৰ্য্য ডুবা চাবলৈ। ড° বৰুৱা নগ'ল। দীঘলীয়া যাত্ৰাই ভাগৰুৱা কৰাৰ বাবে সেইবেলা জিৰণি ল'লে। ৰাতিৰ আন্ধাৰত সূৰ্য্যাস্ত চাবলৈ বহু মানুহৰ সমাগম হ'ল। এক অপূৰ্ব দৃশ্য। ঠেক ৰাস্তা, শিলেৰে বন্ধোৱা, কাষত ৰেলিং আছে। ৰাস্তাৰ দুয়োফালে বিভিন্ন সম্ভাৰেৰে পৰিপূৰ্ণ দোকান। পৰ্য্যতকক আকৰ্ষণ কৰাৰ পূৰ্ণ প্ৰচেষ্টা। এইটো খোজকঢ়া পথহে। অ'য়ালৈকেহে গাড়ী আহে, ওপৰলৈ নাযায়। ৰাস্তাটো খুব ঠেক, পৰিষ্কাৰ, মাজে মাজে মানুহে সৰা-মোচা দেখিবলৈ পালো - ক'তো ধুলি অকণো দেখিবলৈ নাই।

চেণ্ট'ৰিনী শব্দটো Santa আৰু Irini নামৰ দুটা শব্দৰ পৰা আহিছে। এই শব্দ দুটা Santa Irene ৰ পৰা আহিছে বুলিও জনা যায়। ইয়াৰ আগৰ নাম আছিল Kalliste, ইয়াৰ অৰ্থ বৰ সুন্দৰ ঠাই। চেণ্ট'ৰিনীক থেৰা বা থিৰা নামেৰেও জনা যায়। খৃঃ পূঃ ১৬ শতিকাত আগ্নেয়গিৰি উদ্‌গীৰণৰ ফলত এই নগৰৰ সৃষ্টি হ'ল। ই গ্ৰীচৰ মূল ভূ-ভাগৰ পৰা ২০০ কিঃমিঃ আঁতৰত। ইয়াৰ চাৰিওফালে আগ্নেয়গিৰিৰ পৰা নিৰ্গত হোৱা ক'লা আৰু ৰঙা শিল সিঁচৰিত হৈ আছে আৰু ওচৰে-পাজৰে কেইবাটাও আগ্নেয়গিৰি এতিয়াও জীৱন্ত অৱস্থাত আছে।



চহৰখন অতি সুন্দৰ। এফালে নীলা সাগৰ, পাৰত বগা বগা দেৱাল আৰু নীলা গম্বুজেৰে সৈতে অৰ্দ্ধবৃত্তাকাৰ ঘৰবোৰে সোণত সুৱগা চৰাইছে। ৰাতিৰ দৃশ্য অপৰূপ। বগা ক'লা শিলৰ মিশ্ৰণেৰে সুন্দৰকৈ ঘৰবোৰ সজাই থোৱা আছে। এই ঘৰবোৰত খিৰিকি কম, খিৰিকি থাকিলেও খোলাৰ ব্যৱস্থা নাই। প্ৰথমতে বতাহ চলাচলত বাধা হ'ব বুলি ভাবিছিলো। কিন্তু গম পালো ইয়াৰ ঘৰবোৰ পাহাৰ কাটি সজা। শিলবোৰ জ্বালামুখীৰ শিল। গতিকে এই শিলৰ মাজেৰে



বতাহ চলাচল কৰে, ঋতু অনুযায়ী ই সুখদায়ক হয়।

ইয়াত বহুত গিৰ্জা ঘৰ আছে। পৰিৱেশ শান্ত, সমাহিত, অথচ নিৰলঙ্কাৰ। বেছিভাগ বাসিন্দাই খৃষ্টান, গিৰ্জাবোৰ লোকসংস্কৃতিৰ ধ্বজাবাহক। কেইবাখনো বিয়াৰ দৰা-কইনা আমি দেখিবলৈ পালো। আমি হোটেল সোমাওঁতে হোটেল কৰ্মচাৰীয়ে আঙুৰৰ পৰা তৈয়াৰী মিঠা ওৱাইন আৰু ডাৰ্ক চকোলেটেৰে আমাক স্বাগতম জনাইছিল। পৰ্য্যতকক এনেদৰেই স্বাগত জনায়। ধৰা-বন্ধা নহয়, খাবলৈ ইচ্ছা নকৰিলে, জোৰ নকৰে। এওঁলোকৰ অতিথিপৰায়ণতা নিৰহ-নিপানি।

বিলালৰ গাড়ীতে আমি ২৬ এপ্ৰিলত চেণ্ট'ৰিনী ভ্ৰমণ কৰিবলৈ ওলালো। চেণ্ট'ৰিনীৰ দুখন প্ৰধান নগৰ ফিৰা (Fira) আৰু অ'য়া (Oia)। চেণ্ট'ৰিনীৰ গঠন অৰ্দ্ধ চন্দ্ৰাকৃতিৰ, ইয়াক বহুতো সৰু সৰু দ্বীপে আবৰি ৰাখিছে। আগ্নেয়গিৰিয়ে সৃষ্টি কৰা পৃথিৱীৰ বৃহৎ গহ্বৰ (Caldera) ইয়াতেই আছে। আগতে চেণ্ট'ৰিনী এটা দ্বীপ মাত্ৰ আছিল। ইয়াৰ নাম আছিল Stroggyli (round shape)। খৃঃপূঃ ১৬১৩ ৰ আগ্নেয়গিৰিৰ উদ্‌গীৰণে এই Stroggyli দ্বীপক সাগৰৰ মাজত সুমাই পেলালে আৰু এতিয়াৰ বৃহৎ গহ্বৰৰ সৃষ্টি কৰিলে। এফালে স্ফটিক সদৃশ সাগৰৰ সলিল ৰাশি, ক'লা-বগা শিলেৰে ভৰা আকৰ্ষণীয় সাগৰৰ তীৰ, পুৰাতাত্বিক মিউজিয়াম, আগ্নেয়গিৰিয়ে সৃষ্টি কৰা ৰঙামাটি, জৈবিক সাৰেৰে প্ৰস্তুত কৰা ফলমূল আৰু খাদ্যই মানুহৰ মন টানি নিয়ে। বহু পৰ্য্যটকে গহ্বৰত সাগৰীয় বতাহ লৈ আৰাম কৰা দৃশ্য আমি দেখিবলৈ পালো। ইয়াত ৰেড বিচ্ছ, ব্লেক বিচ্ছ আৰু বিচ্ছ পৰিছাৰৈ আমি গ'লো। খেজুৰৰ পাতেৰে অলংকৃত কৰি ৰখা সাগৰৰ তীৰৰ এই বিচ্ছবোৰলৈ বহু মানুহৰ সমাগম ঘটিছে। খোৱা-বোৱাৰ সকলো ব্যৱস্থা আছে। মাত্ৰ টকাহে লাগে। জীৱনৰ কঠিন সংগ্ৰামৰ পৰা আঁতৰি প্ৰকৃতিৰ বুকুলৈ মানুহ ঢাপলি মেলিছে শান্তি বিচাৰি। Plato ৰ কথা কেইষাৰ মনলৈ আহিল 'Go back to nature.' গ্ৰীচবাসীয়ে প্ৰকৃতিক শ্ৰদ্ধা কৰে। সুন্দৰকৈ ৰাখে, সময়ত তাৰ বুকুতে জিৰণি লয়। ইয়ালৈ পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰা পৰ্য্যতক আহে এপ্ৰিলৰ পৰা নৱেম্বৰলৈ। তেওঁলোকে পৰ্য্যতকৰ বাবে উৎকণ্ঠাৰে বাট চাই থাকে। কাৰণ এইয়া তেওঁলোকৰ প্ৰধান উপজীৱ্য। দ্বিতীয়তে ইয়াত বহুত আঙুৰৰ খেতি দেখিলো। আঙুৰৰ পৰা তৈয়াৰী 'ৱাইন' পৃথিৱী বিখ্যাত। অলিভ আৰু আঙুৰ যথেষ্ট কৰে। আঙুৰৰ গছবোৰ চাপৰ, বতাহৰ বাবে ওখ হ'বলৈ নিদিয়ে।

ইয়াত আক্ৰাটিৰি মিউজিয়াম আছে। আক্ৰাটিৰিত প্ৰাচীন কালত মিনোৱান সকলে বাস কৰিছিল। উচ্চ শিখৰত অৱতীৰ্ণ হোৱা এই সভ্যতাও এদিন ধ্বংস হ'ল। আক্ৰাটিৰি ১৪ পৃষ্ঠাত...

১ পৃষ্ঠাৰ পৰা

# দেওঘৰ

যোৰহাট নগৰৰ পৰা প্ৰায় ১২ কিলোমিটাৰ নিলগৰ তিতাবৰৰ ৰঙাজানত দেওঘৰ বা দেওথানভাগ স্থাপিত হৈছিল। ১৭৮৯ খ্ৰীষ্টাব্দৰ জেঠ মাহত থানভাগি প্ৰথমে নিৰ্মাণ কৰিবলৈ লয় খেৰ, বাঁহ আৰু কাঠেৰে। প্ৰথমে গাঁওখনত ছয় কুৰিঘৰ চাউদাং ফৈদৰ লোক আহি থাকিবলৈ লয়। ইয়াৰ কেইঘৰমান উজনিৰ ফালে ঘৰ সাজি থাকিবলৈ লয়। এই চাউদাং ফৈদৰ লোকসকল কেনেকৈ ক'ৰ পৰা আহিল ইয়াৰ ইতিহাস বিচাৰি পোৱা নাযায়।

আহোম স্বৰ্গদেউসকলৰ নীতি-নিয়মানুসাৰে বিভিন্ন বলি বিধানেৰে এই দেওথানতে পূজা-অৰ্চনা দি ৰাইজৰ দুখ-দুৰ্গতি, অপায়-অমংগল দূৰ কৰিছিল। দেওঘৰৰ বিশেষত্ব হ'ল এই যে ইয়াৰ পূব দিশত ভগৱানৰ দশ অৱতাৰৰ "কুৰ্ম অৱতাৰ"ভাগিত মূৰ্ত্তিৰে নিৰ্মিত আকাৰত স্থাপিত হৈ আছে। ইয়াত কোনো মহাপুৰুষৰ শ্ৰীমন্ত শংকৰদেৱৰ অৰ্হিৰ সপ্ত বৈকুণ্ঠ আসন স্থাপন হোৱা দেখিবলৈ পোৱা নাযায়। অতীত কালৰ পৰা "কুৰ্ম আকৃতি"ত এইভাগ আজিও বিৰাজমান হৈ আছে।

যোৰহাট তিতাবৰ সংযোগী গঁড় আলিৰ কাষত ৰঙাজানত স্থাপিত দেওঘৰভাগৰ কাষেদি ব্ৰিটিছৰ দিনত যোৰহাট জে পি আৰ ৰেল লাইন আছিল। এই ৰেল লাইন গঁড় আলিৰ কাষেদি তিতাবৰৰ পৰা যোৰহাট ককিলামুখ নিমাতিঘাটলৈকে বিস্তাৰিত হৈ আছিল।

ৰঙাজানত আছিল ৰঙাজান ষ্টেচন। এই ৰেল লাইনত এখন সৰু ৰেলগাড়ী চলাচল কৰিছিল। বৃটিছসকলে এই ৰেলগাড়ীখন বিশেষকৈ চাহপাত নিয়াৰ কাৰণে ব্যৱহাৰ কৰিছিল। কিয়নো, তিতাবৰৰ ৰঙাজান, ঢলি, বোকাহোলা, খৰিকটীয়া আদি অঞ্চল চাহ বাগানেৰে পৰিবেষ্টিত আছিল। এনেদৰে বাগিচাসমূহৰ পৰা চাহপাত সংগ্ৰহ কৰি বৃটিছসকলে এই ৰেলগাড়ীখনৰ জৰিয়তে ককিলামুখ, নিমাটিঘাটলৈ চাহপাত নিছিল। বৃটিছসকলে এই ৰেল লাইনেদি চাহপাত লৈ ৰেলগাড়ী চলাচল কৰোঁতে দেওঘৰৰ সমীপত যথেষ্ট সমস্যাৰ সন্মুখীন হৈছিল। অঞ্চলটোৰ পূৰ্বপুৰুষসকলৰ পৰা কথিত মতে দেওঘৰৰ সমীপত আপোনা আপুনি ৰেলগাড়ীৰ গতি মন্থৰ হৈ গৈছিল, ৰেলগাড়ীৰ ইঞ্জিনৰ পৰা দবা এৰি গৈছিল, আনকি দবা বাগৰিও গৈছিল। এনেদৰে অনেক বাধাৰ সন্মুখীন হৈ বৃটিছসকলে তেওঁলোকৰ চিপাহীৰ দ্বাৰা দেওঘৰৰ চৌহদত আৰু বৃহৎ বৃক্ষত গোলাবৰ্ষণ কৰিছিল। তেওঁলোকে ভাবিছিল এইয়া কোনো দুস্কৃতিকাৰীৰ কাম। তৎসত্বেও বৃটিছসকলৰ বাধা আঁতৰ নোহোৱাত দেওঘৰৰ লগত জড়িত বয়োবৃদ্ধ ব্যক্তি ৰত্নেশ্বৰ দুৱৰা, থুলাই মুৰীয়া, ধেনু গুধাকে ধৰি কেইবাজনৰ লগত আলোচনা কৰি দেওঘৰত পূজা অৰ্চনা আগবঢ়োৱাত বৃটিছসকলৰ সমস্যা সমাধান হৈছিল। ১৯৪৩ চনত জে পি আৰ উঠি যোৱাত পথটো গঁড় আলিলৈ ৰূপান্তৰ হ'ল। তদুপৰি সেই সময়ত পৰ্বত ভৈয়ামৰ বাসিন্দাসকলৰ মাজত এক সমন্বয় গঢ়ি উঠিছিল। সেই সময়ত ৰঙাজান বুধবৰীয়া নামেৰে এখন বিখ্যাত বজাৰ বহিছিল আৰু এই বজাৰখনত নগা ভাই-বন্ধুসকলে পাহাৰৰ পৰা আলু-কচু, আদা-জলকীয়া আদি আনি বজাৰত বিক্ৰী কৰি বজাৰৰ পৰা চাউল, নিমখ আদি নিত্যপ্ৰয়োজনীয় সামগ্ৰী কিনি নিছিল। সেই সময়ত পৰ্বত ভৈয়ামৰ মাজত যি সম্বন্ধ আছিল আজি কিন্তু সেই সম্বন্ধত আউল লগা দেখা যায়।

দেওঘৰভাগি অতীজত আছিল জয়াল। প্ৰকাণ্ড প্ৰকাণ্ড বৃক্ষ লতাৰ মাজত আছিল এই দেওঘৰ বা দেওথানভাগ। তদুপৰি বাঘ, সাপ, বিবিধ চৰাইৰ বাসস্থান আছিল জংঘলত। দিন দুপৰতে কোনো লোকে দেওঘৰত প্ৰৱেশ কৰিবলৈ সাহস কৰিব পৰা নাছিল। ৰঙাজান নৈনে চাউদাং গাঁৱৰ ৰাইজে প্ৰতি বছৰে দেওঘৰত দুভাগ পূজা পাতে। এভাগ আহোম পৰম্পৰা অনুসৰি বলি-বিধানেৰে দেৱতাসকলক পূজা অৰ্চনা দিছিল আৰু বাকীভাগ পানীতোলা সবাহ। দুয়োভাগ পূজা ৰাতি অনুষ্ঠিত কৰিছিল যদিও বৰ্ত্তমান দিনতহে অনুষ্ঠিত হয়। আহোম যুগৰ পৰা বিদ্যমান এই থানভাগি কোনে কোনে কেতিয়া প্ৰতিষ্ঠা কৰিলে এইয়া জনা নাযায়। সময়ৰ অগ্ৰগতিৰ লগে লগে এই বলি বিধান প্ৰথা ৰাইজৰ আলোচনা আৰু সৰ্বসন্মতিক্ৰমে যাঠি দশকত বিলুপ্তি ঘটোৱা হয়। কিন্তু পূৰ্বৰ প্ৰথা বাতিল কৰাৰ লগে লগে গাঁৱত অনেক অপায়-অমংগল হ'বলৈ ধৰে। আনকি বহুকেইজন লোক মৃত্যুৰ মুখত পৰে। শেষত ৰাইজে স্তুতি-মিনতি, প্ৰাৰ্থনা-সেৱা-সৎকাৰ কৰি পুনৰ গাঁওখন সুস্থিৰ অৱস্থালৈ আনে। এই দেওঘৰ পূৰ্বৰ ৰীতি-নীতিৰে পূজা-পাতল কৰাৰ উপৰিও নামধৰ্মৰ পন্থাৰে নিয়ম-নীতি কৰিবলৈ লয়। নামধৰ্মৰ পন্থা প্ৰচলিত হোৱাৰ বাবে অন্য ফৈদ বা জাতিৰ লোকৰ ইয়ালৈ সোঁত ব'বলৈ ধৰে। এতিয়া নৈনে গাঁৱৰ দেওঘৰ টাই আহোমৰ লেনডন দেৱতাৰ উপাসক চাউদাংসকলৰ উপাসনা ঠাই হৈ থকা নাই। দেওঘৰ এতিয়া বিভিন্ন জাতি-ধৰ্ম-বৰ্ণৰ এক মিলনভূমি। বৰ্তমান ইয়াতেই শৰাই, বন্তি, বৈকুণ্ঠ ভাণ্ডাৰৰ নৱ দ্ৰব্য অৰ্পণ কৰি অসুখ-অশান্তি, অপায়-অমংগল দূৰীকৰণৰ বাবে পীড়িতজনে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। আনকি মুছলমান সম্প্ৰদায়ৰ বহুলোকক এই দেওশালত চাকি-বন্তিলৈ সেৱা জনোৱা দেখা যায়। বৰ্তমান দেওথানভাগিৰ পূৰ্বৰ কিছু নীতি-নিয়ম-পৰম্পৰা সালসলনি কৰি বৰ্ত্তমান যুগৰ লগত সংগতি ৰাখি প্ৰতি বছৰে দুয়োভাগি পূজা-সেৱা অনুষ্ঠিত কৰা হয়। বৰ্ত্তমান নৈনে চাউদাং গাঁৱৰ ১৩৩ ঘৰ মানুহ একেডাল এনাজৰীৰে বান্ধখাই থকা সমূহ ৰাইজৰ দেওঘৰ। প্ৰতি বছৰে ৰঙালী বিহুত ৰাইজে হুঁচৰি গাই অৰিহনা সংগ্ৰহ কৰি দেওঘৰৰ দুয়োভাগ পূজা-সেৱা পাতে। প্ৰথমতে জেঠ মাহত পানীতোলা সবাহ পতা হয়। যেতিয়া দেওঘৰৰ কাষেদি বৈ যোৱা জানত পানী বৈ যায় তেতিয়াই পানীতোলা সবাহ পতা হয়। বিশেষকৈ পানীতোলা সবাহত আইসকলে আইনাম গাই পূজাভাগি সম্পন্ন কৰি বোৱতী পানীত পূজাৰ দ্ৰব্যসমূহ গাঁওবাসীৰ কুশলৰ কাৰণে উটুৱাই দিয়া হয়। এই পানীতোলা সবাহত মাটিমাহ, চাউল, গুটি জলকীয়া, তামোল-পান, পিঠাগুৰি, কল, মাটিৰ টেকেলি দুটা, মলা দুটা, টংলটি আদি দ্ৰব্যসমূহৰ প্ৰয়োজন হয়। তিনিগৰাকী এঁৱা ছোৱালীৰ প্ৰয়োজন হয়। তাৰ পাছত বৰসবাহ জেঠ মাহৰ পূৰ্ণিমা তিথিত পতা হয়। এই বৰসবাহত গাঁৱৰ প্ৰতিঘৰ মানুহৰ পিঠা লগোৱাতো বাধ্যতামূলক। দেওঘৰৰ আছে বহু মাহাত্ম্যৰ কথা। যি নেকি আজিৰ সমাজত বিশ্বাসযোগ্য হৈ আছে। দেওঘৰৰ কাষেদি যেতিয়া হাতীৰ জাক পাৰ হৈ গৈছিল, প্ৰতিটো হাতীয়ে ধানভাগিত মুৰ দোৱাই গৈছিল। আকৌ ওচৰৰে এগৰাকী বৃদ্ধাৰ এহাল গৰু হেৰাল। বহু বিচাৰি গৰুহাল পোৱা নগ'ল। এনেদৰে আইতাগৰাকীয়ে গৰু বিচাৰি আহি ধানভাগি পোৱাত আইতাগৰাকীয়ে গছৰ এখিলা পাতত কেঁচুমতা লদি লৈ তামোল-পাণৰ দৰে ধানভাগিত আগবঢ়াই গৰুহাল পোৱাৰ মানসেৰে ভক্তিভাৱে সেৱা আগবঢ়ালে। পাচদিনা বৃদ্ধাগৰাকীয়ে গৰুহাল গৃহৰ ওচৰতে পালে। এইয়া হ'ল ৰাইজৰ মুখে মুখে প্ৰচাৰিত দেওঘৰৰ এক মাহাত্ম্য। ইয়াপ উপৰি আৰু অনেক উদাহৰণ আছে।

বৰ্তমান দেওঘৰত প্ৰতি বৃহস্পতিবাৰে নাম-কীৰ্ত্তন হয়। বহু দূৰ-দূৰণিৰ পৰা অগণন লোক আহে দেওশালত সেৱা জনাবলৈ। আশা, মনৰ কামনা পূৰণৰ কাৰণে বহুলোক আহি শৰাই, চাকি-বন্তি দি দেওথানত আঠু লৈ সেৱা জনায়। দেওঘৰৰ আশীৰ্বাদত ভক্তৰ মনোবাঞ্ছা পূৰণ হয়। পবিত্ৰ ভাদ মাহত দেওঘৰত অগণন ভক্তৰ আগমন হয়। দেওঘৰ পৰিচালনা সমিতিয়ে ভক্তৰ সুবিধাৰ্থে ভাদ মাহটোৰ বাবে বৃহস্পতি আৰু দেওবাৰেও খোলাৰ ব্যৱস্থা কৰে। দেওঘৰৰ মহত্ব আৰু ভক্তৰ সমাগমলৈ চাই অদূৰ ভৱিষ্যতে প্ৰতিদিনে দেওঘৰ খোলাৰ ব্যৱস্থা কৰিবলগীয়া হ'ব। মহিমামণ্ডিত দেওঘৰৰ অপাৰ মহিমাই আকৃষ্ট কৰিছে ৰাইজক। মূল দেওঘৰৰ কাষতে আছে বলিশাল আৰু এক শিৱ মন্দিৰ। বিৰল এই তীৰ্থস্থানখনে অসমৰ সমগ্ৰ চাউদাং জনগোষ্ঠীৰ জীৱন আদৰ্শ, সমাজ জীৱন আৰু আধ্যাত্মিক চিন্তা-চৰ্চ্চাৰ পৰিচয় বহন কৰি আহিছে। জনগোষ্ঠীটোৰ ই এক দাপোন স্বৰূপ। ইয়াক বিজ্ঞানসন্মতভাৱে অধ্যয়ন আৰু গৱেষণা কৰিলে ইয়াৰ বুকুত লুকাই থকা বহুতো ঐতিহাসিক কাহিনী উদ্ধাৰ হ'ব আৰু নিশ্চিত, এদিন অসমৰে নহয় ভাৰতবৰ্ষৰ আগশাৰীৰ তীৰ্থস্থানলৈ পৰিণত নহৈ নাথাকিব।

# অসমৰ পঞ্চায়তীৰাজ ব্যৱস্থা, গ্ৰাম্য উন্নয়ন আৰু . . .

৪ পৃষ্ঠাৰ পৰা

যোৱা ডিচেম্বৰত সম্পন্ন হোৱা ৰাজ্যখনৰ পঞ্চায়ত নিৰ্বাচনত নিজৰ নিজৰ আধিপত্য প্ৰদৰ্শনৰ কাৰণে বিভিন্ন ৰাজনৈতিক দলসমূহৰ মাজত উথপথপ আৰু পৰস্পৰে বোকা চ'টিওৱাৰ যি বাকযুদ্ধ দেখা গ'ল, সেয়াই জানো প্ৰমাণ নকৰে যে তেওঁলোক প্ৰকৃততে গাঁৱৰ উন্নয়নৰ বাবে কিমান আগ্ৰহী? পঞ্চায়তসমূহ দলীয় ৰাজনীতিৰ আওঁতালৈ অহাৰ ফলস্বৰূপে পঞ্চায়তৰ বিভিন্ন উন্নয়নমূলক আঁচনিসমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত পক্ষপাতিত্বই ভয়ংকৰ ৰূপ ধাৰণ কৰিলে প্ৰকৃতাৰ্থত পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিসকলে ৰাইজৰ প্ৰতিনিধি হোৱাতকৈ শাসকীয় দলৰ প্ৰতিনিধি হিচাপেহে সেৱা আগবঢ়ায়। পঞ্চায়তৰ প্ৰতিটো স্তৰতে দলীয় কৰ্মীৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। তেনেদৰে গাঁওসভাক সক্ৰিয় আৰু কাৰ্যক্ষম কৰাৰ পৰিৱৰ্তে পূৰ্বৰ কংগ্ৰেছ চৰকাৰে 'ৰাইজৰ পদূলিত ৰাইজৰ চৰকাৰ' আৰু বৰ্তমান বিজেপি চৰকাৰে 'আমাৰ গাঁও আমাৰ আঁচনি'ৰ জৰিয়তে গাঁওসভাৰ অস্তিত্বক অৱনমিত কৰাৰ ব্যৱস্থাহে কৰিলে। কল্যাণকামী বিভিন্ন আঁচনিসমূহৰ হিতাধিকাৰী নিৰ্বাচনৰ দায়িত্ব নানা কৌশলেৰে পঞ্চায়তীৰাজ অনুষ্ঠানসমূহৰ হাতৰ পৰা শাসকীয় দলৰ হাতলৈ হস্তান্তৰিত কৰা হ'ল। "কাকনো বুলিবা ককা, আটাইৰে দাড়িচুলি পকা"- ইটোতকৈ সিটো চৰা ৰাজনৈতিক দলবোৰৰ ভূমিকাই সাধাৰণ গাঁৱলীয়া ৰাইজক দিশহাৰা কৰি তুলিছে।

সামৰণিত আমি ক'ব বিচাৰো যে, গুণোৎসৱৰ জৰিয়তে চৰকাৰে যিদৰে প্ৰতিখন চৰকাৰী এল পি, এম ই আৰু হাইস্কুলৰ আন্তঃগাঁঠনি, শিক্ষক-ছাত্ৰৰ অনুপাত, ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক মানকে ধৰি আনুষংগিক সকলো দিশৰ তথ্য বহিঃমূল্যায়নকাৰীসকলৰ জৰিয়তে সংগ্ৰহ কৰিলে আৰু তাৰ ওপৰত ভিত্তি কৰি বিভিন্ন নিদানমূলক কাৰ্যপন্থা, আঁচনি আদি গ্ৰহণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে, থিক তেনেদৰে অসমৰ প্ৰতিখন পঞ্চায়তক চৰকাৰে নিৰ্দেশ দিয়ক যাতে তেওঁলোকে নিজৰ নিজৰ পঞ্চায়ত এলেকাত থকা গাঁওসমূহৰ ইতিহাস, আন্তঃগাঠনি, বুনিয়াদী সা-সুবিধা, স্বাস্থ্য, শিক্ষা, যাতায়ত, যোগাযোগ, খোৱা-পানী, জলসিঞ্চনৰ ব্যৱস্থা, সেই অঞ্চলত স্থানীয়ভাৱে উৎপাদিত বিভিন্ন খাদ্য-শস্যৰ বিতৰণ, কুটীৰ শিল্প, মৎস্য উৎপাদন, দুগ্ধ উৎপাদন, পশুধন, গাঁৱৰ ৰাইজৰ জীৱিকাৰ পথ, নিবনুৱা সমস্যা, মূল্যৱান গছ-গছনি, মুকলি ঠাই বা খেল পথাৰৰ সুবিধা, ধৰ্মীয় উপাসনা স্থানৰ সবিশেষ, সাংস্কৃতিক দল, অনুষ্ঠান, ৰংগমঞ্চ, ক্ৰীড়াৰ ক্লাব, সামাজিক-সাংস্কৃতিক অনুষ্ঠান, সেই অঞ্চলত বিশেষভাৱে পালন কৰা উৎসৱ-পাৰ্বণ ইত্যাদি আৰ্থসামাজিক আৰু সাংস্কৃতিক সকলো দিশ সামৰি একোখনকৈ পুস্তিকা প্ৰকাশ কৰে। ইয়াৰ বাবে চৰকাৰে প্ৰতিখন পঞ্চায়তকে প্ৰয়োজন হ'লে আৱশ্যকীয় সমল ব্যক্তি আৰু পুঁজিৰ যোগান ধৰিব লাগে। ইয়াৰ ফলস্বৰূপে প্ৰতিখন পঞ্চায়তে প্ৰস্তুত কৰা পুস্তিকাবোৰৰ দ্বাৰা চৰকাৰে ৰাজ্যখনৰ এখন পূৰ্ণাংগ ইতিহাস প্ৰণয়ন কৰিব পাৰে, প্ৰতিখন পঞ্চায়ত এলেকাৰে অভাৱ অভিযোগ বা আন্তঃগাঠনিমূলক সমস্যাবোৰ পৰ্যায়ক্ৰমে সমাধান কৰিবৰ বাবে উপযুক্ত আঁচনি গ্ৰহণ আৰু ৰূপায়ণ কৰিব পাৰে, যাৰ দ্বাৰা প্ৰকৃতাৰ্থত ৰাজ্যখনৰ গ্ৰাম্যাঞ্চলৰ উন্নয়ন সাধন কৰিবলৈ সহজ হ'ব। লাগে মাথো চৰকাৰৰ সদিচ্ছা।

লগতে আমি ক'ব বিচাৰো যে পঞ্চায়তসমূহক দলীয় ৰাজনীতিৰ পৰা মুক্ত ৰাখিব লাগে। পঞ্চায়ত নিৰ্বাচনত আচলতে দলীয় ৰাজনীতিতকৈ উপযুক্ত ব্যক্তিক নিৰ্বাচন কৰাতহে অধিক গুৰুত্ব দিয়াটো প্ৰয়োজন। সেয়েহে দলীয় ফলাফল যিয়েই নহওঁক কিয়, অনাগত দিনবোৰত নতুনকৈ গঠন হোৱা গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদসমূহে কল্যাণকামী আঁচনিসমূহ সৰলভাৱে ৰূপায়ণ কৰি অসমৰ গাঁওবোৰৰ উন্নয়নত বৰঙণি যোগাই ৰাজ্যখনৰ উন্নয়ন ত্বৰান্বিত কৰিব পাৰিব বুলি ৰাইজে আশাৰে বাট চাই থাকিব। ৰাজ্য চৰকাৰখনেও কোনো ধৰণৰ ৰাজনৈতিক পক্ষপাতিত্ব নকৰাকৈ সকলো পঞ্চায়তক সমানে গুৰুত্ব দিব লাগে আৰু পঞ্চায়ত পৰ্যায়ত দূৰ্নীতি নিৰ্মূল কৰিবলৈ কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব লাগে।

ভ্ৰাম্যভাষঃ ৯৪৩৫১৫৫৩৩৪

১১ পৃষ্ঠাৰ পৰা

# ছক্রেটিছৰ দেশত....

মিউজিয়ামত বহু ধ্বংসাবশেষ সংৰক্ষিত হৈছে। সময়ৰ অভাৱৰ বাবে আমি এই মিউজিয়ামলৈ যাব নোৱাৰিলো। ‘ফিৰা’ত থকা লাইট হাউচলৈ গ’লো। অতি মনোমোহা দৃশ্য, তলত সাগৰ, ওপৰত পাহাৰ। অপৰূপ দৃশ্য ৰাজি চাই চাই নিৰলে বহি থাকিবলৈ মন যায়। কিন্তু সময়ৰ গতিক ৰোধা টান। আমি বিলালৰ গাড়ীতে হোটেলমুৱা হ’লো। বিলালে গাইডৰ দৰেই গোটেই চেণ্ট’ৰিনী দেখুৱালে। আগদিনা এখন কিতাপৰ দোকান দেখিছিলো। বিলালক এৰি আমি দোকানখনলৈ খোজ পেলালো। জীৱনটো শিক্ষকতাৰে পাৰ কৰা আমি কিতাপ এখন নিকিনাকৈ যাব নোৱাৰো। ড° বৰুৱাই কিতাপৰ নাম ক’লত চেণ্ট’ৰিনীৰ বজাৰ এলেকাত সোমাল। মুধাফুটা দাৰ্শনিকৰ জন্ম ঠাই এই গ্ৰীচৰ কিতাপৰ দোকানত সোমাই দেখিয়েই ভাল লাগিল। কিতাপেৰে থাহ খোৱা যদিও দোকানখন সৰু। কিতাপ বহুত পালোহেঁতেন কিন্তু গ্ৰীচৰ ১ ইউৰো তেতিয়া আমাৰ ৮০ টকা। গতিকে মহান দাৰ্শনিক ছক্রেটিছৰ জীৱনৰ ওপৰত লিখা এখন কিতাপ কিনি, মনৰ লোভ মনতে মাৰ নিয়াই হোটেললৈ ঘূৰি আহিলো। লোপা, ঋষুৱেও বৰ দুখ মনেৰে সেইদিনা চেণ্ট’ৰিনীৰ পৰা বিদায় মাগিলে। কাৰণ স্থবিৰতা মৃত্যু, গতিয়েহে জীৱন। গতি কৰিবই লাগিব। পিচদিনা ২৭ তাৰিখে গধূলি ৬ টা বজাত আমাৰ ওভতনি যাত্ৰা। চেণ্ট’ৰিনীৰ পৰা এথেন্সলৈ ঘূৰি যাব লাগিব। তাৰ পৰাহে আমাৰ এমিৰেট্‌ছৰ ফ্লাইট আছে। ৰাতিৰ বাবে চোভ্‌লাকি, ৰিজ’ট আদিৰে পেট পূৰাই জিৰণি ল’লো। ২৭ তাৰিখে পুৱা হোটেলত Complimentary breakfast খাই, সকলোৰে পৰা বিদায় লৈ বিলালৰ গাড়ীৰেই সমুদ্ৰৰ ওভতনি যাত্ৰাৰ বাবে সাজু হ’লো। ‘Fileria Suites’ৰ তত্ত্বাবধায়িকাসকলৰ আপ্যায়নে আমাক মুগ্ধ কৰিলে।

আমি এইবাৰ এথেন্সলৈ ৰাতিৰ সমুদ্ৰ যাত্ৰা কৰিলো। সন্ধ্যাৰ সাগৰ, দূৰত সূৰ্য্য ডুবাৰ মোহনীয় দৃশ্য। ইমান সুন্দৰ! ফেৰীৰ ডেকত বহি বহি চাই আছো, বতাহৰ ঘনত্ব বাঢ়ি গৈছে - লাহে লাহে সূৰ্য্যটোৱে শেষ ৰঙা ৰশ্মিখিনি দিগন্তলৈ এৰি দি আমাৰ পৰা বিদায় লৈছে। মনত অনাবিল আনন্দৰ মেট মৰা ভাৰ লৈ ৰাতিৰ গুৰু-গম্ভীৰ সাগৰৰ বুকুত, মাজে মাজে জাহাজৰ পানী ফলা শব্দই বন্দৰৰ আগজাননী দিয়ে। বন্দৰে বন্দৰে যাত্ৰীসকলক নমাই আমাক লৈ যায় এথেন্সৰ PIRAEUS বন্দৰলৈ। চেণ্ট’ৰিনীৰ পৰা আঠ ঘণ্টীয়া সমুদ্ৰ যাত্ৰা শেষ হয়। আমাৰ নিজৰ নিজৰ সামগ্ৰী চম্‌জি লৈ Blue Star Delos ৰ পৰা বিদায় লৈ আগতে নিৰ্দিষ্ট কৰি ৰখা নতুন এটা এপাৰ্টমেণ্টলৈ টেক্সীৰে যাত্ৰা কৰো। পাওঁতে বহুত ৰাতি হোৱাৰ বাবে ভাৰতীয় হোটেলৰ পৰা অনা আহাৰ গ্ৰহণ কৰি আমি ৰাতিটোৰ বাবে জিৰণি লওঁ। ২৮ এপ্ৰিলৰ দিনা ৰাতিপুৱাৰ চাহ খাই অলপ ওচৰে-পাজৰে ঘূৰা-ফুৰা কৰি এখন পাঞ্জাৱী ৰেষ্টুৰেণ্টত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিলো। বহুদিনৰ মূৰত মাছ, ভাত খাই বৰ তৃপ্তি লাগিল। ৰেষ্টুৰেণ্টখনৰ মালিক পাঞ্জাৱী, ককাকৰ দিনৰে পৰা গ্ৰীচতে আছে। নাতিনীয়েক দুজনীয়ে কৰ্মকৰ্তাসকলক লৈ চলাই আছে। ছোৱালীজনীয়েই আমাক টেক্সী এখন বন্দোবস্ত কৰি দিলে, আমি বিমানবন্দৰ পালোহি। ৰাতিৰ এমিৰেট্‌ছত আমি ডুবাই পালোহি। ডুবাইত তিনি ঘণ্টা ৰ’ব লগা হ’ল। তাৰ পিছত ২৯ তাৰিখে ৰাতিপুৱা ৯ টা বজাত দিল্লীৰ আন্তৰ্জাতিক বিমান বন্দৰত নামিলোহি। দেশৰ মাটিত খোজ পেলাই ঘড়ীৰ কাটাবোৰো সলনি কৰি ল’ব লগা হ’ল। মনৰ মণিকোঠত অলেখ মিঠা স্মৃতি লৈ এইদৰেই আমি চক্রেটিছৰ দেশত কৰা এসপ্তাহ ভ্ৰমণৰ সমাপ্তি ঘটালো।

ইউৰোপৰ ভিতৰতে সুপ্ৰাচীন গ্ৰীচ দেশ ভ্ৰমণ কৰি আমাৰ মনটো উৎফুল্লিত হোৱাৰ লগতে গধুৰ হৈও পৰিছিল। সভ্যতাৰ দোকমোকালিতে এই গ্ৰীচ দেশৰ অৱদানৰ কথা সুঁৱৰি দেশখনৰ প্ৰতি আমাৰ মূৰ আপোনাআপুনি দো-খাই গৈছিল। এই দেশৰ বাসিন্দাসকলে যদিও নতুন ইউৰোপীয় সভ্যতাক আদৰি লৈছে তথাপি ইয়াৰ প্ৰাচীনত্বক সম্পূৰ্ণৰূপে জলাঞ্জলি দিয়া নাই। আধুনিক সভ্যতাৰ ধামখুমীয়াত ই উটি-ভাঁহি যোৱা নাই আৰু যাবও নোৱাৰে। কাৰণ ইয়াৰ সভ্যতা যাউতিযুগীয়া। আশাকৰো এই দেশখনে নিজৰ সভ্যতা আৰু সংস্কৃতিক গুৰুত্ব দি নিজত্বটো বজাই ৰাখক আৰু আনলৈও আদৰ্শ হৈ ৰওক।

(সমাপ্ত)

১ পৃষ্ঠাৰ পৰা

# বিপন্ন পঞ্চায়তীৰাজ

বিষয়টো জড়িত আছিল। এই পিছপৰা শ্ৰেণীৰ লোকে একমাত্ৰ পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰাই নহয়, পঞ্চায়তৰ একোজন সক্ৰিয় সদস্য হৈ সভাবিলাকত উচ্চ পদস্থ শ্ৰেণীৰ প্ৰতিনিধিৰ সৈতে আলোচনা কৰিবলৈ সুবিধা পালে আৰু তেওঁলোকৰ সম্প্ৰদায়ৰ স্বাৰ্থত উন্নয়নৰ বাবে কাম কৰাৰো সুযোগ ওলাল। বহু সময়ত পঞ্চায়তৰ মুৰব্বীহৈ পৰিচালনাৰ দায়িত্বও লাভ কৰিছে। এই পঞ্চায়তত‌ে স্থানীয় স্তৰত প্ৰশাসনৰ মৰ্যদা লাভ কৰি তৃণমূল পৰ্যায়ৰ প্ৰশাসনিক কতৃৰ্ত্বও সম্ভৱ হৈ উঠিল।

স্ব-শাসিত গ্ৰাম্য পঞ্চায়ত আৰু গাঁও সভাবিলাকে স্থানীয় সমস্যা, উমৈহতীয়া সম্পদ পৰিচালনী আৰু স্থানীয়ভাৱে উন্নয়নৰ সুবিধা পালে য’ত সামাজিক ন্যায়, অৰ্থনৈতিক সমতা, প্ৰান্তীয় শ্ৰেণী আৰু অৱহেলিতসকলৰ সৰলীকৰণ দিশবোৰ অৰ্ন্তভূক্ত হৈছিল। পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ আগতে বহুসংখ্যক গণতান্ত্ৰিক সংগঠন যেনে সামাজিক আন্দোলন, সামাজিক কৰ্মগোট, স্বেচ্ছামূলক সংগঠন আদিয়ে জনসাধাৰণক সৰ্বদিশত শক্তিশালী কৰিব বিচাৰিছিল যদিও পঞ্চায়তৰাজে জনসাধাৰণৰ মৌলিক অধিকাৰ যেনে কৰ্মৰ অধিকাৰ, শিক্ষা, স্বাস্থ্য, বাসস্থান আৰু খাদ্যৰ অধিকাৰ প্ৰদান সম্পৰ্কত গুৰুত্ব আৰোপ কৰিলে। জলসিঞ্চনৰ সুবিধা, ভূমি অধিকাৰ, উচিত পাৰিশ্ৰমিক, কৃষকৰ ঋণ ৰেহাই আদিৰ বাবে দাবী কৰি অহাৰ বিপৰীতে অত্যাচাৰ আৰু নিৰ্যাতনৰ পৰা দুৰ্বল সম্প্ৰদায়ক ৰক্ষণাবেক্ষণ দিয়া, সামাজিক নিৰাপত্তা সুৰক্ষিত কৰা আৰু সামাজিক ন্যায় প্ৰতিষ্ঠা কৰাৰ দৰে বিষয়সমূহ পঞ্চায়তীৰাজে প্ৰাধান্য দিয়া, জণগনৰ ৰায়মতে প্ৰশাসনিক প্ৰক্ৰিয়াটো স্বচ্ছ কৰি তোলা, সামাজিকভাৱে আয়-ব্যয়ৰ হিচাপ নিকাচবোৰ ৰাজহুৱা কৰি দুৰ্নীতিহীন ব্যৱস্থা এটা গঢ়ি তোলা আদি কৰ্মবোৰ পঞ্চায়তৰ সদস্যসকলৰ দায়িত্বৰ ভিতৰুৱা কৰা হ’ল।

এনেবিলাক সৎচিন্তা আৰু কৰ্মৰে গঢ়ি তুলিব বিচৰা পঞ্চায়তীৰাজ ব্যৱস্থাটোৱে কাৰ্যতঃ এক ৰাজনৈতিক সংস্কৃতিৰ বহতীয়া হৈ পৰিল আৰু সাধাৰণ মানুহখিনিয়ে তেনে সংস্কৃতিয়ে গঢ়ি তোলা নীতি নীৰৱভাৱে পালনৰ কৰাৰহে দায়িত্ব পালন কৰিবলৈ ধৰিলে। এনে প্ৰেক্ষাপটত পঞ্চায়তীৰাজ প্ৰতিষ্ঠানটোৱে সামাজিক কল্যাণ আঁচনি আৰু কেন্দ্ৰীয়ভাৱে আগবঢ়োৱা পৰিকল্পিত উন্নয়ন নীতিসমূহ কাৰ্যকাৰীতাৰ এজেণ্ডি হিচাপেহে পৰিচিত হৈ উঠিল। পঞ্চায়তত যিকোনো সিদ্ধান্তই প্ৰধানকৈ ক্ষমতাৰ গাঁঠনি আৰু ক্ষমতাকেন্দ্ৰিক অৰ্ধ-ফেডাৰেল গ্ৰাম্য অৰ্থনীতি, সাম্প্ৰদায়িক পদ্ধতি আৰু পুৰুষতান্ত্ৰিক আধিপত্যৰ গাঁঠনিৰ দ্বাৰা প্ৰভাৱান্বিত হ’বলৈ ধৰিলে।

গ্ৰাম্য প্ৰশাসন ব্যৱস্থাটোৱে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অৱস্থাত স্থানীয় স্তৰত যথেষ্ট প্ৰভাৱ পেলাইছে। উৎপাদনশীল সম্পদৰ গৰাকী হিচাপে, বিশেষকৈ উচ্চ সম্প্ৰদায় তথা শ্ৰেণীটোৱে নিয়ন্ত্ৰণ আৰু পঞ্চায়তৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াটোত প্ৰভাৱ পেলাই আহিছে। সংবিধানৰ ৭৩ আৰু ৭৪ সংখ্যক সংশোধনী বিলত যুক্তৰাষ্ট্ৰীয় গাঁথনি পুনৰ নিৰ্মাণ কৰি স্থানীয় স্বায়ত্বশাসনৰ কৰ্তৃত্ব প্ৰদান কৰিছিলে আৰু গণতন্ত্ৰক অধিক বিকেন্দ্ৰীকৰণ, প্ৰতিনিধিত্বমূলক তথা সঁহাৰিব্যঞ্জক আৰু অংশগ্ৰহণৰ সুবিধা দিয়া হৈছিল, তথাপি ইয়াৰ গাঁথনি আৰু আচৰণজনিত সমস্যাই যুগ যুগ ধৰি স্ব-শাসিত ব্যৱস্থাটোক দুৰ্বল কৰি তুলিলে। ২৫ বছৰৰ পিছত তৃণমূল স্তৰৰ গণতন্ত্ৰক আকৌ নতুনকৈ নিৰ্মাণ কৰাৰ সময় আহি পৰিছে।

গণতন্ত্ৰৰ এই অধ্যায়টোৰ বাস্তৱ সত্যটো হৈছে, যে ইয়াত সংপৃক্ত হৈ আছে বিভাজনমুখিতা, বঞ্চনা আৰু জীৱন-জীৱিকাৰ মৌলিক উৎসৰ পৰা গৰিষ্ঠসংখ্যক দূৰৱৰ্তী অৱস্থানত থাকিবলগীয়া হোৱা দুখঃজনক পৰিস্থিতিটো। মৌলিক উৎপাদনশীল সম্পদৰ ওপৰত মালিকীস্বত্ব আৰু নিয়ন্ত্ৰণৰ আধিপত্য নথকাটোৱে এক বৃহৎ সংঘাত হিচাপে থিয় দি অসমতা, বিচ্ছিন্নতা, বঞ্চনা, অপসাৰিত আৰু চূড়ান্তভাৱে গৰিষ্ঠসংখ্যক জনগণৰ মৌলিক অধিকাৰসমূহ অস্বীকাৰ কৰা হৈছে। তাৎপৰ্যপূৰ্ণভাৱে কিন্তু পঞ্চায়ত নিৰ্বাচনৰ সময়ত এনেবোৰ বিষয় ৰাজনৈতিক দলবিলাকে বিশ্লেষণ নকৰে। নিৰ্বাচিত প্ৰতিনিধিসকলে প্ৰান্তিয়লোকক সৰলীকৰণ সম্ভৱ কৰি তুলিব নোৱাৰে আৰু সমাজৰ প্ৰতিটো প্ৰত্যাহ্বান সন্মুখীন হ’বলৈ সাহস কৰিব নোৱাৰে। এইষাৰ কথা স্বীকাৰ নকৰি উপাই নাই, যে-failure to decentralise economic power has made decentralisation of political power meaningless। প্ৰকৃততে ক’বলৈ গ’লে পঞ্চায়তত সদায় এক প্ৰভাৱশালী শ্ৰেণীয়ে ক্ৰিয়া কৰি থাকে যাৰ ফলত ভূমি অধিগ্ৰহণ, জীৱিকাৰ উৎসবোৰ ধ্বংস কৰা আৰু অধিকাংশক অপসাৰিত কৰাৰ দৰে কাৰ্যবোৰ সংঘটিত কৰি আহিছে। এই প্ৰভাৱশালী শ্ৰেণীটোক কিন্তু চৰকাৰে নিজ স্বাৰ্থপূৰণৰ বাবে সদায় ৰক্ষণাবেক্ষণ তথা পৃষ্ঠপোষকতা আগবঢ়াই অহাটো পৰিলক্ষিত হৈ আহিছে।

অসমত পঞ্চায়ত নিৰ্বাচন আৰম্ভ হৈছে। প্ৰতিটো ৰাজনৈতিক দলে অলেখ মিথ্যা প্ৰতিশ্ৰুতিৰে প্ৰচাৰ কাৰ্য চলাই আছে যিটো বিগত সময়বোৰতো হৈ আছিল। দলবিলাকে নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰিছে যিবোৰৰ কিন্তু বাস্তৱৰ প্ৰাসংগিকতা সন্দেহজনক। অৰ্থ্যৎ নিৰ্বাচনত বিজয়ী হৈ ইস্তাহাৰত থকা প্ৰতিশ্ৰুতি পালন কৰাত সদায় ব্যৰ্থ হৈ আহিছে। ৰাইজৰ ক্ষোভৰ অন্তহীন প্ৰকাশ চৌদিশে। নিৰ্বাচন বৰ্জন, প্ৰাৰ্থী বৰ্জন, দলীয় সংঘাত, নিৰ্বাচনী ব্যয়ৰ নিৰ্ধাৰিত সীমা অতিক্ৰম আদিবোৰ নিৰ্বাচনৰ গতানুগতিক পৰিঘটনা। গ্ৰাম্যবাসীৰ সামগ্ৰিক উন্নয়নৰ স্বাৰ্থই হৈছে বিকেন্দ্ৰীকৃত শাসন ব্যৱস্থাত থকা পঞ্চায়ত স্তৰটোৰ প্ৰধানতম উদ্দেশ্য। কিন্তু সম্প্ৰতি উন্নয়নৰ উদ্দেশ্যটো ৰাজনৈতিক উন্নয়ন সৰ্বস্বতালৈ পৰ্যবাসিত হৈছে। এইবাৰ বহুসংখ্যক উচ্চশিক্ষিত যুৱক-যুৱতী পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হৈছে যিটো গণতান্ত্ৰিক ব্যৱস্থাপনাৰ বাবে শুভ লক্ষণ। এইসকলে সমাজৰ বাবে কাম কৰাৰ হেপাহ দুৰ্নিবাৰ। কিন্তু সেই হেপাহ যদিহে ৰাজনীতিকেন্দ্ৰিক হৈ পৰে তেনেহ’লে উচ্চশিক্ষিত প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভৱিষ্যত সন্দিহান হৈ পৰিব আৰু গণতন্ত্ৰও সুৰক্ষিত হৈ নপৰিব। দলীয় উগ্ৰ ৰাজনীতিকেন্দ্ৰিকতাৰ উৰ্ধত থাকি জনগণৰ উন্নয়নৰ, কল্যাণৰ, দুখ-যন্ত্ৰণাৰ উপলব্ধিক সৰ্বোচ্চ কৰি সততাৰে, স্বচ্ছতাৰে, নিকা ভাৱমুৰ্ত্তিৰে কৰ্ম সম্পাদন কৰিলে ৰাইজ আৰু দেশৰ মংগল সাধন হ’ব।

পঞ্চায়ত নিৰ্বাচনৰ নিচিনা তৃণমূল পৰ্যায়তে ক্ষমতা লাভৰ খক দেখি আমিবোৰ তবধ মানিছোঁ। যিকোনো উপায়েৰে নিৰ্বাচনত জিকি ক্ষমতা লাভ কৰাটোৱেই এতিয়া প্ৰধান লক্ষ্য হৈ পৰিছে। ক্ষমতা সৰ্বোচ্চ নিৰ্বাচনৰ লক্ষ্যই প্ৰকৃততে উন্নয়নৰ লক্ষ্যক পথভ্ৰষ্ট কৰে। সেয়ে উচ্চশিক্ষিত প্ৰাৰ্থীসকলে নিজৰ গাত চিকুটি চাই বিজয়ী হৈ আহিলে চিকুটৰ যন্ত্ৰণা পাহৰি যাব লাগিব। এনে নবাগতসকলৰ প্ৰতি ৰাইজৰ আস্থা আছে। গ্ৰাম্য জনগণে তেওঁলোকৰ মুখলৈ বাট চাই আছে। সেইসকলক হতাশ নকৰিব, দুখ নিদিব নহ’লে তেওঁলোকে অলেখ পাপৰ দ্বাৰা পাপীজীৱনবোধক লৈ অনন্ত যন্ত্ৰণাত জীৱনপাত কৰিব লাগিব।

সম্প্ৰতি আমাৰ গণতন্ত্ৰ ভীষণভাৱে বিপন্ন হৈ পৰিছে। নতুন চামে, নৱপ্ৰজন্মই গণতন্ত্ৰ ৰক্ষাৰ ভাৰ নিষ্ঠাৰে গ্ৰহণ কৰিব লাগিব। সৎ, সাহসী, নিকা, দুৰ্নীতিমুক্ত, নিবনুৱাৰ ক্ষোভ নিৰ্বাপন, বিদেশী অগ্ৰাসন, পুঁজিবাদৰ চক্ৰান্ত প্ৰতিহত কৰি জাতি, মাটি, ভেটি সুৰক্ষা আৰু সৱল কৰি দেশৰ সৰ্বভৌমত্ব ৰক্ষাৰ নামত শপত খাই ল’ব পৰা মানসিকতা আমাৰ একান্তই প্ৰয়োজন হৈছে।

## যুগবাৰ্তাৰ কথা

◆ ৰাজনীতি, ধৰ্ম, সম্প্ৰদায়, ব্যক্তি আদিৰ প্ৰতি উদ্দেশ্য প্ৰণোদিত আক্ৰোশযুক্ত সমালোচনামূলক লেখাৰ বিপৰীতে গঠনমূলক, চিন্তাশীল,মৌলিকতা থকা প্ৰৱন্ধহে যুগবাৰ্তাৰ বাবে প্ৰেৰণ কৰিব।

◆ যিকোনো বিষয়ৰ শৈক্ষিক বিশ্লেষণমুক্ত লেখাই যুগবাৰ্তাত অগ্ৰাধিকাৰ পাব।

◆ বিভিন্ন অঞ্চলৰ সংস্কৃতিবান ব্যক্তিৰ কৰ্মজীৱনৰ পৰিচয় প্ৰকাশৰ বাবে ফটোসহ চমু লেখা প্ৰেৰণ কৰিব।

১ পৃষ্ঠাৰ পৰা

# বিগত সময়চোৱাৰ কেতবোৰ.....

পদাৰ্থ বিজ্ঞানলৈ আগবঢ়োৱা অমূল্য বৰঙনিৰ বাবে এই বছৰ আমেৰিকাৰ আৰ্থাৰ আস্কিন, ফ্ৰান্সৰ জেৰা মুৰু আৰু কানাডাৰ ডোনা ষ্ট্ৰিকলেণ্ডলৈ পদাৰ্থ বিজ্ঞানৰ নোবেল বঁটা আগবঢ়োৱা হৈছে। তেওঁলোকে লেজাৰ ফিজিক্সত নতুন প্ৰযুক্তি আৱিষ্কাৰ কৰিছিল। তেওঁলোকে আৱিষ্কাৰ কৰা নতুন প্ৰযুক্তিৰ সহায়ত চকুৰ লেজাৰ অস্ত্ৰোপচাৰ অধিক সহজ হৈ পৰিল।

**আমেৰিকাৰ জেমছ অলিচন, জাপানৰ তাছুকু হঞ্জোলৈ চিকিৎসাৰ নোবেল বঁটা**

এই বছৰৰ চিকিৎসাৰ নোবেল বঁটা আমেৰিকাৰ জেম্‌ছ পি এলিছন আৰু জাপানৰ তাছুকু হঞ্জোলৈ আগবঢ়োৱা হৈছে। কেন্‌ছাৰৰ থেৰাপী উদ্ভাৱনৰ বাবে তেওঁলোকক নোবেল বঁটাৰে সন্মানীত কৰা হৈছে। তেওঁলোকে কেনছাৰৰ দৰে দুৰাৰোগ্য ৰোগৰ চিকিৎসাৰ বাবে এনে ধৰণৰ থেৰাপী উদ্ভাৱন কৰে। যি শৰীৰৰ কোষসমূহৰ ৰোগ প্ৰতিৰোধী প্ৰণালীক কেনছাৰৰৰ টিউমাৰৰ সৈতে যুঁজ দিয়াৰ বাবে অধিক শক্তিশালী কৰি তোলে।

**মাইক্ৰ'চফ্‌টৰ সহঃপ্ৰতিষ্ঠাপক পল এলেনৰ মৃত্যু**

৭০ দশকত বিল গেটছৰ সৈতে আমেৰিকাৰ বৃহৎ ছফ্‌টৱেৰ কোম্পানী মাইক্ৰছফট স্থাপন কৰা কোটিপতি পল এলেনৰ ১৫ অক্টোবৰত মৃত্যু হয়। তেওঁ কৰ্কট ৰোগত ভুগি আছিল আৰু বয়স হৈছিল ৬৫ বছৰ। এলেনে ষ্ট্ৰেটোলঞ্চ নামৰ মহাকাশ কোম্পানী এটাও স্থাপন কৰিছিল। এই কোম্পানীটোৱে বিশ্বৰ বৃহত্তম বিমানখন নিৰ্মাণ কৰি উলিয়াইছিল।

**ষ্টিফেন হকিঙৰ হুইল চেয়াৰ নিলাম**

প্ৰখ্যাত বিজ্ঞানী ষ্টিফেন হকিঙৰ গৱেষণাপত্ৰ আৰু হুইল চেয়াৰসহ তেওঁৰ কিছুমান সামগ্ৰীৰ নিলাম কৰা হ'ব। হকিঙৰ প্ৰায় ২২ বিধ সামগ্ৰীৰ নিলাম কৰা হ'ব। ইয়াৰ ভিতৰত তেওঁ ডক্টৰেট ডিগ্ৰী লাভ কৰা থেছিছখনো আছে। মাত্ৰ ২২ বছৰ বয়সতে মটৰ নিউৰণ নামৰ বিৰল ৰোগত আক্ৰান্ত হৈছিল। ইয়াৰ পাছতো তেওঁ হুইল চেয়াৰত বহি পদাৰ্থ বিজ্ঞানৰ জগতখনত নিজৰ গৱেষণা কৰি গৈছিল। যোৱা মাৰ্চ মাহত তেওঁৰ ৭৬ বছৰ বয়সত মৃত্যু হৈছিল।

**চীনে নিৰ্মাণ কৰিলে বিশ্বৰ বৃহত্তম 'এম্ফিবিয়াছ' বিমান**

থলুৱাভাৱে নিৰ্মাণ কৰা চীনৰ এ জি ৬০০ নামৰ 'এম্ফিবিয়াছ' (জল আৰু স্থল উভয়তে চলিব পৰা) বিমানখন ২০ অক্টোবৰত প্ৰথমবাৰৰ বাবে পৰীক্ষা কৰা হয়। বিশ্বৰ ভিতৰতে বৃহত্তম এই বিমানখনৰ উৰণ আৰু অৱতৰণ সফল আছিল। ইয়াত চাৰিটা ইঞ্জিন আছে আৰু ১২ ঘণ্টা ইঞ্জিন চলাই থাকিব পাৰে। এই বিমানখন ঘাইকৈ সমুদ্ৰত উদ্ধাৰ অভিযান, বনজুই নিয়ন্ত্ৰণ আৰু সমুদ্ৰত নিৰীক্ষণ আদিৰ বাবে ব্যৱহাৰ কৰা হ'ব।

**থ্ৰী-ডি লেজাৰ মেপত ওলাই পৰিল প্ৰাচীন 'মায়া জগত'**

'লিডাৰ' (Lidar) নামৰ এটা লেজাৰ মেপিং প্ৰযুক্তি ব্যৱহাৰ কৰি পুৰাতত্ববিদসকলে গুৱাটেমালাত প্ৰাচীন মায়া সভ্যতাৰ ৬১ হাজাৰৰো অধিক গাঁঠনি উদঘাটন কৰিছে। সেইবোৰৰ ভিতৰত আছে বৰ্তমান হাবি-বনৰ মাজত সোমাই থকা বহু পিৰামিড আৰু বিশাল দুৰ্গ, পাম আৰু নলা বা খাল, বৰ্ষাৰণ্যৰ মাজেৰে যোৱা ঘাইপথ আদি।

**'স্পাইডাৰমেন'ৰ স্ৰষ্টা ষ্টে লীৰ পৰলোক**

আমেৰিকাৰ প্ৰখ্যাত কমিক লেখক ষ্টে লীৰ ১২ নবেম্বৰত এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। তেওঁৰ বয়স ৯৫ বছৰ হৈছিল। তেওঁ স্পাইডাৰমেন, ব্লেক পেন্থাৰ, আইৰনমেন, হক আৰু এভেঞ্জাৰৰ দৰে ছুপাৰ হিৰ'ৰ জনক আছিল। তেওঁৰ চৰিত্ৰবোৰৰ আধাৰত নিৰ্মাণ কৰা চিনেমাবোৰে যোৱা এটা দশকত ১.৩ লাখ কোটি টকাতকৈ অধিক ধন উপাৰ্জন কৰিছে।

**প্ৰথম বিশ্বযুদ্ধৰ অন্ত পৰাৰ এশ বছৰ সম্পূৰ্ণঃ পেৰিছত বিশ্বৰ নেতৃবৰ্গৰ শ্ৰদ্ধাঞ্জলি**

প্ৰথম বিশ্ব যুদ্ধৰ অন্ত পৰাৰ ১০০ বছৰ হোৱা উপলক্ষে ১১ নবেম্বৰত ফ্ৰান্সৰ ৰাজধানী পেৰিছত বিশ্বৰ নেতৃবৰ্গ সমৱেত হয় আৰু যুদ্ধত নিহত প্ৰায় ২ কোটি লোকৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জনায়।

**বিশ্ব ৰেকৰ্ডঃ এটা অ'ভাৰত ৪৩ ৰাণ**

নিউজিলেণ্ডৰ এক ঘৰুৱা এদিনীয়া ক্ৰিকেটত চেণ্ট্ৰেল ডিষ্ট্ৰিকছৰ পেচাৰ উইলিয়াম লুডিকে নৰ্ডান ডিষ্ট্ৰিকছৰ বিৰুদ্ধে এটা অ'ভাৰত সাতটা ছয় আৰু এক ৰাণৰ সহায়ত ৪৩ ৰাণেৰে বিশ্ব অভিলেখ গঢ়ে।

## ৰাষ্ট্ৰীয় খবৰ

**নৰ্মদাৰ পাৰত নিৰ্মাণ বিশ্বৰ ভিতৰতে ওখ চৰ্দাৰ বল্লভ ভাইৰ প্ৰতিমূৰ্তি**

নৰ্মদা নদীৰ পাৰত স্থাপন কৰা বিশ্বৰ ভিতৰতে ওখ চৰ্দাৰ বল্লভভাই পেটেলৰ প্ৰতিমূৰ্তিটো ৩১ অক্টোবৰত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উন্মোচন কৰে। বল্লভ ভাই পেটেলৰ ভাৰতৰ অখণ্ডতাৰ প্ৰতি থকা প্ৰেমৰ আদৰ্শত তথা প্ৰেৰণা দাঙি ধৰাৰ উদ্দেশ্যে ২০১৩ চনৰ পৰা এই প্ৰতিমূৰ্তিটো নিৰ্মাণ কৰি থকা হৈছিল। গুজৰাটত নিৰ্মিত ১৮২ মিটাৰ উচ্চতাৰ পৃথিৱীৰ আটাইতকৈ ওখ প্ৰায় ৯৭৩১ বৰ্গ মিটাৰ এলেকাত ২৩৩২ কোটি টকাৰ বাজেটেৰে এই প্ৰতিমূৰ্তিটো নিৰ্মাণ কৰা হৈছে।

**ভাৰতীয় মূলৰ এমিকা জৰ্জলৈ সামাজিক উন্নয়নৰ 'অস্কাৰ'**

১৮ বছৰীয়া ভাৰতীয় মূলৰ ব্ৰিটিছ যুৱতী এমিকা জৰ্জে লাভ কৰিছে বিল গেইটছ আৰু মেলিণ্ডা গেইটছৰ ফাউণ্ডেশ্যনে আগবঢ়োৱা সামাজিক উন্নয়নৰ 'অস্কাৰ' হিচাপে পৰিচিত গলকী পাৰ্ছ গ্লোবেল গ'ল্‌ছ এৱাৰ্ড। ২০১৭ চনত এমিকা জৰ্জৰ নেতৃত্বত ব্ৰিটেইনৰ ডাউনিং ষ্ট্ৰীটত ২০০০ ৰো অধিক মহিলাই ব্ৰিটেইনৰ চৰকাৰৰ ওচৰত দাবী জনাইছিল দুখীয়া পৰিয়ালৰ ছাত্ৰীসকলক বিনামূলীয়া পেডৰ যোগান ধৰিবলৈ। এমিকাৰ এই দাবীৰ প্ৰকৃত মূল্য বুজিবলৈ সক্ষম হোৱা চৰকাৰে প্ৰায় ১.৫ নিযুত পাউণ্ডৰ পেড যোগান ধৰে দুখীয়া ছাত্ৰীসকলক। এমিকা জৰ্জৰ ককাক-আইতাক কেৰালাৰ পৰা ব্ৰিটেইনলৈ গৈছিল।

**ভাৰতৰ নতুন ইতিহাস ৰচনা**

প্ৰতিৰক্ষাৰ ক্ষেত্ৰত ভাৰতে এক নতুন ইতিহাস ৰচনা কৰিলে। ভাৰতৰ প্ৰথমখন বেলিষ্টিক ক্ষেপনাস্ত্ৰযুক্ত ছাবমেৰিন আই এন এছ অৰিহন্তে প্ৰথমটো প্ৰতিৰোধ টহল সম্পূৰ্ণ কৰি এক নতুন কৃতিত্ব অৰ্জন কৰিলে। এই সফলতাৰ পাছত এতিয়া ভাৰত বায়ু, জল আৰু স্থল এই তিনিও ঠাইৰ পৰা পৰমাণৱিক আক্ৰমণ চলাব পৰা আমেৰিকা, ফ্ৰান্স, ৰাছিয়া, ব্ৰিটেইন আৰু চীনৰ পাছত ষষ্ঠখন দেশ। এই ছাবমেৰিনখনত ৭৫০-৩৫০০ কিলমিটাৰ পৰ্যন্ত দূৰৰ লক্ষ্যত আঘাত হানিব পৰা ক্ষেপনাস্ত্ৰ আছে। এইখনৰ পৰা পানীৰ তলৰ পৰা আৰু পানীৰ ওপৰৰ পৰা ক্ষেপনাস্ত্ৰ নিক্ষেপ কৰিব পাৰি। কেৱল সিমানেই নহয়, পানীৰ তলৰ পৰাও যিকোনো বিমানক লক্ষ্য কৰি আক্ৰমণ চলাব পাৰি।

**১৬ বছৰীয়া ভাৰতীয় ছাত্ৰই জয় কৰিলে ৪ লাখ মাৰ্কিন ডলাৰ**

ব্ৰেক থ্ৰু জুনিয়ৰ চেলেঞ্জ নামৰ এখন বিশ্ব পৰ্যায়ৰ প্ৰতিযোগিতাৰ ভাৰতৰ সময় গদিকা নামৰ একাদশ শ্ৰেণীৰ এজন ১৬ বছৰীয়া ছাত্ৰই প্ৰায় ৮০০০ ছাত্ৰ-ছাত্ৰীক চেৰ পেলাই ৪ লাখ মাৰ্কিন ডলাৰ (প্ৰায় ২.৯ কোটি টকা) পুৰস্কাৰ জয় কৰে। এই প্ৰতিযোগিতাত বিশ্বৰ বিভিন্ন দেশৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে বয়সৰ সীমা ১৩-১৬ বছৰ। প্ৰতিযোগীসকলে পদাৰ্থ বিজ্ঞান, জীৱ বিজ্ঞান আৰু গণিতত তেওঁলোকে কৰি থকা গৱেষণাৰ ভিডিঅ' প্ৰেৰণ কৰিব লাগে। গদিকা বেংগালুৰুৰ নেশ্যনেল পাব্লিক স্কুলৰ ছাত্ৰ।

**বিশ্ব বেংকৰ 'ব্যৱসায় কৰাৰ সুচলতা'ৰ প্ৰতিবেদনঃ ভাৰতৰ স্থান ৭৭ নম্বৰলৈ উন্নীত**

বিশ্ব বেংকৰ 'ব্যৱসায় কৰাৰ সুচলতা'ৰ প্ৰতিবেদনত একেৰাহে দ্বিতীয় বছৰৰ বাবে ভাৰতৰ স্থান উন্নত হৈছে। যোৱা বছৰ ভাৰতৰ স্থান আছিল ১০০। এই বছৰ ২৩ ঢাপ আগুৱাই স্থান লাভ কৰিছে ৭৭ নম্বৰত। ১০৯ খন দেশৰ ভিতৰত শীৰ্ষত আছে নিউজিলেণ্ড। তাৰ পাছতে স্থান পাইছে ছিংগাপুৰ, ডেনমাৰ্ক আৰু হংকঙে।

**অৰুণাচলত উন্মোচিত হ'ল বাঁহেৰে নিৰ্মিত বিশ্বৰ সৰ্বোচ্চ বুদ্ধৰ প্ৰতিমূৰ্তি**

বিশ্বৰ সৰ্বোচ্চ বুদ্ধৰ প্ৰতিমূৰ্তি ১৫ নবেম্বৰত প্ৰাণ প্ৰতিষ্ঠা কৰে সম্পূৰ্ণ ধৰ্মীয় ৰীতিৰে অৰুণাচল প্ৰদেশৰ নামচাই জিলাৰ টেঙাপানীত। বাঁহেৰে নিৰ্মিত ৪৫ ফুট উচ্চতাৰ এই বুদ্ধৰ প্ৰতিমূৰ্তি বিশ্বতে বিৰল। ম্যানমাৰৰ দুই এঠাইত আছে যদিও ইমান ওখ নহয়।

## ৰাজ্যিক খবৰ

**'অস্কাৰ'লৈ মনোনীত প্ৰথম অসমীয়া ছবি**

অস্কাৰৰ মনোনয়নৰ বাবে ভাৰতীয় চলচ্চিত্ৰ হিচাপে বিদেশী চলচ্চিত্ৰৰ শিতানত অফিচিয়েল এণ্ট্ৰী লাভ কৰে অসমৰ ৰীমা দাসৰ 'ভিলেজ ৰকষ্টাৰ্ছ' চলচ্চিত্ৰখনে। চলচ্চিত্ৰখন কৰোঁতে চাৰি বছৰ সময়ৰ প্ৰয়োজন হৈছিল আৰু ছয়গাঁৰৰ কালাদিয়া নামৰ গাঁওখনত শ্বুটিং কৰা হৈছিল। চলচ্চিত্ৰখন এন এফ ডি চি, হংকং এছিয়ান ফাইনেন্সিয়েল ফ'ৰাম, কাঁ চলচ্চিত্ৰ মহোৎসৱ, টৰণ্ট' চলচিত্ৰ মহোৎসৱকে ধৰি ৮০ খন বিশ্বৰ ডাঙৰ ডাঙৰ চলচ্চিত্ৰ মহোৎসৱলৈ গৈছিল আৰু ৪৪ টা বঁটা, ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। চলচ্চিত্ৰখনত সুখ বিচাৰি যান্ত্ৰিকতাৰ দৌৰত অৱতীৰ্ণ হোৱা চহৰমুখী লোকৰ পৰিৱৰ্তে নিজৰ আপোন গাঁওখনতেই যে প্ৰকৃত সুখ বিচাৰি পাব পাৰি সেই বাৰ্তাটো দিয়া হৈছে। চলচ্চিত্ৰখনত কেইটিমান শিশুৰ মনস্তাত্বিক দিশটোক উপস্থাপন কৰি কি দৰে শিশুসকলে গাঁৱৰ মাটি, পানী, পৰিৱেশত, সৰু সৰু বস্তুত সুখ বিচাৰি লয় তাক দেখুওৱা হৈছে। শিশু অৱস্থাত দেখা সপোনবোৰ কেনেকৈ লাহে লাহে পাহৰি পেলাইছো সেই কথা চলচ্চিত্ৰখনৰ জৰিয়তে অনুভৱ কৰিব পাৰি।

**গোলাঘাটত সুধাকণ্ঠৰ স্মৃতি দিৱসত শিল্পী শিৱচৰণ দাসক ড° ভূপেন হাজৰিকা সংহতি বঁটা প্ৰদান**

'ড° ভূপেন হাজৰিকা অসম তথা ভাৰতবৰ্ষৰে নহয়, বিশ্বৰ মানৱতাৰ প্ৰতীক'- এই মন্তব্য গৱেষক, বিজ্ঞানী ড° পদ্মেশ্বৰ গগৈৰ। সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থা আৰু ড° ভূপেন হাজৰিকা স্মৃতি ৰক্ষা সমিতি, গোলাঘাটৰ উদ্যোগত আয়োজিত ড° ভূপেন হাজৰিকা স্মৃতি দিৱসত ড° ভূপেন হাজৰিকা সংহতি বঁটা প্ৰদান কৰি এই মন্তব্য কৰে বিজ্ঞানী ড° গগৈয়ে। গোলাঘাটত ঝুমুইৰ আৰু আধুনিক অসমীয়া সংগীতৰ নীৰৱ সাধক, চাহ জনগোষ্ঠীৰ প্ৰবীন শিল্পী শিৱচৰণ দাসক ২০১৮ বৰ্ষৰ ড° ভূপেন হাজৰিকা সংহতি বঁটা প্ৰদান কৰা হয়।

**এছিয়ান মাৰ্চিয়েল আৰ্টছ গেম্‌ছত যোৰহাটৰ ফিৰোজৰ স্বৰ্ণ পদক**

দিল্লীৰ তালকোটৰা ষ্টেডিয়ামত ১২-১৩ নবেম্বৰত অনুষ্ঠিত এছিয়ান মাৰ্চিয়েল আৰ্ট গেম্‌ছত যোৰহাটৰ নাওবৈছা মুছলিম গাঁৱৰ ফিৰোজ আলীয়ে স্বৰ্ণ পদক লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। ফিৰোজে ৫৫ কেজি শাখাত ভাৰতৰ হৈ প্ৰতিদ্বন্দিতা আগবঢ়াইছিল।

**গীনিজ ৱৰ্ল্ড ৰেকৰ্ডৰ বাবে চাইকেলেৰে সমগ্ৰ ভাৰত ভ্ৰমণ**

দেশ সেৱাত ৱৰ্তি থকা সৈনিকসকলৰ বাবে শান্তিৰ বাৰ্তা লৈ গীনিজ ৱৰ্ল্ড ৰেকৰ্ডৰ বাবে আফটাব ফৰিদি নামৰ ২৩ বছৰীয়া যুৱকজনে চাইকেলেৰে দিল্লীৰ পৰা যাত্ৰা আৰম্ভ কৰি ইতিমধ্যে আঠ হাজাৰ কিল'মিটাৰ অতিক্ৰম কৰিছে। এদিনত তেওঁ প্ৰায় দুশ কিল'মিটাৰ চাইকেল চলাইছে বুলি জনাইছে। উদীয়মান যুৱকজনৰ এই শান্তিৰ বাৰ্তাবাহক যাত্ৰাৰ সফল পৰিসমাপ্তি কামনা কৰিছে সচেতন ৰাইজে।

**আন এক সন্মানঃ 'ইউনিচেফ'ৰ যুৱদূত নিযুক্ত হিমা দাস**

বিশ্ব যুৱ এথলেটিকছ আৰু এছিয়ান গেমছৰ স্বৰ্ণজয়ী অসমৰ হিমা দাস 'ইউনিচেফ ইণ্ডিয়া'ৰ যুৱদূত নিযুক্ত হৈছে। অসমৰ নগাঁৱৰ ধিঙৰ জীয়ৰী হিমাই আই এ' এ' এফ বিশ্ব অনুৰ্ধ-২০ এথলেটিকছ চেম্পিয়নশ্বিপত সোণ জিকা প্ৰথমগৰাকী ভাৰতীয় মহিলা এথলীট হোৱাৰ কৃতিত্বৰ অধিকাৰী।

**কথাশিল্পী ইমৰান শ্বাহক শব্দ সাহিত্য বঁটা প্ৰদান**

যোৰহাট ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত হৈ যোৱা যোৰহাট সাহিত্য সংস্কৃতি উৎসৱ ২০১৮ আৰু ৰাষ্ট্ৰীয় বাণিজ্য মেলাত অসমীয়া সাহিত্যৰ তিনিটা প্ৰজন্মৰ তিনিগৰাকী বিশিষ্ট সাহিত্যিক ক্ৰমে প্ৰথিতযশা সাহিত্যিক কথাশিল্পী ইমৰান শ্বাহলৈ ২০১৮ বৰ্ষৰ শব্দ সাহিত্য বঁটা, প্ৰদীপ শইকীয়ালৈ শব্দ বঁটা আৰু যুৱ কবি বিজয় শংকৰ বৰ্মণলৈ শব্দ যুৱ সাহিত্য বঁটা প্ৰদান কৰা হয়।

**ছিংগাপুৰৰ চলচ্চিত্ৰ পৰিচালক এৰিক ফুলৈ সাহিত্য সভাৰ বিশ্বৰত্ন ভূপেন হাজৰিকা বঁটা**

অসম সাহিত্য সভাই সুধাকণ্ঠ ভূপেন হাজৰিকাৰ স্মৰণত আগবঢ়াই অহা বিশ্বৰত্ন ড° ভূপেন হাজৰিকা আৰ্ন্তজাতিক সমন্বয় বঁটা এইবাৰ ছিংগাপুৰৰ প্ৰসিদ্ধ চলচ্চিত্ৰ পৰিচালক এৰিক ফুলৈ আগবঢ়োৱা হৈছে। নুমলীগড় তেল শোধনাগাৰৰ সৌজন্যত ২০১২ চনৰ পৰা প্ৰতি দুবছৰৰ ব্যৱধানত সভাই আগবঢ়াই অহা এই বঁটা এইবাৰ চতুৰ্থবাৰৰ বাবে প্ৰদান কৰা হ'ব। এই পৰ্যন্ত এই বঁটা বাংলাদেশৰ প্ৰসিদ্ধ নৃত্য পটীয়সী লুৱনা মৰিয়ম (২০১৪), শ্ৰীলংকাৰ প্ৰসন্ন ৱিথানেজ (২০১৬)লৈ এই বঁটা আগবঢ়োৱা হৈছে। বঁটাৰ সৈতে ৫ লাখ টকাৰ চে'ক, সম্বৰ্ধনা পত্ৰ, স্মাৰক, অংগবস্ত্ৰ আৰু গ্ৰন্থৰ টোপোলা প্ৰদান কৰা হ'ব। অহা বছৰৰ মাৰ্চ-এ'প্ৰিল মাহত সভাই আনুষ্ঠানিকভাৱে এই বঁটা প্ৰদান কৰিব।

**ডুবাই ইণ্টাৰনেশ্যনেলত শ্ৰেষ্ঠ অস্মিতা চলিহা**

অসমৰ অস্মিতা চলিহাই ডুবাই ইণ্টাৰনেশ্যনেল চেলেঞ্জ বেডমিণ্টনত বিজয়ীৰ সন্মান অৰ্জন কৰিছে। নাড আল ছেবা স্পৰ্টছ এৰেনাত হোৱা প্ৰতিযোগিতাৰ ফাইনেলত অস্মিতাই কোৰিয়াৰ জিঅ'ন জাইক ২১-১৯, ২১-১৫ ব্যৱধানত হৰুৱাই খিতাপ জয় কৰে। বিজয়ী হোৱাৰ সূত্ৰে অস্মিতাই ১,৮৭৫ ইউএছ ডলাৰৰ প্ৰইজমানি লাভ কৰে।

# ভক্তিসাৰ

❑ ৰাজীৱ লোচন বৰুৱা

(যোৱা জুন, ২০১৮ সংখ্যাৰ পাছৰ পৰা)

"মায়া তত্ব"- সাংখ্যা হাড় নাড়ী ছাল আৰু লোমাৱলী।
পৃথিৱীৰ পাঞ্চতত্ব মহাগুণ শালী।।
লালৱতী মুত্ৰ বিন্দু ঘমতি আলাস।
এই পঞ্চগুণে জানা জলৰ প্ৰকাশ।।
ক্ষুধা তৃষ্ণা বৰ্ণ লাস কান্তি মহাৰূপ।
এহি পঞ্চগুণে তেজ কহিলো স্বৰূপ।।
ধাৰণা, শকতিৰ সংযোগ বৰ মলি।
এহি পাঞ্চ জানিবাহা বায়ু মহাবলী।।
ভয়, শংকা, লজ্জা, শোক মোহ মহাসন।
আকাশত ইটো পাঞ্চ গুণ উৎপন্ন।।
এহি মতে কৈলা পাঞ্চ তত্বৰ মহিমা।
আকে জানি পাইবা সুখ সাগৰৰ সীমা।।

জগত তত্ব- প্ৰথমতে সাতখন স্বৰ্গক নিম্নিলা।
যাৰ যেন থান ভাৱে ভাৱ নিয়োজিলো।।
ভূলোক ভূবলোক স্বলোক ময়।
মহলোক জনলোক তপোলোক নয়।।
সত্যলোক সহিতে জানিবা সাতখান।
কহিলোহো সাৰ ইটো তত্ব বিদ্যমান।।

এইদৰে প্ৰকৃতিৰ মায়াৰ দ্বাৰাই- অতল, বিতল, সুতল, তলাতল, ৰসাতল, মহাতল আৰু পাতাল সৃষ্টি হ'ল। তৃতীয়তে- জম্বু, প্লক্ষ, কুশ, ক্ৰৌঞ্চ, শাক, শাল্মালিক পুষ্কৰ।

চতুৰ্থতে- লোণ, ইক্ষু, সুৰা, সৰ্পি, দধি, দুগ্ধ, জল সপ্ত সাগৰ সৃষ্টি কৰি জগত তত্বৰ বিস্তাৰ কৰিলে।

"এইয়া হ'ল ভাগৱত সাৰ"- ইয়াক আহৰণ কৰোতে সময় লাগে- ভাগৱত মহাপুৰাণত ভগৱানেই হংস ৰূপ ধৰি ব্ৰহ্মাকে আদি কৰি চাৰি সিদ্ধক তত্ব জ্ঞান দিয়া উল্লেখ কৰিছে- এই হংস শব্দটোক আত্মাৰ বাণী বুলি কৈছে- অৰ্থাৎ অন্তৰাত্মাৰ বাণীকেই হংস নাৰায়ণৰ বাণী-

"ভাগৱতে নিজৰ মাহাত্মা"- নিজেই প্ৰকাশ নকৰে গীতাত শ্ৰীকৃষ্ণই অৰ্জ্জুনক বাণী বিলালে, ভাগৱতত ভগৱানে উদ্ধৱক বাণী বিলালে- ১২৫ বছৰ কাল অতিবাহিত কৰি এই ধৰাধাম ত্যাগ কৰি স্বধামলৈ গতি কৰাৰ সময়ত উদ্ধৱে ভগৱন্তক অনুৰোধ কৰিলে- হে' প্ৰভু তুমি গুছি গ'লে দুৰ্জনৰ প্ৰভাৱ বাঢ়িব, সন্ত সাধুৰ বিলাই বিপত্তি হ'ব, অত্যাচাৰ বৃদ্ধি হ'ব- অধৰ্মৰ প্ৰভাৱ বাঢ়িব, ধৰ্ম, কৰ্ম লোপ পাব- প্ৰভু দয়া কৰি আমাক বিপদ সাগৰৰ পৰা উদ্ধাৰ কৰা। তেতিয়া ভগৱান কৃষ্ণই উদ্ধৱক ক'লে সখী ভয় নকৰিবা, মই ইয়াৰ সকলো ব্যৱস্থা কৰিছো। ভগৱানে নিজৰ সকলো প্ৰভাৱ ভাগৱতত স্থাপন কৰিলে আৰু উদ্ধৱক ৰহস্য ভক্তিৰ জ্ঞান দিবৰ যত্ন কৰিলে-

বেদে যাক কৰে তাক শুনা প্ৰাণ সখী।
মায়া ময় দেৱ ধৰ্ম সবাকো উপেক্ষি।।
মই বিনে বেদে কিছু আন নৰখানে।
চাৰিও বেদৰ তত্ব অৰ্থ এহি মানে।।
আন নাজানয় ইটো বেদৰ বিচাৰ।
কেৱলে ভকতি পন্থ সম্মত আমাৰ।।
এতেকে উদ্ধৱ তুমি তেজা বেদ পন্থ।
যিবা জানা যিবা শুনা এৰা আন গ্ৰন্থ।।
ভকত সমান বস্তু নাহি সংসাৰত।
ধন জন পুত্ৰ ভাৰ্যা পিতৃ মাতৃ যত।।
সবাকো এৰিয়া ভজিবেক ভকতত।
ইহাৰ সমান লাভ নাহিকে লোকত।।
তোমাৰ আগত কহিলোক সত্যবাক।
ভকতৰ সংগ বিনে নতৰে মায়াক।।

ইয়াৰ পিছতো কিন্তু উদ্ধৱৰ মন শান্ত হোৱা নাছিল- শেষত ভগৱন্তই ভক্তি জ্ঞান দিবৰ বত্ন কৰি ক'লে এই ভক্তি পন্থকে সকলো সমাজে শিক্ষা গ্ৰহণ কৰি নিজকে আত্মনিয়োগ কৰক।

ভগৱত পৰমাৰ্থ তত্বঃ

শুনা সভাসদ পদ মগাভাগৱত।
হৃদয়ত কৃষ্ণ নাম নেৰিবা সতত।।
কৃষ্ণ কৃষ্ণ নাম যিটো সোমৰে সততে।
তাৰ আৰ কাক ভয় আছে ত্ৰিজগতে।।
তাৰ আগে মুক্তি পদ কোন বস্তু হয়।
সংসাৰ জলধি সিটো সুখে নিস্তৰয়।।
পৰম ঈশ্বৰ কৃষ্ণ তাকো বশ্য কৰে।
কৃষ্ণৰ কৃপাৰ পাত্ৰ হোৱে সিটো নৰে।।
হেন জানি আন ধৰ্মে এৰিয়া বিশ্বাস।
নিৰন্তৰে কৃষ্ণ নাম কৰিয়ো অভ্যাস।।

ভাগৱতে আমাক এটাই শিক্ষা দিবৰ যত্ন কৰি আহিছে সেৱাৰ মনোভাৱে জীৱনক কৰ্ম পথত অগ্ৰসৰ হোৱা মুখত নিৰন্তৰ ৰাম নাম অভ্যাস কৰি হৃদয়ত (সৎ + চিত + আনন্দ) সচিদানন্দ ৰূপ ধাৰণ কৰি শুদ্ধ মন লৈ জীৱন যুদ্ধত অগ্ৰসৰ হোৱা- ঈশ্বৰ তাতেই লগ পাবা। "ভাগৱত তাৎপৰ্য"- সম্পৰ্কে দামোদৰদেৱে কোচ ৰজা লক্ষ্মী সিংহ আৰু ৰঘুক কৈছিল এইদৰে। কৃষ্ণদেৱ নাম ধৰ্ম, একান্ত শৰণ আৰু সাধু সংগ, এই চাৰি তত্ব আয়ত্ব কৰিব পাৰিলেই জীৱৰ নিজৰ পৰম ধাম ঈপ্সিত লক্ষ্যত উপনীত হৈ নিৰ্বাণ প্ৰাপ্ত হ'ব।

---

অনুগল্প

❑ বৰ্ণালী ভূঞা

## ফোপোলা

বাৰান্দাৰ আৰামী চকীত বহি অজস্তাই মন কৰিলে সদায় যোৱাৰ দৰে আজিও দুচকীয়া বাহনখন ৰাস্তাৰ ধূলি উৰুৱাই গুছি গ'ল। বাহনত সদায় থাকে দুজন ব্যক্তি পতি আৰু পত্নী। নৱবিবাহিত, হ'লেও এবছৰ হ'ল। নগৰৰ উপকণ্ঠৰ এই ৰাস্তাটো কেঁচা যদিও মানুহবোৰৰ মনবোৰ পকা। মিলেৰে থাকে। হাই-উৰুমি, মদ-ভাঙ আড্ডাৰ স্থান নাই। গাড়ীৰ জাম নাই যদিও ব্যক্তিগত গাড়ীবোৰ হিচাপৰ স্পীডত যায়, সৰু ল'ৰা-ছোৱালী ঘৰে ঘৰে। পিচে বিশেষ গাড়ীখনৰ গৰাকীকেইজনেহে মানুহখিনিৰ লগত মাতবোল নকৰে, গাড়ীখনো যায় হাই স্পীডত, ধূলি উৰুৱাই।

## পখিলা

মাকৰ মন, তাতে আকৌ যুগহে যি হ'ল। আগৰ ক, খ শিকিয়েই ল'ৰা-ছোৱালীৰ এবছৰ পাৰ হয়। এতিয়া হ'বনে কিবা। ইংৰাজী, হিন্দী, অসমীয়া আৰু কোনো কোনো স্কুলত সংস্কৃত। তাৰোপৰি থাকে বিভিন্ন ক্লাচসমূহ।

ৰিপুৰে মাকক কুটুৰি আছে-

- মা, খেলিবলৈ দিয়ানা।
- আবেলি খেলিলে ৰাতি ক'ত পঢ়িবি, টোপনিয়াই থাকিবি।
- দিয়াচোন।
- (চিন্তিত হৈ) যা বাৰু, বেছি দেৰি নকৰিবি।

মাকে ৰিপু যোৱাফালে চাই কামৰ ৰুটিনখন মিলাই চালে। ৫.০০ টাৰ পৰা ৭.৩০ টালৈ পঢ়াব লাগিব, তাৰ পিছত পাকঘৰৰ কাম, ৰিপুক খুৱাই শুৱাই দিয়া। যিহেতু ৰিপু সৰু হৈ আছে। তাৰ পিছত বাকী কামবোৰৰ কথা ভাবি থাকোতেই মাকৰ চকু মুদখাই আহিল।

## বিবাহিত

নিজুৰে হঠাতে পোৱা মাকৰ আকস্মিক বিয়োগৰ খবৰটোৱে দেহ মন জঠৰ কৰি গ'ল। অতিকে আপোন মাকজনীয়ে তাইক দি থৈ যোৱা জীৱনৰ সমস্ত ব্যৰ্থতাৰ তুলনাই বুকুখন গধুৰ কৰি তুলিলে।

## পৰিৱৰ্তন

অত্যাধুনিক জীৱনত অভ্যস্ত মানসী। বিলাসিতাত উশাহ নোপোৱা অৱস্থা। হঠাতে এদিন যাব লগা হ'ল গাঁৱৰ ৰাস্তাইদি। আঘোণৰ পকা ধানৰ গোন্ধটোৱে মানসীক লৈ গ'ল ৰঙাইৰ লগত একেলগে ধান দোৱা দিনবোৰলৈ।

ভ্ৰাম্যভাষঃ ৯১০১৭৫৯৬৫৯

---

ৰস ৰচনা

# অসম বন্ধ

❑ বৰ্ণালী দুৱৰা বৰা

অসম বন্ধ মাজে মাজে দিয়ে থাকে। আন আন চাকৰি কৰা মানুহৰ দৰে অসম বন্ধ বুলি ক'লে আমাৰ আকৌ গা-মনবোৰ নাচি উঠিবলৈ সময় লাগে অলপ। বন্ধ শব্দটো শুনিলেই অফিচৰ বছে আগদিনাই ক'ব- কাইলৈ আমাৰ বন্ধ নহয় আকৌ, কাম আছে দেৰীকৈ হ'লেও আহিবা। গতিকে গুৰুত্ব নিদিও বন্ধবিলাকত।

কিন্তু এবাৰ কেইবাটাও সংগঠনে বন্ধ দিছিল। বন্ধটো সকলো বন্ধ হ'ব বোলা দেখি বোলো আমাৰ ফালেও কপাল ফুলিব ছাগে আৰুঙ্গৰ মনটো একেবাৰে কি কৰো কি নকৰোকৈ এগাল মান বন্ধৰ দিনৰ প্লেন বনালোৱেই নহয় অফিচতে বহি থাকোতে। ভিতৰি ভিতৰি কিবা 'জয় আই অসম' টাইপৰ ফিলিং এটাইও ভুমুকি মাৰি আছিল। তাতে বন্ধ বুলি ক'লেই ৰাতিপুৱা দেৰীকৈ শুই উঠাৰ প্লেনটো প্ৰথমেই আহে।

ৰাতিপুৱা গা-ধুই আহিয়ে মোবাইলটোক সেৱা এটি জনাই বোলো তুমিয়েই সুখবৰটো জনাবা আৰু বুলি ভাবি শেষ হ'ল কি নহ'ল, সুৰীয়া সুৰটিৰে তেওঁ সিফালৰ পৰা বাৰ্তা আনিলেই বোলে তই ওলা আমাৰ ইয়াত বন্ধ নামানিবও পাৰে। ওলাইছো আৰু ফিলিং দুখী দুখী কে।

গৈ আছো, পাপী মনে ভাবিও গৈছো, বোলো কোনোবাই ভুলতো যদি কিবা এটাও কয় ঘূৰিহে আহিম আউ চাঙতে ডাঙ্গ দি দি। পাণ্ডি থোৱা প্লেনবোৰৰ যি কেইটাৰ বাবে সময়ে মুখ মেলি আছে একেবাৰে সমাধা কৰিহে এৰিম আজি বাপ্পেকে।

আধা বাট গ'লো। ডিভি মেলি মেলি চাই গৈছো বোলো ক'ৰবাত ধোঁৱা একণমান দেখোৱেই নেকি টায়াৰ চায়াৰ জ্বলাইয়েই বাঙ্গ ৰাস্তা খালী, হঠাতে মনলৈ আহিল বোলো হোৱাই ছুদ বয়জ হেভ অল দা ফান। লগালগ স্কুটীৰ স্পীড বঢ়াই একেবাৰে ফিলিং প্ৰিয়ংকা চোপ্ৰা। অলপ দূৰ যোৱাৰ পাছতে নাকৰ একেবাৰে ওচৰেদি বতাহ অকণমান লগাই কিবা এটা চাটকৈ গ'ল নহয় পাৰ হৈ। ঈশ্বৰ প্ৰদত্ত (ঙ্গঙ্গ) এইফেৰি অংগক লৈ মোৰ অসন্তোষৰ শেষ নাছিল হ'বলগীয়াতকৈ চুটি বুলি। পিছে আজি ভাবিলো বোলো ভালেই হ'ল অকণমান যদিহে সেইজনা আগবঢ়া হ'লহেতেন। শূৰ্পণখাৰ লগত মোৰ বৰ বেছি ডিফাৰেন্স এটা নহ'লহেতেন এতিয়া। চাটকৈ মনত পৰিল অ' প্ৰভু অ' মই এতিয়াহে নিগমে মৰিলো, নিশ্চয় কোনোবা সংগঠনৰ লোকে বাটত কাকো নাপাই মোলৈকে শিলগুটি দিলে দলিয়াই। অ'হ হ হ হ। মই যাওঁ কেনেকৈ ডিউটিলৈ এতিয়া?? লাইফৰ ৰিস্ক আছেতোঙ্গ

লগালগ স্কুটীখন ঘূৰাই ঘৰমুৱা কৰি ৰখাই ল'লো। (মানে থিংক একেচাটে বেক টু হ'ম।) ম'বাইলটো উলিয়াই কেমেৰা ৰেডী। প্ৰুফ লাগিব ন? নহ'লে বছৰ গলগলীয়া মাতৰ সৈতে কটমট চাৱনিৰ মিক্সাৰ তৈয়াৰ হৈ যাব। কিন্তু নাই, সংগঠনৰ নৰ-মনিচ এটাও দেখিবলৈ নাই। অলপ আঁতৰত সৰু ল'ৰা দুটামানে বেট এখন লৈ বনৰ মাজত কিবা খুচৰি থকা দেখি বুজিবলৈ বাকী নাথাকিল আউ কিহে আজি আমুকীক শূপৰ্নখাৰ ৰূপ লোৱালেহেতেন ...

আকৌ স্কুটীখন ঘূৰাই ডিউটিলে বুলি পোনাই দিলো। নিদিলেও নিদিলে ওপৰত আছে বুলি ভাবি থকা জনাই আনে দিয়া বন্ধ এটা পালিবলৈও নিলিখিলে ভাগ্যত অ' ....

ভ্ৰাম্যভাষঃ ৯১০১২৭৯০৪১

১ পৃষ্ঠাৰ পৰা

## বিশ্ব ইতিহাস সমৃদ্ধ কৰাত স্থানীয় . . .

বৰ্তমান আৰু অতীতৰ মাজত নিৰন্তৰ কথোপকথন। অতীতৰ জ্ঞানৰ অবিহনে বৰ্তমান অৱস্থাত ভৱিষ্যতৰ বাবে মানৱ সমাজ কেতিয়াও আগুৱাব নোৱাৰে, সেই কথা কোৱা বাহুল্য মাথোন। বিশ্ব কবি ৰবীন্দ্ৰনাথ ঠাকুৰে ইতিহাসৰ সংজ্ঞা সম্বন্ধে কৈছে, "There is only one History - The History of Man" অৰ্থাৎ কেৱল এখন ইতিহাস আছে - সেইখন হ'ল মানুহৰ ইতিহাস। পণ্ডিত জৱাহৰলাল নেহৰুৱে মানুহে যুগে যুগে প্ৰকৃতিৰ বিৰুদ্ধে, বনৰীয়া জীৱ-জন্তুৰ বিৰুদ্ধে, সমাজত যিসকলে নিজৰ সুবিধাৰ বাবে সমাজক অন্য এটা শ্ৰেণীক দমন কৰি শোষণ কৰে সেইবিলাকৰ বিৰুদ্ধে কৰা সামগ্ৰিক সংগ্ৰামেই হ'ল ইতিহাস।

ৰবীন্দ্ৰনাথ ঠাকুৰে যি মানৱ ইতিহাসৰ কথা কৈছে আৰু পণ্ডিত জৱাহৰলাল নেহৰুৱে যি সংগ্ৰামৰ ইতিহাসৰ কথা কৈছে সেয়াই হৈছে আমাৰ ধাৰণামতে বিশ্ব ইতিহাস। আমাৰ সমাজত ইতিহাস সম্বন্ধে এটা ধাৰণা যে ইতিহাস মানে ৰজা মহাৰজাৰ যুদ্ধজয়ৰ কাহিনী। আজিৰ ইতিহাস বুলিলে সৰ্বসাধাৰণ ৰাইজৰ ইতিহাস। সুধাকণ্ঠ ড. ভূপেন হাজৰিকাই এই সন্দৰ্ভত গীতৰ মাধ্যমেৰে কৈছে, "অতীতৰ বুৰঞ্জী লিখকে লিখিছিল ৰজা মহাৰজাৰ কথা, আজিৰ বুৰঞ্জী লিখকে লিখিছে মানুহৰ মুকুতিৰ কথা।"

সৰ্বসাধাৰণ ৰাইজৰ মুকুতিৰ কথা বুলি কওঁতে ৰাষ্ট্ৰৰ একো একোটা অঞ্চলৰ সৰ্বসাধাৰণ ৰাইজৰ একো একোখন ইতিহাস প্ৰণয়ন কৰাৰ কথা বুজাইছে। ফল স্বৰূপে সেইবিলাক ইতিহাসে বিশ্বৰ সামগ্ৰিক ইতিহাসৰ ওপৰত গভীৰ প্ৰভাৱ পেলাব। প্ৰসঙ্গক্ৰমে অসমৰ বিভিন্ন ঠাইৰ স্থানীয় ইতিহাস প্ৰণয়ন কৰাৰ কথাকে উল্লেখ কৰিব বিচাৰিছো। জনামতে অসমত ২৬ হাজাৰখন গাঁও আছে. সেইদৰে অসমত সৰু-বৰ ভালেসংখ্যক নগৰ-চহৰো আছে। সৰ্বসাধাৰণ ৰাইজৰ আৰ্থ-সামাজিক দিশ সামৰি অসমৰ গাঁও-নগৰ, চহৰবিলাকৰ ওপৰত যদি একো একোখন ইতিহাস ৰচিত হয়, অসমৰ ঐতিহাসিক চেহেৰাই সলনি হ'ব। অৱশ্যে এইক্ষেত্ৰত একেবাৰে যে ইতিহাস চৰ্চা হোৱা নাই এইটোও নহয়। কিন্তু একোখন জিলা, একোখন ঐতিহ্যমণ্ডিত ঠাইৰ পূৰ্ণাঙ্গ ইতিহাসৰ সংখ্যা একেবাৰে নগন্য।

আজিকালি প্ৰায়েই আমি যিকোনো বিষয় বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ কথা কওঁ। প্ৰকৃততে বিশ্বদৰবাৰ বুলি ক'তো এখন ঠাই নাই। 'দৰবাৰ' বোলা অভিধাটোৰ অভিধানিক অৰ্থ হ'ল - ৰাজসভা বা উচ্চপদস্থ বিষয়াৰ মেল। বিশ্ব দৰবাৰ মানে বিশ্বৰ বৌদ্ধিক মহল। বিশ্বৰ জাকত জিলিকা নগৰ-চহৰত বিহু দল গৈ বিহু প্ৰদৰ্শন কৰিলে, বিশ্বৰ কেইখনমান প্ৰসিদ্ধ নগৰ-চহৰ যেনে, লণ্ডন, ৱাশ্বিংটন, মস্কো আদি চহৰবিলাকত অসম সাহিত্য সভাৰ শাখা সাহিত্য সভা, অসম সত্ৰ মহাসভাৰ উদ্যোগত বিশ্বৰ অ'ত-ত'ত কেইটামান নামঘৰ স্থাপন কৰিলেই অসমীয়া জাতি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা নহয়। ইয়াৰ দ্বাৰা অসমৰ সাময়িকভাৱে প্ৰচাৰহে হ'ব। কিন্তু স্থায়ী আসন লাভ কৰিববলৈ হ'লে জাতিটোৰ তৃণমূল পৰ্যায়ৰ পৰা ইয়াৰ ভাষা-সংস্কৃতি, গ্ৰাম্য সমাজ ব্যৱস্থা, জাতিটোৰ বিভিন্ন গোষ্ঠীৰ মাজত থকা সংঘাত আদিৰ বিষয়ে প্ৰণালীবদ্ধ বস্তুনিষ্ঠ গৱেষণাৰ ভেটি বিশ্বৰ বৌদ্ধিক মহলৰ আগত তুলি ধৰিব লাগিব। প্ৰসঙ্গক্ৰমে উল্লেখ কৰোঁ, তৃণমূল পৰ্যায়ৰ মানে গাঁও, নগৰ, একো একোখন প্ৰসিদ্ধ ঠাইৰ পূৰ্ণাঙ্গ ইতিহাস। এনেধৰণৰ তৃণমূল পৰ্যায়ৰ পূৰ্ণাঙ্গ ইতিহাসবিলাকেহে অসমৰ ইতিহাস সমৃদ্ধ কৰিব আৰু বিশ্ব ইতিহাসত অসমৰ ইতিহাসে স্থান লাভ কৰিব। অসমৰ বৌদ্ধিক মহলৰ দৃষ্টি আকৰ্ষণ কৰিব।

অসমৰ সমাজত অতীতক লৈ গৌৰৱ কৰে কিন্তু অতীত ইতিহাস অধ্যয়ন কৰি ইয়াৰ সুফলবিলাক আমি বৰ্তমানৰ কামত নখতাও। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে অতীত ইতিহাসক অন্ধভাৱে অনুকৰণ কৰিববলৈও কোৱা নাই। তেখেতে অতীতৰ ঐতিহ্যৰ ওপৰতহে গুৰুত্ব দিবলৈ কৈছে। অতীতৰ কুসংস্কাৰ, অন্ধবিশ্বাস পৰিহাৰ কৰি অতীতৰ ঐতিহ্যৰ সৈতে সংগতি ৰাখি বিজ্ঞানমনস্ক চিন্তা সমাজত প্ৰচাৰ আৰু প্ৰসাৰ ঘটাব লাগিব। দ্বিতীয় এচাম লোক আছে যি অতীত ইতিহাসক কোনো গুৰুত্বই দিব নোখোজে। এইচাম লোকে নাজানে কিম্বা জানিববলৈও ইচ্ছা নকৰে - আমি যে আজি যি ইণ্টাৰনেটৰ যুগত বাস কৰিছোঁ সেই যুগ আকাশৰ পৰা সৰি পৰা নাই। বিজ্ঞান সাধনাৰ যি ইতিহাস সেই সাধনাৰ ফলতহে মানৱ সভ্যতা উচ্চশিখৰলৈ গতি কৰিব পাৰিছে।

ইতিহাস অধ্যয়নবিমুখিতাৰ বাবে উঠি অহা চাম ছাত্ৰ-ছাত্ৰীয়েই দায়ী নহয়, ইয়াৰ বাবে সাম্প্ৰতিক শিক্ষা ব্যৱস্থাও দায়ী। এটা জাতিৰ বাবে ইতিহাস আৰু ভূগোলৰ অধ্যয়ন কিমান আৱশ্যক সেই বিষয়ে ব্যাখ্যা কৰাৰ জানো কিবা প্ৰয়োজন আছে। আজিৰ পৰা ৪০ বছৰৰ আগতেই উক্ত বিষয় দুটা অসম উচ্চ মাধ্যমিক শিক্ষা পৰিষদ (চেবা)ই পাঠ্যক্ৰমৰ বাধ্যতামূলক বিষয়ৰ পৰিৱৰ্তে ঐচ্ছিক বিষয় কৰিলে। গতিকে ছাত্ৰ-ছাত্ৰীক ইতিহাস আৰু ভূগোলৰ জ্ঞানৰ প্ৰতি আগ্ৰহ কমাই দিয়া হ'ল। ইয়াৰ পিচত ইতিহাস চৰ্চাৰ ওপৰত মোক্ষম আঘাত আনি দিছে বৰ্তমান শাসক দলে। বৰ্তমান শাসকদলেই নহয়, পূৰ্বৰ শাসক দলেও বিশ্বায়ন প্ৰৱৰ্তন কৰি সমগ্ৰ বিশ্বখনকে এখন গাঁৱলৈ পৰিণত হ'ব বুলি কৈছে। ইয়াৰ ফলস্বৰূপে এফালে যেনেদৰে জাতি ৰাষ্ট্ৰৰ তত্বক অস্বীকাৰ কৰা হৈছে, তেনেধৰণে বিশ্বৰ প্ৰায় পাঁচশটাতকৈ অধিক সৰু সৰু জনগোষ্ঠীৰ মুখৰ ভাষা চিৰদিনলৈ লুপ্ত হোৱাৰ আশংকা কৰাৰ পৰিৱেশ সৃষ্টি কৰা হৈছে। আমি সকলোৱেই জানো ভাৰতবৰ্ষ এখন ফেডাৰেল যুক্তৰাষ্ট্ৰ। কিন্তু বৰ্তমান শাসকদলে যোৱা চাৰিটা বছৰত ভাৰতবৰ্ষক এখন এককেন্দ্ৰিক ৰাষ্ট্ৰলৈ পৰিণত কৰিছে। এককেন্দ্ৰিক ৰাষ্ট্ৰ মানে এক জাতি, এক ভাষা, এক ধৰ্ম, এক সংস্কৃতি আৰু এক অতিকেন্দ্ৰিক চৰকাৰ। গতিকে শাসক দলৰ এনে প্ৰক্ৰিয়াৰ ফলত একো একোটা অঞ্চলৰ ভাষা, সংস্কৃতি, অৰ্থনীতি, সমাজনীতি, বিজ্ঞানৰ ঐতিহ্য বহন কৰা ইতিহাসবিলাক লুপ্ত হ'ব কিম্বা ইতিহাস প্ৰণয়নৰ ধাৰাটোৱেই বন্ধ হৈ যায়। আমাৰ অস্তিত্ব, আমাৰ স্বাভিমান একেবাৰে লোপ পাব। আগতে উল্লেখ কৰা বিশ্বায়ন হ'ল - আমেৰিকান সাম্ৰাজ্যবাদে প্ৰৱৰ্তন কৰা পুঁজিবাদী বিশ্বায়ন। এনেধৰণৰ বিশ্বায়নক প্ৰতিহত কৰিববলৈ হ'লে জনসাধাৰণৰ মাজত ইতিহাস চেতনা তৃণমূল পৰ্যায়ৰ পৰা বৃদ্ধি কৰিব লাগিব। আমি এনেধৰণৰ বিশ্বায়নৰ কথা কল্পনা কৰোঁ যিখন গোলকীকৰণ গাঁৱত, আমাৰ অখ্যাত গাঁওখন কিম্বা আমাৰ সৰু নগৰখনৰ সৈইখন গোলকীকৰণ গাঁৱত আমাৰ সামান্যতম ৰূপত চিনাকি এটা থাকি যায়। কোৱা বাহুল্য বিশ্বত সাম্প্ৰতিক কালত দুটা বিশ্বায়ন প্ৰকট হৈ উঠিছে - এটা হ'ল পুঁজিবাদী বিশ্বায়ন, আনটো হ'ল বিশ্বৰ সকলো জাতি-উপজাতিক লৈ সমাজবাদী বিশ্বায়ন। নিজৰ অস্তিত্ব ৰক্ষা কৰিববলৈ হ'লে সমাজবাদী বিশ্বায়নৰ অংশীদাৰ হোৱাটো সময় সমাগত। কোৱা বাহুল্য, ইয়াৰ অংশীদাৰ হ'ববলৈ হ'লে আমি আমাৰ নিজৰ নিজৰ অঞ্চলৰ ইতিহাস সমৃদ্ধ কৰিব লাগিব।

ভ্ৰাম্যভাষঃ ৯৪৩৫০ ১০১৬৭

---

৬ পৃষ্ঠাৰ পৰা

## শিপাৰ সন্ধানত প্ৰবাসী অসমীয়াজন

তেওঁলোকে যেন উপলব্ধি কৰিব পাৰে আমাৰ নিজৰ ভাষাতে গীতিকাৰ, সুৰকাৰ, গায়কসকলে ইমান সুন্দৰ সুন্দৰ, গীতেৰে অসমৰ বিভিন্ন ঠাইৰ পৰা বিৰল ৰেকৰ্ডবোৰ সংগ্ৰহ কৰোতে ড° দত্তই অসমীয়া জনপ্ৰিয় গীত কিছুমানৰ বৰ্তমানৰ বিসংগতিৰ অনেক সঠিক সমাধান কাকত আলোচনীত প্ৰদান কৰিছে। 'প্ৰান্তিক' আলোচনীত প্ৰকাশিত তেখেতৰ অসমীয়া গীতৰ অনেক তথ্য সমৃদ্ধ প্ৰবন্ধবোৰৰ গুৰুত্ব কোনো গুণে কম নহয়। অলপতে তেখেতে 'কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰসাদ' শীৰ্ষক কলাগুৰুৰ সাংস্কৃতিক জীৱনৰ অনেক তথ্য সমৃদ্ধ এখন গ্ৰন্থ লিখি সমাপ্ত কৰিছে। বৰ্তমান তেখেতে 'শতিকাৰ আধুনিক গীত' শীৰ্ষক গ্ৰন্থৰ কাম কৰি আছে।

**গণিতজ্ঞ আৰু শিক্ষাবিদৰূপে ব্যক্তিজন ঃ**

১৯৬৬ চনৰ পৰা আমেৰিকাৰ ৰ'ড আইলেণ্ড বিশ্ব বিদ্যালয়ৰ গণিত শাস্ত্ৰৰ সন্মানীয় প্ৰবক্তা ৰূপে কৰ্মৰত ড° দিলীপ কুমাৰ দত্ত এজন বিশিষ্ট গণিতজ্ঞ ৰূপেও বিদেশত প্ৰশংসিত । তেখেতৰ 'কনচেপ্ট্ অৱ জে অ'মেট্ৰি', 'Math education at its best, The Potsdam madel' ' Finite math for liberal arts' আদি গণিত বিষয়ক গ্ৰন্থ আমেৰিকা আৰু ভাৰতত যথেষ্ট সমাদৃত। তেখেতে গণিতজ্ঞ হিচাপে দেশৰ উপৰি বিদেশৰ বিভিন্ন ঠাই ৰোমানিয়া,ফিনলেণ্ড, মালয়েছিয়া, অষ্ট্ৰেলিয়া আদিত বক্তৃতা প্ৰদান কৰিছে।

নিজকে শিক্ষক হিচাপে পৰিচয় দি ভাল পোৱা ড° দিলীপ কুমাৰ দত্তই শিক্ষাৰ উন্নতিৰ অৰ্থে অহৰহ কাম কৰিব খোজে। জ্ঞান বিলাব খোজে সকলোৰে মাজত। তেখেতৰ মাতৃদেৱীয়ে জীৱনৰ শেষ বয়সত কৈ যোৱা কথাষাৰ এতিয়াও তেখেতে সোঁৱৰে -' যদি কেনেবাকৈ টকা-পইচা অলপ সাঁচিব পাৰ তেনেহ'লে সেইবিলাক আনে শিক্ষা লাভ কৰাত ব্যয় কৰিবি।' 'আজি জীৱনৰ প্ৰৌঢ় বয়সত 'মা'ৰ সেই শিক্ষাই মোক জীয়াই থাকিববলৈ প্ৰেৰণা দিয়াৰ উপৰি মোৰ জীৱনলৈ প্ৰতিমূৰ্হূতে এক নতুন আনন্দ আৰু অনুভাৱনা আনে।' যাৰ বাবে এইজনা ব্যক্তিয়ে অসমৰ শিক্ষা জগতৰ অৰ্থে অহৰহ কাম কৰি যোৱা আদৰ্শ শিক্ষাবিদ, তেখেতৰ পিতৃ ফণীধৰ দত্তৰ সোঁৱৰণত যোৰহাট চহৰৰ তৰাজান গায়ন গাঁৱত স্থাপন কৰিছে ফণীধৰ দত্ত বিদ্যাপীঠ নামৰ এখন হাইস্কুল আৰু মাতৃ ৰত্নেশ্বৰী দত্তৰ সোঁৱৰণত এখন এল.পি স্কুল।

**ৰুচি আৰু ড° দিলীপ দত্ত ঃ** পঢ়া-শুনা, খেলা-ধূলা, গান শুনা তেখেতৰ অন্যতম চখ। এসময়ত পাঠ্যক্ৰমৰ লগতে এন চি চি বিষয় হিচাপে লোৱা ব্যক্তিজনে ক্ৰিকেট কেপ্টেইন আৰু দিল্লী বিশ্ববিদ্যালয়ত লন টেনিছতো বঁটা লাভ কৰিছিল। এতিয়াও মন গ'লেই তেখেত খেলা-ধূলাত ব্যস্ত হৈ পৰে। খেলে হেনো তেখেতলৈ সদায় সজীৱতা কঢ়িয়াই আনে।

সকলোৰে লগত মিলি যোৱা ৰঙিয়াল, সহজ-সৰল জীৱন নিৰ্বাহৰ প্ৰতি আগ্ৰহী এই ব্যক্তিজনৰ প্ৰতিটো কামৰ মাজত নিহিত আছে মাতৃভূমিৰ প্ৰতি ভাল পোৱা।

তেখেতৰ লগত কথা পাতিলে, লগ পালে এইজনেই সেই ৪০ বছৰৰো ওপৰকাল বিদেশত বাস কৰা এজন ব্যক্তি যেন নালাগে। ইমান নিভাঁজ তেখেতৰ কথা-বতৰা ব্যৱহাৰ, আনক পাৰ্যমানে সহায়ৰ হাত আগবঢ়াবলৈ আগ্ৰহী ড° দিলীপ কুমাৰ দত্তৰ বহু আশা 'দেহে আটে মানে কৰি যাম অসমৰ হকে কাম। অসমৰ বায়ু, পানী ধূলি, বালি লৈয়ে মই ডাঙৰ হৈছোঁ। বিদেশ মোৰ কৰ্মভূমি হ'লেও অসম মোৰ মাতৃভমি। নিজৰ দেশ, ভাষা মোৰ প্ৰাণৰ আপোন। সেয়ে সদায় অসম ভূমিৰ প্ৰতি মোৰ সাধ্যানুসাৰে কিছু কাম কৰিববলৈ বিচাৰোঁ। যি মোক সুখ দিয়ে, আনন্দ দিয়ে। বছৰৰ চাৰিমাহ অসমত কটাই বিদেশলৈ মই উৰা মাৰিলেও মোৰ দেহ, মন অসমৰ হকে। মোৰ আজু ককা, ককা, দেউতা, পূৰ্বপুৰুষ, মোৰ শিপাৰ গুৰি মই অসমীয়া।'মনত দৃঢ়তা, কাম কৰাৰ হাবিয়াসৰ ফলতেই অসুস্থ শৰীৰ লৈয়ো তেখেত বিদেশৰ পৰা মাতৃভূমিলৈ আহিছে। কেনোদিন জীৱনৰ প্ৰতি খেদ নকৰা, এই ব্যক্তিজনে জীৱনত পোৱাখিনিকে লৈ সুখী হৈ আছে। আজি খ্যাতিৰ উচ্চ শিখৰত আৰোহণ কৰিও অহংকাৰৰ প্ৰলেপ তেখেতৰ নাই। অনন্য, অপৰূপ, অসমপ্ৰেমী, এই প্ৰবাসী অসমীয়াজন আমাৰ হৃদয়ত সদায় জিলিকি থাকিব।

ভ্ৰম্যভাষঃ ৯৯৫৪২৭৪৭৬৯

---

## চিনামৰা মহাবিদ্যালয়ৰ ছাত্ৰীৰ কৃতিত্ব



চিনামৰা মহাবিদ্যালয়ৰ তৃতীয় ষন্মাসিকৰ ছাত্ৰী, এন.চি.চি কেদাৰ শ্ৰীবৰ্ষা গগৈয়ে দিল্লীত অনুষ্ঠিত হ'বলগীয়া আগন্তুক গণতন্ত্ৰ দিৱসৰ মাৰ্চপাষ্টত অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ লাভ কৰিছে। বৰ্ষা গগৈৰ এনে কৃতিত্বই চিনামৰা মহাবিদ্যালয়ৰ লগতে যোৰহাটবাসীক গৌৰৱান্বিত কৰিছে।

## দিব্যজ্যোতি নেওগ (সোণমনি)ৰ স্মৃতিত

❑ বুলু নেওগ (দুৰ্ভগীয়া মাতৃ)



মৃত্যু এক চিৰন্তন সত্য, তথাপিও তাক মানি লোৱাটো কঠিন, তাতোতকৈ কঠিন- যদি সেই মৃত্যু হয় অকাল মৃত্যু।

লহপহকৈ বাঢ়ি অহা এজোপা গছ- যি জোপা গছৰ ছাঁত জীৱনৰ বিয়লি বেলাত জিৰনি লোৱাৰ অযুত সপোন দেখিছিলো। কিন্তু কাল ধুমুহাই নিমিষতে শেষ কৰি পেলালে সেই গছজোপা।

অভিশপ্ত ৩ জুলাই, ২০১৫ চন, ৰাতিপুৱা ৮-৩০ বজাত ঘৰৰ পৰা ওলাই গৈছিল গুৱাহাটীলৈ বুলি। সেই যে ওলাই গ'ল- আৰু ঘূৰি নাহিল। অলেখ আধৰুৱা সপোন লৈ গুছি গ'ল, বহুত অভাৱ অনাটনৰ মাজত ডাঙৰ হৈছিল তেওঁ। সেয়েহে সৰুৰে পৰাই তেওঁ আছিল কষ্ট সহিষ্ণু, দিন-ৰাতি, ৰ'দ-বৰষুণ একাকাৰ কৰি কাম কৰিছিল, অকণমান সুখ বিছাৰি। সুখ বুটলিবলৈ আৰম্ভ কৰিছিলহে মাত্ৰ- কিন্তু ভোগ কৰিবলৈ নিদিলে নিষ্ঠুৰ নিয়তিয়ে।

সৰুৰে পৰা তেওঁ আছিল ঈশ্বৰ ভক্ত, ভগৱানৰ প্ৰতি আছিল অগাধ ভক্তি। সৰুতে (৬-৭ বছৰ বয়সত) যেতিয়া আমাৰ লগত ঢেকীয়াখোৱা বা আঠখেলিয়া নামঘৰলৈ (ভাদ মাহত) যায়, নামঘৰত পৰি থকা ধূপৰ পেকেটবোৰ বুটলি লৈ আহে আৰু ঘৰত পেকেটবোৰৰ পৰা ভগৱানৰ ফটোবিলাক কাটি পঢ়া টেবুলৰ দ্ৰয়াৰত সযত্নে ৰাখি থয়। সেইয়া চাগে তেওঁৰ নিস্বাৰ্থ ভক্তি আছিল ভগৱানৰ প্ৰতি। চাৰি বছৰমান আগৰ কথা, ৰাস্তাৰ মাজতে গাড়ীখন ৰাখি নামি গ'ল। মই ভাবিলো লগৰ কাৰোবাক দেখিলে। লগে লগে আহি গাড়ীত উঠিল, হাতত ফটকাৰ পেকেটৰ ওপৰৰ কাগজ এখন, তাত লক্ষ্মী ফটো এখন আছিল। মই ক'লো, "তই সৰুকালৰ অভ্যাসটো এৰাই নাই"। তেওঁ লাহেকৈ ক'লে- "নাই এৰা"। কেতিয়াবা ভাবি দুখ লাগে, কিয় ভগৱানে 'তেওঁৰ' একান্ত ভক্তক সেই সময়ত সু-দৃষ্টি নিদিলে? কিয় 'তেওঁ' ভক্তৰ মুৰত হাতখন দি ৰক্ষা নকৰিলে? ৰাস্তাত কোনোবাই খুন্দিয়াই পেলাই থৈ যোৱা ছাগলী পোৱালীটোক, তেওঁ স্কুটাৰ ৰখাই পথাৰৰ পৰা একাঁজলি পানী আনি মুখত দিছিল। কিন্তু সেইদিনা শেষবাৰৰ বাবে কিয় এটুপি পানী দিবলৈ নাপালো? কিয়?? আজি তিনি বছৰে ইয়াৰ উত্তৰ বিছাৰি নাপালো।

তেওঁ কি আছিল আমি নাজানো। কিন্তু সদৌ কৰঙা, চিনামৰা আৰু যোৰহাটবাসীৰ বাবে তেওঁ হেনো এজন অমায়িক, সমাজ সেৱক, দান-পৰায়ন, ধৰ্মপ্ৰাণ, কঠোৰ পৰিশ্ৰমী আৰু এজন সফল যুৱ ব্যৱসায়ী, এই কথা ভাবিলে অহৰ্নিশে একুৰা জুয়ে দহি থকা বুকুখন ক্ষন্তেকৰ বাবে শাঁত পৰি যায়। তেওঁৰ বিষয়ে লিখিবলৈ লওঁতে কিয় জানো বাৰে বাৰে কলমটো থমকি ৰৈছে। আখৰবিলাক চকুৰ পানীয়ে তিয়াই পেলাইছে। ভগৱানৰ ইচ্ছা কোনেও ৰুধিব নোৱাৰে। সেয়েহে অশ্ৰুসিক্ত নয়নেৰে ভগৱানৰ ওচৰত এটাই প্ৰাৰ্থনা কৰিছো- তেওঁৰ মানৱ প্ৰেম, ঈশ্বৰ ভক্তি আৰু কৰ্ম প্ৰেৰণাই তেওঁক স্বৰ্গবাসী কৰক আৰু য'তে আছে তাৰে পৰাই সমূহ পৰিয়ালৰ প্ৰতি আশীষ প্ৰদান কৰক আৰু লগতে এই দুখুনী মাকক দি থৈ যোৱা দায়িত্ব পালন কৰিবলৈ শক্তি দিয়ক।

৪ পৃষ্ঠাৰ পৰা

## জৈৱিক সাৰ . . .

এই লেখকেও পুত্ৰৰ চাকৰিসূত্ৰে জাপান আৰু চীন দেশলৈ যোৱাৰ লগতে দুই-এখন খেতিৰ পথাৰ দেখাৰ সৌভাগ্য হৈছিল। দেখিলোঁ তাৰ খেতিয়কসকলে উন্নত বৈজ্ঞানিক পদ্ধতিৰে সু-পৰিকল্পিতভাৱে সকলো ধৰণৰ কৃষি কাৰ্য কৰে আৰু ৰাসায়নিক সাৰ প্ৰয়োগৰ ক্ষেত্ৰত চৰকাৰ আৰু খেতিয়কসকল বৰ সাৱধান হয়। পৰাপক্ষত তেওঁলোকে ৰাসায়নিক সাৰ ব্যৱহাৰ বৰ কম কৰে। সাৰ প্ৰয়োগৰ দ্বাৰা বিভিন্ন উৎপাদিত সামগ্ৰীসমূহত ৰাসায়নিক আৰু জৈৱিক সাৰৰ মাত্ৰা উল্লেখ কৰিব লাগে। এইটো বাধ্যবাধকতাৰ ওপৰত পৰে। সকলো কাম তেওঁলোকে নিজৰ দেশ আৰু দেশবাসীৰ বাবে উৎসৰ্গা কৰিহে কৰে। সেইবাবে হয়তো এই দুখন দেশৰ লোক আমাতকৈ সকলো চিন্তা চৰ্চ্চাত উন্নত আৰু দীৰ্ঘায়ু। সেয়েহে এই দেশ পৃথিৱীৰ মুধাফুটা দেশত পৰিণত হৈছে আৰু বিভিন্ন দেশে ঈৰ্ষাৰ দৃষ্টিৰে চাইছে।

ইয়াৰ পৰা এইটো বুজা গ'ল যে সু-খাদ্য উৎপন্ন কৰিবলৈ হ'লে কৃষকসকলে পৰাপক্ষত ৰাসায়নিক সাৰ প্ৰয়োগ কৰিবলৈ এৰি বিভিন্ন পদ্ধতিৰে ঘৰতে জৈৱিক সাৰ তৈয়াৰ কৰিবলৈ শিকিব লাগে আৰু নিজৰ লগতে অন্য খেতিয়কসকলক তেওঁলোকে তৈয়াৰ কৰা সাৰ বিক্ৰী কৰি আৰ্থিকভাৱে সৱল হ'ব পাৰে। এই কথাবোৰ চিন্তা কৰিহে বিশ্বৰ সকলো দেশতে যাত জৈৱিক সাৰ প্ৰচলন হয় তাৰ বাবে International Federation of Organic Agriculture Movement (FOAM) গঠন কৰা হৈছে। ইয়াৰ মূল উদ্দেশ্য হ'ল- Organic Culture is a Production System that sustain the health of soils, ecosystem and people। বৰ্তমান বহুত কৃষকে জ্ঞাতে বা অজ্ঞাতে উৎপাদন বৃদ্ধি আৰু বেছি আয়ৰ বাবে কিছুমান ম্যাদ উকলি যোৱা কীটনাশক ৰাসায়নিক ঔষধ বেছি পৰিমাণৰ ব্যৱহাৰৰ কৰে বা ম্যাদ থকা ঔষধো উৎপাদনৰ বাবে খেতিডৰাত অত্যাধিক পৰিমাণত প্ৰয়োগ কৰে। ই আমাৰ স্বাস্থ্যৰ বাবে বুজাব নোৱাৰাকৈ অপকাৰী। গতিকে কৃষিৰ বাবে কৃষকক দিহা পৰামৰ্শ দিয়া লোকসকলে এই বিষয়ে ভালদৰে চকু দিব লাগে বা মাহেকত এবাৰকৈ কৃষকসকলৰ কৰ্মশালা পাতিলে উপকৃত হ'ব বুলি ভাবো। নহ'লে এই মাৰাত্মক ঔষধে আমাৰ প্ৰজন্মক কোঙা কৰি পেলাব। জানিবলৈ পাইছো যে বহুত কৃষকে নিজৰ খোৱাৰ কাৰণে বেলেগকৈ সাৰ বা কীটনাশক ঔষধ নিদিয়াকৈ খেতি কৰে আৰু বজাৰত বিক্ৰীৰ বাবে খেতিডৰাত ৰাসায়নিক সাৰ আৰু ঔষধ প্ৰয়োগ কৰে। এইটো এটা মহাপাপ বুলি ভাবো আৰু মানৱ জাতিৰ বাবে ধ্বংসৰ কাৰণ হৈ পৰিব। গতিকে আমাৰ কৃষি বিশেষজ্ঞসকলে এই বিষয়ে উপায় উদ্ভাৱন কৰি কৃষিৰ স্থলতে উৎপাদিত সামগ্ৰীৰ কীটনাশক ৰাসায়নিক পদাৰ্থৰ পৰিমাণ নিৰূপন কৰিব পাৰিলে সুস্বাস্থ্যৰ সুনাগৰিকে দেশখন দোপতদোপে আগবঢ়াই নিব পাৰিব।

ভাৰতবৰ্ষৰ ভিতৰত চিকিমেই এখন জৈৱিক ৰাজ্য। কিন্তু ইমান ওচৰতে থাকি অসমে জৈৱিক সাৰ প্ৰয়োগৰ ক্ষেত্ৰত একেবাৰে চিন্তা নকৰি অধিক উৎপাদন আৰু মুনাফা লাভৰ বাবে ৰাসায়নিক সাৰ প্ৰয়োগ কৰি উৎপাদিত সামগ্ৰী ৰাজ্যবাসীক খুৱাই ভৱিষ্যত প্ৰজন্মক অন্ধকাৰৰ গ্ৰাসলৈ ঠেলি দিছে। ইয়াৰ বাবে চৰকাৰ আৰু সমাজেই দায়ী।

**জৈৱিক সাৰঃ** উদ্ভিদ জগতৰ পৰা বিভিন্ন পদ্ধতিৰে যি সাৰ উৎপাদন কৰা হয় তাকে জৈৱিক সাৰ বোলে। ইয়াৰ কোনো পাৰ্শ্বক্ৰিয়া নাই। এই সাৰ হৈছে Vermi compost, কেঁচুসাৰ, গোবৰ সাৰ, পচন সাৰ আদি। ইয়াক ব্যৱসায় ভিত্তিত উৎপাদন কৰি আৰ্থিকভাৱে লাভৱান হ'ব পাৰে। ই এটা ক্ষুদ্ৰ উদ্যোগ; কৃষি বিশ্ববিদ্যালয়, কৃষি বিভাগ, উদ্যোগ বিভাগ আৰু NESSIAৰ লগত সহযোগ কৰি এই উদ্যোগ গঢ়ি তুলিব পাৰে।

**ৰাসায়নিক সাৰঃ** শস্যৰ বাবে লাগতিয়াল বিভিন্ন ৰাসায়নিক পদাৰ্থৰ মিশ্ৰণেৰে এই সাৰ আৰু কীটনাশক ঔষধ আদি প্ৰস্তুত কৰে। এই সাৰ প্ৰয়োগে মাটিৰ উৰ্বৰতা শক্তি সাময়িকভাৱে দিলেও মাটিৰ মৌল পদাৰ্থসমূহ নষ্ট কৰে আৰু মাটিত থকা অনুজীৱসমূহ ধ্বংস কৰি পেলায় আৰু ভৱিষ্যতে মাটিডৰাৰ পৰা হ'ব লগীয়া উৎপাদন কমি আহে।

লেখক- অসম বাগিচা উদ্যান নিগমৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ প্ৰৱন্ধক আৰু 'NESSIA'ৰ উপ-সভাপতি।
৯৪৩৫০৯৪৭৩৭

৯ পৃষ্ঠাৰ পৰা

## সিদ্ধান্ত

গৈ সেমেনা-সেমেনিকৈ কিবা এটা কোৱাৰ আগতেই বিৰক্তিৰে সি ক'লে - কি হ'ল তোমাৰ? ইয়াত এনেকৈ কিয় ৰৈ আছা? নীলাই সকাহ পোৱাদি পাই ক'লে - দেউতাৰ দত্তৰ লগত আবেলিতে ওলাই গ'ল, এতিয়া অহা নাই। যাচোন অকণমান আগবাঢ়ি যা।' মাকৰ কথা শুনি শশাংকৰ খং উঠিল আৰু ক'লে - সেইকাৰণে মই ঘৰলৈ নাহো। দিনটো কষ্ট কৰি ঘৰলৈ আহিছোহে, বুঢ়াক বিচাৰি যাব লগা হ'লেই । মই বিচাৰি যাব নোৱাৰো, য'তে মৰে মৰক। ঘৰলৈ সময়মতে ঘূৰি আহিব নজনা মানুহ বাচি থাকি লাভ নাই। তুমি ঘৰলৈ আহা, মই খোৱা বস্তু আনিছো, চাহ দুকাপ বনাই মোৰ ৰুমত দি থৈ আহিবা আৰু জিত আমাৰ ঘৰতে থাকিব। ভাত সোনকালে ৰান্ধিবা। মাংস ফ্ৰিজত থৈছো। শশাংকই কোৱা কথা নীলাৰ মূৰত এটাও নোসোমাল । নীলাও গে'টৰ মুখতে কিমান সময় থিয় দি থাকিল নিজেই নাজানে। এনেতে ৰাস্তাৰ কাষত ৰৈ কোনোবাই সৰু সৰুকৈ কথা পতা শুনি অকণমান আগুৱাই গৈ দেখে গিৰিয়েক আৰু দত্ত। যোৱাৰ সময়ত দত্তই কৈ গ'ল - হে'ৰা মিতা , পাৰিলে কালিলৈ আৰু সোনকালে ওলাবা, নৈৰ পাৰৰ ফালে ফুৰিবলৈ যাম।' 'হ'ব যোৱা, এতিয়া গৈ থাকা।" দয়ানন্দ গগৈ সোমাই ঘৈণীয়েকক গে'টৰ মুখত দেখি আচৰিত হ'ল আৰু ক'লে - 'হে'ৰা কি হল ?' আপুনিও যে আৰু ইমান দেৰিকৈ থাকিব লাগেনে? 'নাইহে দুয়ো কথা পাতি পাতি গৈ গৈ খাগৰিজান পালোগৈ। নলিনীয়ে পাই ঘৰলৈ মাতি নিলে। মাকে জা-জলপান যোগাৰ কৰি খুৱাই মানে সন্ধিয়া হ'বৰে হ'ল। বৰ ভাল ছাত্ৰ আছিল বুজিছা। তাৰ চাকৰিটো হ'লগৈ । বাৰু এইটো ধৰাচোন।' গগৈ মাষ্টৰে নীলাৰ হাতত গৰম গৰম হৈ থকা টোপোলা এটা দিলে।' 'কি আছে ইয়াত ? তুমি ভাল পোৱা বস্তু এটা। ব'লা লাল চাহ দুকাপ বনাবা আৰু আগতে যেনেকৈ দুয়ো বহি খাইছিলো, তেনেকৈ খাম।' 'হ'ব আপুনি হাত মুখ ধুই আহক। অ' ক'বলৈ পাহৰিছো, বৰমইনাহঁত সিহঁতৰ নতুন ঘৰতে থাকিব।' 'মই গম পালো - জিতেনে মোক ক'লে । সি হেনো বৰমইনাক ঘৰলৈ আহোতে লগ পাইছিল। হ'ব দিয়া চিন্তা নকৰিবা, মই আছো নহয় তোমাৰ লগত কিমান যে সপোন দেখিছিলো আমি। সপোনবোৰ দেখোন সপোন হৈয়ে ৰ'ল। দয়ানন্দ গগৈয়ে দীঘলকৈ হুমুনিয়াহে কাঢ়িলে। পিচ মুহূৰ্ততে নিজকে চম্ভালি তজবজীয়া যেন দেখুৱাই ক'লে - 'মই আৰু দুখ নকৰো।' নীলাই গিৰিয়েকৰ কথা শুনি ক'লে - আপুনি কি কৈছে মই বুজি পোৱা নাই ।' তুমি সেই আগৰ আজলী নীলাজনীয়ে হৈ আছা। সংসাৰৰ জটিলতাই এতিয়াও তোমাক স্পৰ্শ কৰিব পৰা নাই। ভালেই হৈছে নহ'লে তুমি ভীষণ কষ্ট পালাহেঁতেন। জীৱনত বহু কিবাকিবি বিচাৰিছিলো। সিহঁতৰ কাৰণে জীৱনটোক উচৰ্গা কৰিলো। যোৱাকলিলৈকে সিহঁতে ভালপোৱা বস্তুৰে মই মোনা ভৰাই বজাৰ কৰি আনিছিলো, কিন্তু সন্তুষ্ট কৰিব নোৱাৰিলো। মই আজি পৰাজিত । কি জানা অকল আমিয়েই সন্তানক লৈ অসুখী বুলি নাভাবিবা আৰু বহুতো মাক-দেউতাক আমাৰ দৰে অসুখী। সকলোৱে অন্তৰৰ বেদনাবোৰ লুকুৱাই বাহিৰত এজন ভিতৰি এজন হৈ থাকে। দত্তৰ ল'ৰাটো বিদেশত গৈ ঘূৰি আহিবা নিবিচৰা কথাটো তুমি জানাই। ছোৱালীজনীও অসমৰ বাহিৰত পঢ়িব বিচাৰিছিল। তেওঁ টকা যোগাৰ কৰিব নোৱাৰাৰ কাৰণে পঠাব নোৱাৰিলে। যোৱাকালি তাই মাক-দেউতাকক অপদাৰ্থ বুলি ক'লে । তাৰ পিচতো মাক দেউতাকে হাঁহি হাঁহি জীয়াই আছে। আমি জানো নোৱাৰিম? আন দহজন দুৰ্ভগীয়া পিতৃ-মাতৃৰ দৰে আমিও জীয়াই থাকিম। তেওঁলোকে যেনেকৈ হাঁহি হাঁহি নিজৰ দুখবোৰ পাহৰি থাকে, আমিও চেষ্টা কৰিম। তোমাৰ - মোৰ জানো নিজস্ব সুখ বুলি একো নাই? অকল আমাৰ জীৱনটো সন্তানৰ কাৰণেই নেকি ? বিপদৰ-আপদৰ বন্ধু-বৰ্গ, ওচৰ-চুবুৰীয়াই চাব দিয়া। আমি জানো তেওঁলোকৰ বিপদ-আপদত চোৱা নাই? যোৱা ভাত ৰান্ধাগৈ, আলহী লৰাটোও আছে নহয়। কাইলৈৰ পৰা মাজে মাজে তোমাকো ফুৰাবলৈ নিম। মই যদি আগৰ দৰে ঘৰতে সোমাই থাকিলোহেঁতেন কিছুমান কথাৰ সত্যতা কেতিয়াও উপলব্ধি কৰিব নোৱাৰিলোহেঁতেন।

ভ্ৰাম্যভাষঃ৭৮৯৬৫৩৯৭৬২

৩ পৃষ্ঠাৰ পৰা

# মোহন চন্দ্ৰ মহন্ত . . .

আগধৰি 'মুক্তিতো নিস্পৃহ ভকতক' নমস্কাৰ কৰি 'দেৱতো তীৰ্থতো কৰি ভকতেসে বৰ' বুলি গণতান্ত্ৰিক আদৰ্শবাদকে সাব্যস্ত কৰি আহিছে। মহাপুৰুষসকলে আৰাধনা কৰিববলৈ শিকোৱা ঈশ্বৰজনো যে গণাতিন্ত্ৰক এই কথা 'শুনিয়ো দুৰ্বাসা মই নোহো স্বতন্তৰ, হওঁ মই ঈশ্বৰ সমস্তে জগতৰ। তথাপিও অধীন মই ভৈলো জগতৰ' বোলা শ্ৰীকৃষ্ণৰ বাণীয়েই স্পষ্টকৈ সাব্যস্ত কৰি গৈছে।" এনেধৰণৰ বিজ্ঞানসন্মত লেখনিৰ যোগেদি মহন্তই এক নতুন চিন্তাৰ উন্মেষণ ঘটাইছিল। ইতিমধ্যে অৱতাৰণা কৰা হৈছে যে আপাতদৃষ্টিত মহন্তৰ সাহিত্যৰ কৰ্মৰাজী কম, তৎসত্বেও কম লেখনিতে এক অন্যান্য কৃতিত্বৰ দাবী কৰাৰ অৱকাশ আছে।

'বিশ্বকোষ'ৰ চতুৰ্থ খণ্ড (পৃষ্ঠা ৭৭২) নাম সন্নিৱিষ্ট হোৱা সমান্তৰালভাৱে মোহন চন্দ্ৰ মহন্তই ওকালতি আৰু অধ্যয়ন, আনফালে বহুকেইটা স্থানীয় আৰ্থ-সামাজিক অনুষ্ঠানৰ লগত যুক্ত হৈছিল। যেনেদৰে গান্ধীবাদী আদৰ্শত ওৰেটো জীৱন উচৰ্গা কৰা মহন্তই অসমৰ কৃষক আন্দোলনৰ সৈতে নিজকে জড়িত কৰি কৃষক সমস্যাৰ উন্নয়নত আগভাগ লৈছিল । স্বায়ত্ত শাসনত গুৰুত্ব দিছিল আৰু লোকেল ব'ৰ্ডৰ নিৰ্বাচনত কৰঙাৰ পৰা বিপুল ভোটৰ ব্যৱধানত নিৰ্বাচিত হৈছিল। সমবায় আৰু কুটিৰ শিল্পৰ জৰিয়তে কৃষক ৰাইজ আত্মনিৰ্ভৰশীল হোৱাৰ আঁচনি কৰি আহোম ৰজাৰ দিনৰেপৰা খ্যাতি থকা কৰঙা কমাৰ শিল্পৰ উন্নয়নৰ বাবে যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছিল। তদুপৰি কৰঙাৰ প্ৰসিদ্ধ মৃদংগীয়া গায়নৰ প্ৰশিক্ষণ সম্পৰ্কতো মহন্তই গুৰুত্ব দিছিল। একেদৰে সত্ৰত প্ৰতিবছৰে অনুষ্ঠিত কমেও তিনিটা ভাওনাত তেওঁ ভাওনাৰ আদিৰপৰা কল্যাণ খৰমানলৈকে থাকি গুৰি ধৰিছিল।

নিতান্তই সৰল, সাধাৰণভাৱে অনাড়ম্বৰতাৰে জীৱন কটোৱা মহন্তৰ ব্যক্তিত্ব আছিল তেজস্বী। আদৰ্শ আৰু কৰ্মৰ কোনো ক্ষেত্ৰত আপোচকামীতা নথকা, মহন্তই অসমৰ সমাজ জীৱনলৈ এক সুপ্ৰতিষ্ঠিত সামাজিক দায়বদ্ধতা থকা পৰিয়াল আগবঢ়াই থৈ গৈছে। তেওঁৰ পত্নী তথা বিদূষী মহিলা দিনপ্ৰভা মহন্ত। পাঁচজন সুযোগ্য পুত্ৰ ক্ৰমে— শ্ৰীযুত দুৰ্লভ চন্দ্ৰ মহন্ত, প্ৰয়াত ত্ৰিগুণ মহন্ত, প্ৰবীণ কবি তথা শিক্ষাবিদ প্ৰয়াত বেদনিধি মহন্ত, ড° পদ্মপাণি (আন্তৰ্জাতিক খ্যাতিসম্পন্ন ফৰেন্‌চিক বিজ্ঞানী) আৰু শ্ৰীযুত গুণনিধি মহন্ত (বিষয় শিক্ষক)। চাৰিগৰাকী সুযোগ্যা কন্যা ক্ৰমে— প্ৰয়াত কেশদা মহন্ত (ৰামায়নী সাহিত্যৰ বিশিষ্টা গৱেষিকা), শ্ৰীযুতা চেনিচম্পা মহন্ত, শ্ৰীযুত চম্পা মহন্ত আৰু শ্ৰীযুতা বীণা মহন্ত। দক্ষিণ যোৰহাটত উচ্চ শিক্ষাৰ সপোন দেখা, চিনামৰা মহাবিদ্যালয়ৰ ৰূপকাৰ, প্ৰস্তুতি সমিতি আৰু পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ অধিবক্তা শ্ৰীযুত দুৰ্লভ চন্দ্ৰ মহন্ত আমাৰ বাবে গৌৰৱ। একেদৰে মহন্তদেৱৰ সুযোগ্যা কন্যা যোৰহাট নৰ্মাল স্কুলৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা, বিশিষ্টা শিক্ষাবিদ শ্ৰীযুতা বীণা মহন্ত এক পৰিচিত ব্যক্তি। ১৯৮৯ চনত পৰলোকগামী হোৱা মোহন চন্দ্ৰ মহন্ত গাৰ্হস্থ্য জীৱনো অতি সফল আৰু মোহন চন্দ্ৰ মহন্তদেৱৰ ব্যক্তিত্বৰ সুবাস, গভীৰ অন্তৰ্দৃষ্টি, সুদূৰপ্ৰসাৰী কৰ্মৰাজী আৰু স্বাধীনতা সংগ্ৰামী হিচাপে প্ৰতিধ্বনিত কৰিব বিচাৰো এইবুলি— "আমাক পাহৰি যাব অনাগত ভৱিষ্যই, মানুহৰ মিছা ইতিহাসে, আমাক পাহৰি যাব প্ৰভাতৰ পূবেৰুণে, সন্ধিয়াৰ সুন্দৰ আকাশে।"

এতিয়া প্ৰশ্ন হ'ল ইতিমধ্যে উল্লেখ কৰা শ্যামল বিশ্বাসে আলোকপাত কৰা স্থানীয় পৰ্যায়ৰ বিশিষ্ট ব্যক্তি মোহন চন্দ্ৰ মহন্তদেৱৰ মৃত্যুৰ পিছত আমি তেওঁৰ প্ৰতি উদাসীন হৈছোঁ নেকি? বা মহন্তদেৱৰ প্ৰাসংগিকতা সাম্প্ৰতিক সময়ত আছেনে? এক জটিল প্ৰশ্ন। কিন্তু ইয়াৰ বিপৰীতে যদি কওঁ মৃত্যুৰ ত্ৰিশটা বছৰৰ পাছত মহন্তদেৱৰ গুৰুত্ব বাঢ়িব ধৰিছে। কাৰণ ২০১০ চনৰ ২ অক্টোবৰ তাৰিখে চিনামৰা মহাবিদ্যালয়ৰ সহযোগত মোহন চন্দ্ৰ মহন্ত অধ্যয়ন গৱেষণা কেন্দ্ৰই আত্মপ্ৰকাশ কৰে। উদ্দেশ্য চিনামৰা মহাবিদ্যালয়ত শিক্ষণ আৰু সমাজ বিজ্ঞানৰ গৱেষণা সমান্তৰালভাৱে আগবাঢ়িব লাগিব। স্থানীয়ভাৱে মননশীল গৱেষণাৰ যোগেদি অধ্যয়ন কেন্দ্ৰটিৰ জৰিয়তে মহাবিদ্যালয়খনক অৰ্থৱহ কৰিব লাগিব। দেশৰ সমাজ বিজ্ঞানী বা ইতিহাসৰ পণ্ডিত মহলক এই গৱেষণা কেন্দ্ৰৰ যোগেদি গৱেষণাৰ মাধ্যমেৰে দৃষ্টি আকৰ্ষণ কৰাব লাগিব। ইতিমধ্যে গৱেষণা কেন্দ্ৰটো পঞ্জীয়ন হৈছে। কেন্দ্ৰটোৰ যোগেদি কেইবালানিও আলোচনা চক্ৰৰ লগতে গ্ৰন্থও প্ৰকাশিত হৈছে। দেশৰ কেইবাটাও প্ৰসিদ্ধ সমাজ বিজ্ঞান প্ৰতিষ্ঠানৰ লগত কেন্দ্ৰটো সমৃদ্ধ কৰিববলৈ যোগাযোগ অব্যাহত ৰখা হৈছে। ইতিমধ্যে গৱেষণা কেন্দ্ৰটোৰ যোগেদি মহন্তদেৱৰ সুযোগ্য ভাতৃ, অসমৰ প্ৰগতিশীল চিন্তাৰ অন্যতম বাটকটীয়া, কলিকতা বিশ্ববিদ্যালয়ৰ এসময়ৰ কৃতী ছাত্ৰ, দধী মহন্তৰ স্মৃতিত সৰ্বভাৰতীয় পৰ্যায়ত সমাজ বিজ্ঞানৰ বঁটা কেইবাবছৰ ধৰি প্ৰদান কৰি অহা হৈছে। প্ৰসংগক্ৰমে কওঁ যে ইতিমধ্যে এই বঁটা লাভ কৰিছে পশ্চিমবংগৰ শালদিহা মহাবিদ্যালয়ৰ অধ্যাপক, গৱেষক বিনয় বৰ্মন, গুৱাহাটীৰ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ এগৰাকী প্ৰতিশ্ৰুতিসম্পন্ন অধ্যাপক ড° ৰাহুল সাংস্কৃত্যয়ন মজুমদাৰ, যাদৱপুৰ বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ প্ৰাধ্যাপক ড° ৰূপ কুমাৰ বৰ্মন আৰু এই বছৰ পঞ্জাৱৰ পাঞ্জাৱী বিশ্ববিদ্যালয়ৰ শ্ৰীগুৰু টেগবাহাদূৰ জাতীয় সমন্বয়ৰ প্ৰাধ্যাপক ড° দৌলজিৎ সিঙক মনোনীত কৰা হৈছে। জ্যোতিপ্ৰসাদে কৈছে— 'গাঁৱত থাকিও বেলিৰ পোহৰ পাবি, গাঁৱত থাকিও বিশ্ব জগত চাবি।' চিনামৰা মহাবিদ্যালয়ত মোহন চন্দ্ৰ মহন্ত অধ্যয়ন গৱেষণা কেন্দ্ৰ প্ৰতিষ্ঠা নোহোৱাহেতেন, এনেধৰণৰ দেশৰ একোগৰাকী ধীমান ব্যক্তিৰ সান্নিধ্য মহাবিদ্যালয়ে লাভ কৰিববলৈ হয়তো আৰু অপেক্ষা কৰিব লাগিলহেঁতেন। গতিকে মোহন চন্দ্ৰ মহন্ত অধ্যয়ন গৱেষণা কেন্দ্ৰটো অধিক যাউতিযুগীয়া, অৰ্থৱহ তথা প্ৰকৃতাৰ্থত গৱেষণা কেন্দ্ৰলৈ ৰূপান্তৰ কৰাটো গধুৰ দায়িত্ব আহি পৰিছে মহাবিদ্যালয় শিক্ষক-শিক্ষয়িত্ৰীৰ ওপৰত। যিমানেই এই গৱেষণা কেন্দ্ৰটো গৱেষণাৰ মাধ্যমেৰে উজলি উঠিব, যিমানেই মোহন চন্দ্ৰ মহন্তৰ গুৰু ত্ব বাঢ়িব আৰু মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ বৌদ্ধিক পাণ্ডিত্যক দেশৰ বিদ্বৎ সমাজে আঁকোৱালি ল'ব। সেই আশা আৰু প্ৰত্যাশাৰে. . .।

### চিনামৰা মহাবিদ্যালয় এন.এচ.এচ গোটৰ উদ্যোগত তথা লক্ষীমপুৰৰ সোৱনশিৰি মহাবিদ্যালয়ৰ সহযোগত বৰবাম চুঙীত

## শীতকালীন বিশেষ সংযুক্ত শিৱিৰ সম্পন্ন

যুগবাৰ্তা সংবাদঃ 'গাৱঁৰ সেৱাই জনতাৰ সেৱা' এই মূলমন্ত্ৰেৰে তিতাবৰৰ বৰবাম চুঙীত চিনামৰা মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত তথা লক্ষীমপুৰৰ সোৱনশিৰি মহাবিদ্যালয়ৰ সহযোগত সপ্তাহযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা শীতকালীন বিশেষ সংযুক্ত শিৱিৰৰ যোৱা অলপতে সামৰণি পৰে। শিৱিৰত দুয়োখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে স্থানীয় ৰাইজৰ সহযোগত পথ মেৰামতি, চাফাই অভিযান, গছপুলি ৰোপন, পৰম্পৰাগত খাদ্য প্ৰস্তুতকৰণ আৰু কৃষি কাৰ্য আদি বিভিন্ন শিতানত অংশগ্ৰহণ কৰে। মুঠ ৭৬গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা যুটীয়া শিৱিৰৰ কাৰ্যক্ৰমনিকা উদ্বোধন কৰে স্থানীয় সমাজকৰ্মী লক্ষীধৰ বৰাই। গাওঁবাসী আৰু শিক্ষাৰ্থীসকলৰ উপস্থিতিত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উপস্থিত থাকি চিনামৰা মহাবিদ্যালয়ৰ অধ্যাপক ৰঞ্জু কুমাৰ ভৰালীৰ লগতে স্থানীয় যুৱ সমাজকৰ্মী ধ্ৰুৱজ্যোতি হাজৰিকাই বক্তব্য আগবঢ়ায়। বৰবাম চুঙী গাওঁ যুৱ সমাজ আৰু স্থানীয় ৰাইজে তত্বাৱধায়ক কাৰ্যক্ৰম বিষয়াদ্বয় অধ্যাপক পদ্মেশ্বৰ কাটনী আৰু ড° বিজয় চাংমাইৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনায়। উদ্বোধনী অনুষ্ঠানৰ পিছতেই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এন.এচ.এচ. কোষৰ আঁচনি সহকাৰী সুজিত গগৈয়ে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ছাত্ৰ-ছাত্ৰীসকলক এক প্ৰশিক্ষণ প্ৰদান কৰে। উক্ত শিৱিৰৰ সমগ্ৰ কেইদিনৰ কাৰ্যসূচীৰ ভিতৰত আছিল 'No Tobacco, No Cancer' শীৰ্ষক বক্তৃতা অনুষ্ঠানত যোৰহাট জিলা ধপাত নিয়ন্ত্ৰণ কোষৰ সমন্বয়ক ডাঃ ভক্তিময় ভট্টাচাৰ্যই ধপাতৰ অপকাৰিতা সম্পৰ্কে উপস্থিত ৰাইজ তথা স্বেচ্চাসেৱক-স্বেচ্চাসেৱিকা সকলক বহলাই আলোকপাত কৰে। উক্ত অনুষ্ঠানতেই নতুন দিল্লীস্থ সম্বন্ধ ফাউণ্ডেশ্বনৰ (Samanadh Foundation) দ্বাৰা প্ৰদান কৰা কৰ্কট ৰোগ আৰু ধপাত নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আগবঢ়োৱা সজাগতামূলক অভিযানৰ স্বীকৃতিস্বৰূপে চিনামৰা মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ গোটৰ স্বেচ্ছাসেৱক ক্ৰমে হিমাংশু ৰাজ শইকীয়া, হিমাশ্ৰী গগৈ, খাইৰুল আলম, আস্থাপ্ৰিয়া ডেকা, য়াচিফা টাহিৰ আৰু সংগীতা গগৈক একোখনকৈ মানপত্ৰ প্ৰদান কৰা হয়। যোৰহাটস্থ ইন্দিৰা গান্ধী মুক্ত বিশ্ববিদ্যালয় আঞ্চলিক কেন্দ্ৰ আৰু ৰাজ্যিক



গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ যোৰহাটস্থ কাৰ্যালয়ে সহযোগিতা আগবঢ়োৱা শিৱিৰত GPDP ৰ অধিনত 'গাওঁ উন্নয়নত পঞ্চায়তৰ ভূমিকা' শীৰ্ষক এক বক্তৃতা অনুষ্ঠানত SIRD যোৰহাটৰ তালিকাভুক্ত প্ৰশিক্ষক প্ৰকাশ ঠাকুৰে পঞ্চায়তত সৰ্বসাধাৰণ ৰাইজৰ অংশগ্ৰহণ আৰু ইয়াৰ লাভালাভ সম্পৰ্কে বক্তব্য আগবঢ়ায়। শিৱিৰৰ অন্য এক কাৰ্যসূচীত সৰ্বসাধাৰণ ৰাইজে সহজে আইনী সাহাৰ্য পোৱাৰ উপায় আৰু এই সম্পৰ্কীয় চৰকাৰী ব্যৱস্থাপনাৰ দিশসমূহৰ ওপৰত আলোকপাত কৰি যোৰহাটৰ বিশিষ্ট চৰকাৰী অধিবক্তা সীমান্ত কুমাৰ বৰঠাকুৰে এক সাৱলিল বক্তব্যৰে ৰাইজক উপকৃত কৰে। শিৱিৰৰ অন্যান্য কাৰ্যসূচীৰ লগতে গাওঁখনৰ কৃষক ৰাইজক আধুনিক কৃষি প্ৰণালী, কীটনাশক ঔষধ প্ৰয়োগ আৰু ৰাসায়নিক সাৰ প্ৰয়োগ সম্পৰ্কে অসম কৃষি বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অপূৰ্ব দাসে এক ক্ষেত্ৰভিত্তিক তথা প্ৰায়োগিক পৰামৰ্শ আগবঢ়ায়। চিনামৰা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক ড° দেৱজিত কোৱঁৰৰ সভাপতিত্বত অনুষ্ঠিত কৃষি সজাগতা সভাত অংশগ্ৰহণ কৰি অসম কৃষি বিশ্ববিদ্যালয় ছাত্ৰকল্যাণ বিষয়া পূৰালী বৰ্মণে বক্তব্য ৰাখে। অন্যহাতে উক্ত শিৱিৰতে তিতাবৰস্থ ভ্ৰাম্যমাণ স্বাস্থ্য সেৱা গোট ১১৬ৰ দ্বাৰা অনুষ্ঠিত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিৱিৰত অঞ্চলটোৰ প্ৰায় ডেৰশতাধিক ৰোগীৰ স্বাস্থ্য পৰীক্ষাৰ লগতে প্ৰয়োজনীয় কিছু ঔষধো বিনামূলীয়াকৈ প্ৰদান কৰা হয়। যোৰহাটস্থ পতঞ্জলী যোগপীঠৰ প্ৰশিক্ষক দিপালী ডেকা, নিলীমা ফুকন আৰু স্বপনীল দত্তৰ তত্বাৱধানত যোগাভ্যাসেৰে আৰম্ভ হোৱা শিৱিৰৰ লগত সংগতি ৰাখি অনুষ্ঠিত অনুষ্ঠানত যোগাভ্যাস আৰু স্বাস্থ্য শীৰ্ষক বক্তৃতা প্ৰদান কৰে ভাৰত স্বাভিমান, অসমৰ প্ৰভাৰী ৰাজিৱ বৰুৱা আৰু যোৰহাটস্থ পতঞ্জলি যোগপীঠৰ প্ৰভাৰী অৰুণ ফুকনে। শিৱিৰৰ সামৰণিৰ দিনা পুৱা অঞ্চলটোৰ ৩০জন প্ৰয়াত ব্যক্তিৰ স্মৃতিত স্থানীয় সমাজকৰ্মী ফুলেন হাজৰিকাই একোটিকৈ গছপুলি ৰোপনৰ কাৰ্যসূচী মুকলি কৰে। দিনৰ ১১ বজাত চিনামৰা মহাবিদ্যালয়ৰ অধ্যক্ষ তথা যোৰহাট মহকুমা স্বচ্চভাৰত অভিযানৰ ব্ৰেণ্ড এম্বেচেদৰ ড° অঞ্জন শইকীয়াৰ সঞ্চালনাত তথা স্থানীয় অধিবক্তা যুৱক বিশ্বজিত হাজৰিকাই আঁত ধৰা মুকলি সভাত বৰবাম চুঙী গাৱঁৰ ইতিহাস সম্বলিত গ্ৰন্থ তথা চিনামৰা মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ মুখপত্ৰ 'শিপা' উন্মোচন কৰি যোৰহাটস্থ ইগন'ৰ সঞ্চালক ড° অনিল চন্দ্ৰ বৰাই গাওঁখনৰ ইতিহাস ধৰি ৰাখিববলৈ এনেধৰণৰ গ্ৰন্থই ভৱিষ্যত প্ৰজন্মক সহায় কৰিব বুলি আশা প্ৰকাশ কৰে। চিনামৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আনন্দ শইকীয়াই নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰা উক্ত সভাত স্বচ্চতাই সেৱা শীৰ্ষক বক্তৃতা আগবঢায় যোৰহাট জিলা স্বচ্চ ভাৰত অভিযানৰ ব্ৰেণ্ড এম্বেচেদৰ ড° অনিল কুমাৰ শইকীয়াই। শিৱিৰৰ সপ্তাহযোৰা কাৰ্যসূচীৰ অংশৰূপে আয়োজন কৰা ছাত্ৰ-ছাত্ৰীসকলক পৰম্পৰাগত খাদ্য প্ৰস্তুত কৰণৰ প্ৰশিক্ষণ, মৰণা মৰা প্ৰশিক্ষণৰ লগতে শিশুসকলৰ মাজত অনুষ্ঠিত হোৱা কুইজ আৰু চিত্ৰাংকণ তথা পুৰুষ-মহিলাৰ মাজত মাৰাথন দৌৰ প্ৰতিযোগিতাৰ বিজেতাসকলক পুৰস্কাৰসমূহ বিতৰণ কৰা উক্ত সভাত স্থানীয় শিক্ষক ৰাজেন হাজৰিকা, দিলীপ হাজৰিকা আৰু দিগন্ত হাজৰিকাই বক্তব্য ৰাখে। বিয়লিলৈ চিনামৰা মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে প্ৰায় তিনি শতাধিক ৰাইজৰ উপস্থিতিত ঢোলৰ ওজা মহেন্দ্ৰ চুতীয়াৰ ঢোলবাদনকে ধৰি শিৱিৰৰ স্বেচ্চাসেৱক-স্বেচ্চাসেৱিকা আৰু স্থানীয় শিল্পীয়ে কেইবাটিও অনুষ্ঠান পৰিবেশন কৰা সাংস্কৃতিক অনুষ্ঠানত সোৱনশিৰি মহাবিদ্যালয়ৰ কাৰ্যক্ৰম বিষয়া ড° বিজয় কুমাৰ চাংমায়ে শলাগৰ শৰাই আগবঢ়ায়।

# A Scene of Socio-Academic Programmes of Our College in 2018




**মুখ্য উপদেষ্টা ঃ**
আনন্দ শইকীয়া

ড° অঞ্জন শইকীয়াৰ ব্যৱস্থাপনাত চিনামৰা মহাবিদ্যালয় প্ৰকাশনৰ হৈ আনন্দ শইকীয়াৰ দ্বাৰা প্ৰকাশিত আৰু পি, জি, ইণ্ডিয়া প্ৰাইভেট লিমিটেড, পুলিবৰ, যোৰহাট-৬ মুদ্ৰিত ঃ মুখ্য কাৰ্যালয় ঃ চিনামৰা মহাবিদ্যালয়, চিনামৰা, যোৰহাট-৮,
ফোন ঃ ৭৫৭৬৮৬৫৯০৮, ৯৪৩৫৭৩৮৬৪৫, ৮৬৩৮০৭৯৮৩২, ৯৪৩৫২৪৭৯৪৯
E-mail : editoryogabarta@gmail.com.

সম্পাদক ঃ ড° দ্বীপেন নাথ (অবৈতনিক)
কাৰ্যবাহী সম্পাদক ঃ তৰুণ শইকীয়া (অবৈতনিক)
সীমান্ত বৰা (অবৈতনিক)
সহঃ সম্পাদক ঃ তাপস কুমাৰ বৰুৱা, মনোজ কুমাৰ শৰ্মা, প্ৰতাপ চন্দ্ৰ শৰ্মা, বিপিন বড়া, (অবৈতনিক)